# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

REFERENCE
(NOT FOR ISSUE)

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**Budget Session**

**No. 3**

**The 11th March, 1992**

Price Rs. 32·90

REFERENCE
( NOT FOR ISSUE )
... LIBRARY

# CONTENTS

Budget Session

No. 3

Dated, the 11th March, 1992


| | | Page |
|---|---|---|
| 1. | Starred Questions and Answers— | 1—27 |
| 2. | Unstarred Questions and Answers— | 28—45 |
| 3. | Discussion During Zero Hour— | 45—50 |
| 4. | Call Attention Notice— | 50—52 |
| 5. | Matter Under Rule 301— | 52—55 |
| 6. | Debates on the Governor's Address— | 55—90 |
| 7. | Adjournment— | 91 |
| 8. | Annexures— I, II and III— | 92—127 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

The 11th March, 1992

The House met at nine of the Clock in the Assembly Chamber, at Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair.

**Starred**

**Questions and Answers**

( To which Oral replies were given )

Mr. Speaker : Now starred Question No. 21

শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰ আৰম্ভ কৰাৰ আগতে এটা কথা মই দাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমি প্ৰশ্ন দিওঁ মন্ত্ৰী সকলৰ পৰা উত্তৰ পোৱাৰ কাৰণে প্ৰশ্নৰ মাধ্যমত সেই বিষয়ৰ তথ্য পাতি পাবৰ কাৰণেহে কিন্তু মন্ত্ৰী সকলে উত্তৰ দিয়াৰ পৰা এৰাই যোৱা দেখা গৈছে। মোৰ প্ৰশ্নটো আছিল বৰপেটা জিলাৰ স্কুল সমূহৰ পৰীক্ষাৰ ফলাফল আৰু শ্ৰেণীভিত্তিক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান কিন্তু তাৰ ওপৰত মন্ত্ৰী মহোদয়ে তথ্য পাতি সংগ্ৰহ কৰি থকা বুলিহে উত্তৰ দিছে। এইটো এটা উত্তৰ হব নোৱাৰে। বাকী প্ৰশ্নবোৰৰ বাবে তথ্য পাতি বিচৰা হৈছে বুলি উত্তৰ দিলে সেইটো এটা উত্তৰ নহয়। মই চাৰ এই প্ৰশ্নৰ জাননী বহুদিনৰ আগতে দিছো অথচ এনেকৈ উত্তৰ দিলে কি তথ্য পাম ?

মাননীয় অধ্যক্ষ : প্ৰশ্নটো এতিয়াও অহা নাই নহয়।

শ্ৰীশশকমল সন্দিকৈ : এইটো তৰাবিহীন প্ৰশ্ন চাৰ।

মাননীয় অধ্যক্ষ : পিচত আনিব পাৰিব।

শ্ৰীশশকমল সন্দিকৈ : তথ্যপাতি বিচৰা হৈছে এনে উত্তৰ দিলে আমি প্ৰশ্ন নিদিয়াই ভাল। কিন্তু প্ৰশ্ন দিয়াৰ আৰু তাৰ পৰা উত্তৰ পোৱাৰ আমাৰ অধিকাৰ আছে।

শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ।

মাননীয় অধ্যক্ষ : আগতে প্ৰশ্ন এটা আৰম্ভ কৰক। তাৰ পিচত কব।

শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, কালি এটা প্ৰশ্ন সোধা হৈছিল কিন্তু উত্তৰ পোৱাত পলম হব বুলি কৈছিল। কাৰ্বি আংলঙত কোনে নিযুক্তি দিয়ে সেইটো তথ্য বিচৰা হৈছে বুলি প্ৰশ্নটো এৰাই [illegible]

ফালৰ পৰা উত্তৰ বিচৰা হয় তথ্য পোৱাৰ আশাত কিন্তু তাকো যদি এৰাই যাব খোজা হয় তেতিয়াহলে আমাৰ প্ৰশ্ন কৰাৰ অধিকাৰ থাকিল ক'ত? গতিকে এই বিষয়ত আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো।

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ২১

## বিষয় : এন, টি, ৰোড

শ্ৰীনগেন শৰ্মাই সুধিছে :

*২১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নলবাৰী চহৰৰ মাজেৰে যোৱা Old N. T. Road ৰ পাগলাদিয়া নদীৰ ওপৰত থকা পকী দলংখন ১৯৯০ চনৰ পৰা যাতায়তৰ বাবে অনুপযোগী বুলি বন্ধ কৰি ৰখাৰ বিষয়ে চৰকাৰে জানে নে?

(খ) যদি জানে, উক্ত দলংখন ১৯৯১-৯২ চনৰ ভিতৰত পুনৰ নিৰ্মাণ কৰি উলিয়াবনে?

শ্ৰীগোলোক ৰাজবংশী, (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানে। ১৯৯১ চনৰ মাৰ্চ মাহৰ পৰা দুচকীয়া আৰু তিনিচকীয়া যান-বাহন বাদ দি বাকী যান-বাহনৰ বাবে দলংখন বন্ধ ৰখা হৈছে।

(খ) প্ৰয়োজনীয় কাৰিকৰী তথ্যপাতি সংগ্ৰহৰ পাছত পুনৰ নিৰ্মাণৰ কাম হাতত লব পৰা হব। তথ্যপাতি সংগ্ৰহৰ বাবে চৰকাৰে ১ লাখ টকাৰ এখন প্ৰাক্কলনৰ অনুমোদন দিছে—আৰু সেই অনুসাৰে তথ্য-পাতি সংগ্ৰহৰ কাম সোনকালেই আৰম্ভ কৰা হব।

Mr. Speaker : Starred Question No. 22 Dr. Kamala Kalita. He is absent. Now, Starred Question No. 23 Honourable Member Shri Jew Ram Boro.

## Re : Letter of Minister of Surface Transport.

Shri Jew Ram Boro asked :

*23. Will the Minister of P.W.D. be pleased to State :

(a) Whether the Government is aware of the letter vide Memo No. NH-17012/2/91-PL/RW of the Government of India, Ministry of Surface Transport (Roads wings),

Transport Bhaban, New Delhi, dated 21st February, 1991 ?

(b) If so, the contents of the said letter ?

(c) What attempts have been made to bring into force the matter contained in the said letter ?

Shri Golok Rajbangshi ( Minister P.W.D. ) replied :

(a) Yes

(b) The contents of the letter was to send proposals for the Central Loan Assistance Programme for State roads of Inter State or Economic Importance in the Eighth Five year Plan.

(c) A proposal containing 19 schemes was sent to the Ministry of Surface Transport, Government of India vide our No. DA-II/26/87/54 dtd. 13.11.91 for sanction under Central Loan Assistance Programme during 8th Plan.

* শ্রীজীউৰাম বড়ো : অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মন্ত্ৰী মহোদয়ে মুঠতে কেইটা দলং আছিল সেইটো জনাবনে আৰু কাম কেতিয়া আৰম্ভ কৰা হব সেইটোও জনাবনে ?

* শ্রীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মুঠতে ১৯টা ৰাস্তা। তালিকাখন অলপ দীঘলীয়া। মোক অনুমতি দিলে পঢ়ি শুনাব পাৰো।

* শ্রীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, পঢ়িব নালাগে। সদনৰ মেজত দিলেই হব।

* শ্রীজীউৰাম বড়ো : এই দিশত অসম চৰকাৰে গুৰুত্ব দিব লাগে কিয়নো এই আঁচনিত প্ৰায় ৪০ কোটি টকা আছে আৰু ইয়াতে শতকৰা পঞ্চাশ ভাগ কেন্দ্ৰীয় চৰকাৰৰ আৰু বাকী পঞ্চাশ ভাগ ৰাজ্যিক চৰকাৰৰ। আমাৰ টকা নাই যদিও কেন্দ্ৰীয় চৰকাৰৰ পৰা দিয়াৰ ব্যৱস্থা আছে। সেই কাৰণে আমাৰ ফালৰ পৰা বিশেষ ব্যৱস্থা লব লাগে। কিন্তু তেনে বিশেষ ব্যৱস্থা লোৱা দেখা নাই। আনকি বিভাগলৈ গলে বিষয়া কৰ্মচাৰী সকলে এই বিষয়ে নেজানে বুলি কয় আৰু এই আঁচনি বিলাকৰ ক্ষেত্ৰত মাননীয় বিভাগৰ মন্ত্ৰী মহোদয়ৰ অবগত নহয় বুলি সন্দেহ হৈছে। গতিকে এই দিশত বিশেষ ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ : আপোনাৰ প্ৰশ্নটো কৰক।

* শ্রীজীউৰাম বড়ো : বিশেষ ব্যৱস্থা লবনে ?

* Speech not corrected.

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানী মন্ত্ৰী ) : অতি সোনকালে লোৱাই নহয় অধ্যক্ষ মহোদয়, মই নিজে গৈ দিল্লীত আলোচনা কৰিছো আৰু কেনেকৈ বিত্তীয় সা-সুবিধা লব পৰা যায় তাৰ কাৰণে ব্যৱস্থা কৰি আছো।

Mr. Speaker : Now Starred Question No 24. Honourable Member Shri Prafulla Kumar Mahanta.

বিষয় : কেন্দ্ৰক পৰিশোধ কৰিব লগীয়া ঋণ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

*২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ মাৰ্চ পৰ্য্যন্ত অসম চৰকাৰে কেন্দ্ৰক পৰিশোধ কৰিবলগীয়া ঋণৰ পৰিমাণ কিমান আছিল ?

(খ) ১৯৯২ চনৰ ৩১ মাৰ্চলৈ এনে ঋণৰ পৰিমাণ কিমান হব ?

(গ) এই ঋণ পৰিশোধ কৰিবৰ কাৰণে চৰকাৰে কেনে ধৰণৰ আঁচনি হাতত লৈছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৩৬৩৫ কোটি টকা।

(খ) ৩৬৮২ কোটি টকা।

(গ) চৰকাৰৰ বাৰ্ষিক বকেয়া ঋণ পৰিশোধ অনুসূচী মতে পৰিশোধ কৰা হৈছে। ১৯৯০-৯১ চনত সময়মতে সমুদায় ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে। ১৯৯১-৯২ চনত দিব লগা ঋণৰ ভিতৰত ১৯৯১ চনৰ আগষ্ট মাহত ১৩.১৬ কোটি টকা পৰিশোধ কৰা হৈছে আৰু আন ১০৫.২০ কোটি টকা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত ৰাজ্য চৰকাৰৰ পাওনাৰ বিপৰীতে সংযোজিত কৰা হৈছে। বকেয়া ঋণ খিনি দীৰ্ঘম্যাদী ঋণলৈ পৰিবৰ্তন কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰা হৈছে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, অসম চৰকাৰে পুনৰ পাঁচশ কোটি টকাৰ ঋণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা কথাটো সঁচানে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : হয় সঁচা।

* শ্ৰীযতীন মালী : অসম চৰকাৰে চলিত বিত্তীয় বছৰত বিভিন্ন বেংক সমূহক ঋণ আদি নিদিবলৈ কিবা নিৰ্দেশ দিছে নেকি ?

---

* Speech not corrected,

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি ঋণ দিবলৈহে কৈছো। আমি বেংকৰ অফিচাৰ সমূহক মাতি আনি সোনকালে আমাৰ আঁচনিৰ বিপৰীতে থকা ঋণ বিলাক উলিয়াই দিবলৈ কৈছো।

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, যি পাঁচশ কোটি টকা বিচাৰিছে সেইটো কোন কোন শিতানত খৰচ কৰাৰ কাৰণে বিচাৰিছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, টকা বিচৰা নাই। আগৰ ধাৰ এৰাই দিয়াৰ কাৰণে এই ধৰণে কৰিবলগীয়া হৈছে।

মৌলানা আব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, এই ধাৰ কোন চনৰ মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, প্ৰায় পোন্ধৰ বছৰ মানৰ ধাৰ হব।

* শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী : অধ্যক্ষ মহোদয়, শতকৰা ৯০ টকা সাহাৰ্য্য আৰু দহ টকা ঋণ হিচাবত দিয়া টকাৰ ওপৰত ব্যৱস্থা লব নে উন্নয়নমূলক কামত খৰচ কৰাৰ ব্যৱস্থা লব অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : আমাৰ আগৰ ঋণ যাতে নোখোজে তাৰ ব্যৱস্থা কৰি আছো।

Mr. Speaker : Now Starred Question No. 25. Honourable Member Shri Chandan Kumar Sarkar.

## বিষয় : বঙ্গাইগাওঁ টাউনৰ ৰাস্তাৰ বাবদ খৰছ।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

*২৫। মাননীয় চহৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙ্গাইগাওঁ টাউনৰ ৰাস্তা ঘাট নিৰ্মানৰ বাবদ ১৯৮৫ চনৰ পৰা আজিলৈ চৰকাৰী অনুদানৰ টকা কিমান খৰছ হৈছে আৰু বেয়া হৈ থকা ৰাস্তা ঘাটবোৰ মেৰামতিৰ বাবে কিমান টকা চৰকাৰে মঞ্জুৰী দিছে ?

(খ) সংৰক্ষিত সমষ্টিৰ অন্তৰ্গত অভয়াপুৰী নগৰ কমিটিত চৰকাৰে অনুদানৰ টকা বেছিকৈ মঞ্জুৰী দি চহৰখনৰ উন্নয়ন কৰাৰ কিবা বিশেষ ব্যৱস্থা চৰকাৰৰ হাতত আছে নেকি ?

---

* Speech not corrected.

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বঙ্গাইগাওঁ টাউনৰ ৰাস্তা-ঘাট আদিৰ বাবে নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগে "বস্তি অঞ্চলৰ পৰিবেশ উন্নয়ন আঁচনিৰ" অধিনত ১৯৮৫ চনৰ পৰা ১৯৯০-৯১ চনলৈকে খৰচ হোৱা অনুদানৰ পৰিমান হ'ল ৮·৩৮ লাখ টকা আৰু ১৯৯১-৯২ চনৰ অনুমোদিত ধনৰ পৰিমান ৩ লাখ টকা।

ইয়াৰ উপৰিও ক্ষুদ্ৰ আৰু মজলীয়া নগৰৰ উন্নতিৰ বাবে সংহত আঁচনিৰ অন্তৰ্গত ৭ টা ৰাস্তাৰ উন্নতিৰ বাবে ৩৬ লাখ টকা কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী পালে দিয়া হব।

(খ) এনেকুৱা বিশেষ ব্যৱস্থা বৰ্তমানে চৰকাৰৰ হাতত নাই।

Mr Speaker : Now Starred Question No 26. Honourable Member Shri Phani Bhusan Choudhury.

বিষয় : লাভাংশ ধনৰ পৰিমাণ।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে :

*২৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ জুলাই মাহৰ পৰা ৰাজ্যিক লটাৰীৰ জৰিয়তে হোৱা লাভাংশ ধনৰ পৰিমান কিমান ?

(খ) এই সময় ছোৱাত কিমানটা অনুষ্ঠান-প্ৰতিষ্ঠানক উক্ত সংগৃহীত ধনৰ পৰা অনুদান দিয়া হৈছে। (তালিকা সদনৰ মেজত দাখিল কৰিব)।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৯১ চনৰ জুলাই মাহৰ পৰা ৰাজ্যিক লটাৰীৰ জৰিয়তে হোৱা লাভাংশ ধনৰ হিচাপ কৰা হোৱা নাই।

(খ) এই সময় ছোৱাত কোনো অনুষ্ঠান-প্ৰতিষ্ঠানক অনুদান দিয়া হোৱা নাই। তালিকাৰ প্ৰশ্ন নুঠে।

* শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ৰাজ্যিক লটাৰীৰ লাভাংশ বিতৰণ কৰাৰ ক্ষেত্ৰত কিবা নীতি আছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : কমিটী এখন আছে বিত্তমন্ত্ৰী চেয়াৰমেন তাত শিক্ষামন্ত্ৰী থাকে। সেই কমিটীয়ে বাছনি কৰিব লাগে।

* শ্ৰীফণীভূষণ চৌধুৰী : এই কমিটীয়ে যে সাহাৰ্য্য দিয়ে তাত কি কি চৰ্ত্ত থাকে

* Speech not Corrected.

বা কি কি নৰ্‌মচ্ থাকে আৰু সাহাৰ্য্য দিওতে সেই নৰ্‌মচ্ বিলাক পূৰণ কৰা হয় নে নহয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : চৰকাৰে যিবিলাক স্বীকৃতি দিয়ে সেই বিলাক অনুস্থানকহে সাহায্য দিয়া হয়।

* শ্ৰীনগেন শৰ্মা : মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো মুখ্য মন্ত্ৰী মহোদয়ে ইতিমধ্যে বহুত অনুস্থান-প্ৰতিষ্ঠানক সাহাৰ্য্য দিছে বা কিছুমানক দিম বুলি ৰাজহুৱা সভাত ঘোষণা কৰি আহিছে সেই টকা বিলাক কোন শিতানৰ পৰা দিছে জনাব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ পৰা দিয়া হৈছে।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : এই কমিটিত বিৰোধী পক্ষৰ সদস্য লোৱা হৈছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : এই কমিটিখনত তেনে কোনো ব্যৱস্থা নাই মাত্ৰ কেইজনমান মন্ত্ৰী আৰু বিষয়া সকল থাকে।

* শ্ৰীআলাউদ্দিন সৰকাৰ : এই কমিটি কেতিয়া কৰা হৈছিল আৰু তাৰ কাৰ্য্যকাল কিমান মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : কাৰ্য্যকাল চৰকাৰ যিমান দিনলৈ থাকে সিমান দিনলৈ থাকে।

* শ্ৰীগিয়াচুদ্দিন আহমেদ : মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো মাজতে আমি শুনিবলৈ পাইছিলো যে লটাৰীৰ টিকেটৰ সংক্ৰান্তত চাব টিকট বিক্ৰী হৈছে বজাৰত, চৰকাৰৰ ঘৰত তেনে তথ্য আছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : যোৱা ১১ মাহে লটাৰী খেল হোৱাই নাই অৱশ্যে তেনে অভিযোগো পোৱা নাই।

Mr. Speaker : Now Starred Question No 27. Shri Kamal Brahma.

Re.-Back-Log in Forest Department.

Shri Kamal Brahma Asked :

*27. Will the Chief Minister be pleased to State :

(a) What is the back-log of ST/SC gradewise in Forest Department till date ?

(b) What step would be taken by the Government to fill up the back-log ?

* Speech not corrected.

Shri Hiteswar Saikia ( Chief Minister ) replied :

(a) The Grade wise ST/SC back-log position in Forest Department as on 29.2.92 is as below :

| | | |
|---|---|---|
| (i) Grade—I | ST/Hills = 1 | SC = 1 |
| (ii) Grade = II | ST/Hills = 1 | SC = 3 |
| (iii) Grade—III | ST/Plains = 18 | |
| (iv) Grade—IV | ST/Hills = 22 | |

(b) Steps are being taken to accomodate the back-log Vacancies as and when the Vacancies will be filled up in the Department.

শ্ৰীকমল ব্ৰহ্ম : অধ্যক্ষ মহোদয়, এই বেকলগ বিলাক পূৰণ কৰাৰ কাৰণে কিবা বিশেষ ব্যৱস্থা লৈছে নে নাই মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : বেছি নাই কিন্তু ব্যৱস্থা লোৱা হৈছে।

শ্ৰীকমল ব্ৰহ্ম : যোৱা ১৯৯০-৯১ চনত বৰপেটা ৰোড ডিভিজনৰ পৰা ৬ জন স্কিল লেবাৰ চাটাই কৰিছে তেওঁলোকক পুনৰ মকৰল কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : নাম কেইটা দিলে ব্যৱস্থা লম।

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : বন বিভাগত মকৰল কৰিবৰ বাবে কিমান লোকৰ এতিয়ালৈকে সাক্ষাৎকাৰ ললে মুখ্যমন্ত্ৰীয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : তাৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

Mr. Speaker : Now Starred Question No 28. Honourable Member Shri Zoii Nath Sarma.

## বিষয় : চুক্তি ৰূপায়নৰ ব্যৱস্থা।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

*২৮। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চুক্তিৰ ৰূপায়নৰ সম্পৰ্কত ১৯৯১-৯২ চনটোত চৰকাৰে কি কি ব্যৱস্থা ললে ?

(খ) অসম চুক্তিৰ আধাৰত প্ৰস্তাৱিত "শঙ্কৰদেৱ কলাক্ষেত্ৰত" নিৰ্মাণৰ সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা লৈছে ?

*Speech not corrected.

(গ) সীমান্ত পথ আৰু কাইটীয়া বেৰৰ নিৰ্মাণকে ধৰি চুক্তিৰ প্ৰতিটো দফাৰ অগ্ৰগতি ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনৰ তুলনামূলক পৰিসংখ্যা দিবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী, মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম চুক্তিৰ ৰূপায়ণৰ সম্পৰ্কত ১৯৯১-৯২ চনটোত চুক্তিৰ প্ৰতিটো দফাৰে যাৱতীয় কাৰ্য্য ব্যৱস্থা লৈ থকা হৈছে।

(খ) অসম চুক্তিৰ আধাৰত প্ৰস্তাৱিত "শঙ্কৰদেৱ কলাক্ষেত্ৰত" নিৰ্মানৰ বাবে ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ অনুমোদনাৰ্থে ইতিমধ্যে ১০ কোটি টকাৰ এক আঁচনি প্ৰেৰণ কৰিছে।

(গ) সীমান্ত পথ আৰু কাইটীয়া বেৰৰ নিৰ্মাণকে ধৰি চুক্তিৰ প্ৰতিটো দফাৰ অগ্ৰগতিৰ খতিয়ান তলত সংলগ্ন কৰা হ'ল।

( See the Annexure-I )

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণ সম্পৰ্কত মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অশোক কাগজ কল, ৪ৰ্থ তেল শোধনাগাৰ খোলা হ'লনে নাই, আই, আই টিৰ কাম আৰম্ভ হ'ল নে নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অশোক কাগজ কল খোলা হোৱা নাই, ৫৬ কোটি টকা পোৱা হৈছিল তাক ধাৰ মাৰোতে গ'ল, নুমলীগড়ত তেল শোধনাগাৰ আৰম্ভ কৰা হব কিন্তু প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব তেখেতৰ তাৰিখলৈ অপেক্ষা কৰা হৈছে। আই আইটিৰ কাৰণে মাটি পোৱা হৈছে কাম এতিয়া আৰম্ভ কৰা হব। ১৯৯৩-৯৪ চনৰ পৰা ক্লাচ আৰম্ভ কৰিব পৰা হব।

* শ্ৰীনগেন শৰ্মা : মুখ্যমন্ত্ৰীৰ উত্তৰৰ পৰা বুজিব পাৰিলো যে এতিয়াও কাম আৰম্ভ হোৱাই নাই। আই এম ডি টি এক্টখন বাতিল কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : শোধনাগাৰৰ কাম প্ৰধান মন্ত্ৰীয়ে আধাৰ শিলা স্থাপন কৰাৰ পাছতহে আৰম্ভ কৰা হব, প্ৰধানমন্ত্ৰীৰ তাৰিখলৈ অপেক্ষা কৰি থকা হৈছে। আই এম ডি টি এক্টৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই।

* শ্ৰীহিতেশ ডেকা : অসম চুক্তি ৰূপায়ণত চুক্তিৰ ৬নং দফাত অসমৰ সাংবিধানিক ৰক্ষা কবচৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ কি পৰামৰ্শ দিছে মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ? এতিয়ালৈকে চুক্তি ৰূপায়ণৰ কাৰণে কেন্দ্ৰীয়

* Speech not corrected.

চৰকাৰে কিমান ধন আবণ্টন দিছে, কিমান টকা পালো আৰু কিমান বাকী আছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, চুক্তি ৰূপায়ণৰ ৬ নং দফা অনুসৰি দুটা যোজনা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু জ্যোতি চিত্ৰবনৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ বাবে যাৱতীয় কাম হাতত লোৱা হৈছে। শংকৰদেৱ কলা ক্ষেত্ৰৰ আঁচনিৰ বাবে ১০ কোটি টকা প্ৰাক্কলন চলিত বিত্তীয় বছৰত ভাৰত চৰকাৰলৈ পঠোৱা হৈছে। জ্যোতি চিত্ৰবন সম্প্ৰসাৰণ আৰু উন্নয়নৰ আঁচনিটো ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

* শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, দুটা সীমান্ত লিংক ৰোড নিৰ্মাণৰ বাবে ভাৰত চৰকাৰে অনুমোদন দিছে। লখীমাৰী বি, অ', পি লিংক ৰ'ড আৰু কোটি লামাৰী বি, অ' পি লিংক ৰ'ড। তাৰ কাম আজিলৈকে হোৱা নাই। ইতিমধ্যে দলং এখন আগতে হৈ আছে। গতিকে তাৰ কাম সোনকালে কৰাৰ ব্যৱস্থা লবনে ? আৰু অষ্টম পঞ্চ বাৰ্ষিক পৰিকল্পনাত চতুৰ্থ শোধনাগাৰৰ কাম কৰাৰ ব্যৱস্থা হাতত লবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো ব্যৱস্থা হাতত লোৱা হব।

* শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণৰ পিচত মুঠ কিমান জন বিদেশী নাগৰিকক চিনাক্ত কৰা হৈছে আৰু কিমানজনক বহিষ্কাৰ কৰা হৈছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনৰ ১৫২৭ টা গোচৰৰ চূড়ান্তকৰণ আৰু ১৪৩৫ জনক বিদেশী হিচাবে চিনাক্তকৰণৰ বিপৰীতে ১৯৯১-৯২ চনৰ ৩১ জানুৱাৰীলৈকে ন্যায়াধীকৰণে ১৩৩৩ টা গোচৰৰ বিচাৰ শেষ কৰি ১০৭৩ জন ব্যক্তিক ১৯৬৬-৭১ চনৰ বিদেশী বুলি ঘোষণা কৰিছে আৰু তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিবলৈ সংলিষ্ট বিভাগলৈ প্ৰেৰণ কৰা হৈছে। ঘোষিত হোৱা বিদেশী সকলৰ ভিতৰত ১৯৯০-৯১ চনৰ ৬৮৮ জনৰ বিপৰীতে ১৯৯১-৯২ চনত ৯৩৬ জন বিদেশীয়ে পঞ্জীয়ক বিষয়াৰ ওচৰত পঞ্জীভুক্ত কৰে। নিৰ্দিষ্ট সময়ৰ ভিতৰত পঞ্জীভুক্ত নকৰা বিদেশীৰ বিৰুদ্ধে ভাৰত ত্যাগ জাননী দিবলৈ লোৱা হৈছে। উল্লেখিত দুয়োটা বছৰতে আগৰ ব্যৱস্থাদি বাহাল আছে। যথা সময়ত বিহিত ব্যৱস্থা লোৱা হব। ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত যথাক্ৰমে ১৭৭. জন নতুন, ৫২ জন পুনঃ অনুপ্ৰৱেশকাৰী আৰু ১৭১৮ জন নতুন আৰু ৪৮ জন পুণঃ অনুপ্ৰবেশ কৰা বাংলাদেশীক ঘূৰাই পঠোৱা হৈছে দফা অনুযায়ী যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে। উল্লেখিত বছৰ

* Speech not corrected.

দুটা পৰিসংখ্যা এনেধৰণৰ (ক) ন্যায়াধীকৰণলৈ পঠোৱা গোচৰ ১৯৯০-৯১ চনত ৬০৭০ টা আৰু ১৯৯১-৯২ চনত ৬২২ টা। (খ) ন্যায়াধীকৰণে ৰায় দিয়া অবৈধ প্ৰৱেশকাৰী ১৯৯০-৯১ চনত ২৫৫৮ টা, ১৯৯১-৯২ চনত ৮৬২ টা (গ) বহিঃস্কৰণৰ আদেশ দিয়া অবৈধ প্ৰৱেশকাৰী ১৯৯০-৯১ চনত ১৪২ টা, ১৯৯১-৯২ চনত ৫৫০ টা। অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন, ১৯৮৩ অসমৰ বিদেশী চিনাক্তকৰণৰ কাৰ্য্যত সহায়ক নোহোৱাৰ হেতুকে ১৯৮৮ চনত অসমৰ মুখ্যমন্ত্ৰীয়ে এই আইনখন বাতিল কৰিবৰ বাবে তেতিয়াৰ প্ৰধান মন্ত্ৰীক স্মাৰক পত্ৰ দাখিল কৰিছিল। ১৯৯০ চনৰ ২০ চেপ্তেম্বৰত হোৱা ত্ৰিপাক্ষিক (অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, সদৌ অসম ছাত্ৰ সন্থা) আলোচনাত এই আইনখন বাতিলকৰণৰ বিষয়টো ৰাজনৈতিক পৰ্য্যায়ত সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা কেন্দ্ৰই দোহাৰে।

অসম চুক্তি ৰূপায়ণৰ ৬ নং দফা মতে দুটা যোজনা শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ আৰু জ্যোতি চিত্ৰবনৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ বাবে যাৱতীয় কাম হাতত লোৱা হৈছে। শঙ্কৰদেৱ কলাক্ষেত্ৰৰ আঁচনিৰ বাবে ১০ কোটি টকাৰ 'প্লেন এষ্টিমেট' চলিত বিত্তীয় বছৰত ভাৰত চৰকাৰলৈ পঠোৱা হৈছে। জ্যোতি চিত্ৰবন সম্প্ৰসাৰণ আৰু উন্নয়নৰ আঁচনিটো ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Mr. Speaker : Starred Question No 29. Honourable Member Shri Promode Gogoi.

Re : Arrear Taxes etc.

Shri Promode Gogoi asked :

*29. Will the Chief Minister be pleased to State :

(a) Whether it is a fact that the Tea Companies operating in Assam are to pay a huge amount to State Government on account of Land Revenue, Sales Tax, Agricultural Income Tax etc. ?

(b) If so, the total arrears as on 31st December, 1991 and steps taken to recover the arrears.

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes, The Tea Companies are to pay arrears to the Government on account of Land Revenue, Sales Tax, Agricultural Income Tax etc.

---

* Speech not corrected.

(b) The total arrears due from the Tea Companies as on 31st December, 1991 is as follows :

Sales Taxes and
Agricultural Income Tax ...... Rs.6,04,66,993·00
Land Revenue ...... Rs. 33,69,089,90

Steps are being taken by the officers concernd to recover the arrear dues in accordance with law by serving requisite notices on the defaulters and through Bakijai Proceedings.

* Shri Promode Gogoi : Mr. Speaker Sir, Now, it is evident that the tea companies operating in Assam are to pay huge amount to the Government on account of Sales Tax Land Revenue. May I know from the Government the companies having arrear more than Rs. 10,000/-on account of Sales Tax.

* Shri Hiteswar Saikia ( Chief Minister ) : Sir, the reason for non-payment of this amount Rs. 6,04,66,993·00 is that, Sir, out of the above unrealised amount Rs. 3,41,40,985·00 is lying under various stages of appeal including High Court and other Appellate Authority. Till the above Courts or Appellate Authorities give their judgement on those cases no action, either way can be taken by the concerned Tax Authority for realisation of the involved amount. Rs. 76,57,802·00 is covered by the recovery proceedings and the realisation of the same is under process. The balance Rs. 1,86,68,207·00 is in the process of recovery by the concerned Assessing Officer.

*Shri Promode Gogoi : My question was whether Government will place before the House the companies having an arrear of more than Rs. 10,000/-on account of Sales Tax.

---

* Speech not corrected.

* Shri Hiteswar Saikia ( Chief Minister ) : Sir, I will look into it.

* Shri Promode Gogoi : Another Supplementary, Sir. Whether the Bakijai cases were filed against the defaulting companies by the Government of Assam.

* Shri Hiteswar Saikia (Chief Minister) : মাননীয় অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰা হব। That will be done.

* Shri Promode Gogoi : Another Supplementary. What is the progress of these Bakijai cases.

*Shri Hiteswar Saikia ( Chief Minister ) : As I said to you, Sir, the realisation of Rs. 76.57,802·00 is under process.

* Shri Promode Gogoi : Whether these will be placed before the House so that we can examine the details of the bakijai cases, the arrears, the cases filed by the Government of Assam and the present possition of the cases.

* Shri Hiteswar Saikia ( Chief Minister ) : That will be done. Remaining amount of Rs. 1,86,68,627·00 is under process of recovery. Anyway, I will look into it.

* Shri Chandra Mohan Patowary : Sir, Tea gardens in Assam are occupying lands and the present tax system is very much less. So, whether Government is thinking to impose more taxes like coal in Bihar, Andhra Pradesh or Maharashtra. Whether Government is thinking to impose more taxes on the Tea companies.

* Shri Hiteswar Saikia ( Chief Minister ) : You know that previous Government had decided to impose sales tax. It is still lying in the Supreme Court.

Mr. Speaker : I have already allowed 6 supplementaries. No more. Now, Starred question No. 30, Shri Milon Boro.

---

* Speech not corrected.

Re : Fund allocated for youth welfare.

Shri Milan Boro asked :

*30. Will the Minister of youth Welfare be pleased to State :

(a) The amount allocated to Kokrajhar District in the year 1991-92 for Youth Welfare ?

(b) What Schemes would be taken up in the Kokrajhar District for Youth Welfare.

(c) What Schemes have been taken for Youth Welfare under T.S.P. areas of the State ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) যুৱ কল্যানৰ বাবে সুকীয়াকৈ কোনো ধন দিয়া হোৱা নাই। ক্ৰীড়া আৰু যুৱ কল্যান শিতানত ৬·৪২ লাখ টকা দিয়া হৈছে।

(খ) জিলা ভিত্তিত যুৱ কল্যানৰ বিষয়ে কোনো আঁচনি নাই।

(গ) জনজাতি উপ-পৰিকল্পনা ( T.S.P. ) ৰ অধীনত যুৱ কল্যানৰ বাবে সুকীয়াকৈ আঁচনি লোৱা হোৱা নাই।

* শ্ৰীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, তুলনামূলক ভাৱে জনজাতীয় লোক সকল পিচপৰা। এই ক্ষেত্ৰত টি, এচ, পি অঞ্চলৰ কাৰণে বিভিন্ন শিতানত বিভিন্ন বিভাগত সুকীয়াকৈ সংৰক্ষণ ৰখাৰ ব্যৱস্থা আছে। গতিকে টি, এচ, পি ৰ কাৰণে ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ ফালৰ পৰা সুকীয়াকৈ সংৰক্ষণ ৰখাৰ ব্যৱস্থা হাতত লবনে ?

* শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুৱ কল্যান মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, টি, এচ, পি'ৰ কাৰণে ক্ৰীড়া আৰু যুৱ কল্যান বিভাগত তেনেকুৱা কোনো সংৰক্ষণৰ ব্যৱস্থা নাই।

* শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে যুৱ কল্যান বিভাগৰ কাম কি কি ?

* শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুৱ কল্যান মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেইটো বেলেগে প্ৰশ্ন আহিলে ভাল হয়।

---

* Speech not corrected.

Mr. Speaker : Now Starred Question No 31. Honourable Member Shri Jatin Mali.

বিষয় ঃ পলাশবাৰী সমষ্টিৰ দলং।

শ্ৰীযতীন মালীয়ে সুধিছে :

*৩১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পলাশবাৰী সমষ্টিৰ ভিতৰত গড়কাপ্তানি পথ সমূহৰ কাঠৰ আৰু আৰ, চি. চি, দলং সৰ্বমুঠ কিমানখন আছে ?

(খ) ইয়াৰে কিমানখন দলঙৰে বৰ্তমান চলাচল কৰিব পৰা হৈ আছে আৰু কিমানখন মেৰামতি অথবা পুণৰ নিৰ্মাণ কৰিবলগীয়া হৈ আছে ?

(গ) বানপানীত ভঙা দলং আছে নেকি ?

(ঘ) মেৰামতি আৰু পুণৰ নিৰ্মাণ কৰিব লগীয়া দলং কেইখনৰ লগতে বান পানীত ভঙা দলং সমূহ সোনকালে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কাঠৰ দলং মুঠ ১২১ ( এশ একৈশ ) খন আৰু আৰ, চি, চি, দলং ৩ ( তিনি) খন আছে।

(খ) ইয়াৰে কাঠৰ দলং ১১৬ ( এশ যোল ) খন আৰু আৰ, চি, চি, দলং আটাই কেইখনৰে চলাচল কৰিব পৰা হৈ আছে। কাঠৰ দলং ১২১ খনৰ ভিতৰত ৫ ( পাঁচ ) খন দলং পুনৰ নিৰ্মান কৰিব লগীয়া হৈ আছে।

(গ) হয়, কাঠৰ দলং ভঙা আছে। আৰ, চি, চি, দলং ভঙা নাই।

(ঘ) মেৰামতি শিতানত আৰু বান বিধস্ত শিতানত প্ৰয়োজনীয় মঞ্জুৰী পালেই মেৰামতি আৰু পুণৰ নিৰ্মাণ কৰিবলগীয়া দলং সমূহৰ লগতে বানপানীয়ে ভঙা দলঙো নিৰ্মাণ কৰা হ'ব।

* শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে আৰ, চি, চি দলং ভঙা নাই। এই সম্পৰ্কত মই জনাব খোজো যে কুলশী নদীৰ দলং খন আজি কিছুদিন ধৰি ভঙা অৱস্থাত আছে আৰু এই খন পুনৰ নিৰ্মান কৰাৰ বাবে বিভাগে প্লেন এণ্ড এষ্টিমেট দিছে। এই দলং খন চলিত বিত্তীয় বছৰৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নে ?

---

* Speech not corrected.

* শ্রীগোলোক ৰাজবংশী ( গড়কাপ্তানি মন্ত্ৰী ) : বানপানীয়ে ভঙা ৫ খন দলংৰ ভিতৰত কুলশী নদীৰ দলংখনো পৰে। এই দলংখন আৰ, চি, চি কৰাৰ বাবে চিন্তা কৰি আছো। কুলশী নদীৰ কোবাল সোঁতে এই দলংখন ভাঙি পেলায়। গতিকে এই দলংখন আৰ, চি, চি কৰাৰ বাবে প্ৰায় ১ কোটি টকাৰ প্ৰয়োজন হ'ব আৰু টকা যেতিয়াই পোৱা হয় তেতিয়াই ব্যৱস্থা লোৱা হব।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কালভোগ-দিয়া নদীৰ ওপৰত যিখন দলংৰ নিৰ্মাণৰ কাম চলি আছে সেইখনৰ কাম সোনকালে সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা লব নে ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি সকলো কামেই সোনকালে কৰাৰ কাৰণে ব্যৱস্থা লৈ আছো।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা পট্‌কৈ জানিব বিচাৰিছো যে কুলশী নদীৰ ওপৰত যিখন দলং নিৰ্মাণ কৰা হব সেইখন চলিত বিত্তীয় বছৰৰ ভিতৰতে সম্পূৰ্ণ কৰা হব নে নহয়। এই দলং খনেৰে দুটা সমষ্টিৰ লোক অহা যোৱা কৰে আৰু দলং খন নোহোৱাৰ বাবে স্কুলীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি সকলো লোকেই নানা অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই কথাটো মন্ত্ৰী মহোদয়ে অবগত কৰিব নে ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানি মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিষয়ত আমি ব্যৱস্থা লৈ আছো।

* শ্ৰীনজমুল হক : অধ্যক্ষ মহোদয়, গুৱাহাটীৰ পৰা গোৱালপাৰালৈ যিটো ৩৬ নং ৰাষ্ট্ৰীয় পথ গৈছে সেইটোত ১২৪০ টা মান স্পীড ব্ৰেকাৰ আছে। এই স্পীড ব্ৰেকাৰবোৰৰ সংক্ৰান্তত মন্ত্ৰী মহোদয়ে কিবা জানেনে আৰু এই সম্পৰ্কত কিবা ব্যৱস্থা লব নে ?

* শ্ৰীগোলোক ৰাজবংশী ( গড়কাপ্তানি মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিষয়ত বেলেগে প্ৰশ্ন দিলে ব্যৱস্থা লব পাৰিম।

Mr. Speaker : Now Starred Question No. 32. Honourable Member Sri Parameswar Brahma.

**Re : Unit target of P.H.E.**

Shri Parameswar Brahma, asked :

* 32. Will the Minister of Public Health Engineering be pleased to State :

---

* Speech not corrected.

(a) What was the Unit target of P.H.E. in 1991-92 ?

(b) How many Units were to be constructed under T.S.P. areas ?

(c) What steps have been taken to repair damaged P.H.E. centres in Kokrajhar District ?

Shri Dinesh Prasad Gowala ( Minister, Public Health Engineering ) replied :

(a) The target fixed for the year 1991-92 are as follows :

(i) To provide drinking water supply to 84 No-source Villages.

(ii) To augment water supply to 750 villages.

(iii) To ommission 400 Piped Water Supply Schemes.

(iv) To construct 4000 Iron Removal Plants.

(b) The target fixed for T.S.P. are as follows :

(i) To provide drinking water supply to 6 No-source Villages.

(ii) To augment water supply to 25 villages.

(iii) To commission 60 Piped Water Supply Schemes.

(iv) Construction of 1000 Iron Removal Plants.

(c) Efforts are made to repair the damaged water supply schemes in Kokrajhar District.

* Shri Parameswar Brahma : Sir, it is essential for the poor people. So, for the repairment of the damaged public health centres the people moved the Engineer concerned. They told the people that there was no scheme for repairment of the damaged centres. Whether it is actually true ? Will the Minister concerned inform the House.

* Shri Dinesh Prasad Gowala ( Minister, P. H. E. ) : Sir, steps have been taken to repair the damaged water supply schemes in Kokrajhar district, and Rs. 120 lakhs have already been earmarked for restoration and repair of the damaged water supply schemes.

---

* Speech not corrected,

* Shri Parameswar Brahma : Sir, if so, up till now why the Department has not taken up the repair works in the Kokrajhar district ?

* Shri Dinesh Prasad Gowala ( Minister ) : It is due to some law and order situation and also shortage of fund the works could not be taken up but steps have been taken to speedily complete the works in the district.

* Shri Parameswar Brahma : Sir, during the years 1987, 88, 89 such things are happening in the Kokrajhar district that after completion of only 10 to 15 percent of works the engineers reported completion of the works and payments are made. Sir, this is a clear case of misappropriation of public fund. They also blame the people that the completed works are damaged by the Bodo Land Movement. I want to know whether the Government will take action after proper enquiry against the corrupted officers and engineers who blamed the innocent people and mislead the Government ?

* Shri Dinesh Prasad Gowala ( Minister ) : If the Honourable member can give us specific cases of 1987, 88 89 we will definitely look into it.

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, এই বিষয়টোৰ সংক্ৰান্তত মাননীয় সদস্য গৰাকীয়ে বিধান সভাৰ মজিয়াত স্পেচিফিক কম্‌প্লেইন কৰিছে। গতিকে বিষয়টো তদন্ত কৰাৰ লাগে বা এখন হাউচ কমিটীৰ জৰিয়তে তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। এনে ঘটনা কেৱল এইটোৱেই নহয়, সমগ্ৰ অসমত সম্পূৰ্ণ নোহোৱা এনে বহুত আঁচনি আছে। গতিকে বিষয়টো অতি সোনকালে মন্ত্ৰী মহোদয়ে তদন্ত কৰি সদনত দাখিল কৰিব নে? অথবা বিধান সভাৰ পৰা হাউচ কমিটী কৰি দি তদন্ত কৰিব নেকি ?

* শ্ৰীদীনেশ প্ৰসাদ গুৱালা ( জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰো যে যদি তেনে কোনো স্পেচিফিক্ কম্‌প্লেইন থাকে তেনেহলে মোক জনালে অনুসন্ধান কৰিম।

* Speech not corrected.

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, যিটো প্ৰজেক্টৰ ওপৰত কম্‌প্লিট ৰিপোৰ্ট দিয়া হৈছে সেইটোৱেই স্পেচিফিক কথা। গতিকে বিষয়টো তদন্ত কৰিব নেকি ?

* শ্ৰীদীনেশ প্ৰসাদ গুৱালা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰা হব।

* Shri Karendra Basumatary : I would like to know from the Minister what steps have been taken by the Government of Assam regarding installation of deep tube-wells particularly in my constituency Borgaon area.

* Shri Dinesh Prasad Gowala ( Minister ) : All the deep tube-wells have been taken up separately this year after the decentralised planning. I think the Honourable member is well aware about the schemes which have been adopted in his own constituency.

Mr. Speaker : Now Question No. 33. Honourable Member Shri Pani Ram Rabha.

## বিষয় : পথ পকীকৰণ।

শ্ৰীপানী ৰাম ৰাভা য়ে সুধিছে।

* ৩৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিত গড়কাপ্তানী বিভাগৰ এটিও পকী পথ নথকাটো সঁচানে ?

(খ) যদি সঁচা উক্ত সমষ্টিৰ চৰকাৰী ৰাস্তা সমূহ পকী কৰাৰ ব্যৱস্থা লবনে ?

(গ) ৩১ নং ৰাষ্ট্ৰীয় পথৰ পৰা নিকাছিলৈ যোৱা পথটোৰ দুৰাৱস্থাৰ বাবে যান-বাহন চলাচল কৰিব নোৱাৰাটো সঁচা নে ?

(ঘ) যদি সঁচা হয়, কেতিয়ালৈ ৰাস্তাটো মেৰামতি কৰাৰ ব্যৱস্থা লব ?

(ঙ) টিহু, আখৰা গড়কাপ্তানী পথটোত ও ৰাস্তাটোৰ দুৰাৱস্থাৰ বাবে যান-বাহন চলাচল কৰিব নোৱাৰাটো সঁচা নে ?

(চ) যদি সঁচা হয়, কেতিয়ালৈ উক্ত ৰাস্তাটো মেৰামতি কৰাৰ ব্যৱস্থা লব ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয়। কাৰণ আংশিক ভাবে পকী ৰাস্তা আছে।

(খ) আংশিক পকীকৰণৰ ব্যৱস্থা লোৱা হব। বৰমা সমষ্টিৰ ৬টা পথৰ প্ৰায় ১৩.৫ কি: মি: পকী। বৰ্তমান ১৯৯১-৯২ চনৰ উক্ত সমষ্টিত ৭.০০ লাখ টকাৰে পকীকৰণৰ বাবে নমাটি, মছলপুৰ আৰু কৈঠালকুছি বৰমা সুৱনখাটা পথত কৰা হব।

---

* Speech not corrected.

(গ) সঁচা নহয়। বৰ্তমান পথৰ ওপৰেৰে যান-বাহন চলি আছে।

(ঘ) এই পথটোৰ ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাত ৩·০০ লাখ টকাৰ পকীকৰণ আৰু ১·০৩ লাখ টকাৰ উন্নতিকৰণৰ আঁচনি আছে।

(ঙ) সঁচা নহয়। যান-বাহন চলি আছে।

(চ) আংশিক উন্নতিকৰণৰ ব্যৱস্থা ১৯৯০-৯১ চনৰ বাৰ্ষিক পৰিকল্পনাৰ আঁচনিত আছিল আৰু তাৰ কাম বৰ্তমানে চলি আছিল।

* শ্ৰীপানী ৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, টিলু আখৰা গড়কাপ্তানি পথটোত ১৯৮৫ চনৰ পৰা এতিয়ালৈ যান-বাহন চলাচল কৰা নাই। তাত স্কুটাৰ আৰু চাইকেল চলি আছে বাছ চলা নাই। অকল চাইকেল চলাতে ৰাস্তা ভালে থকা বুলি কলে মোৰ কবলগীয়া নাই। মানুহে বাছ চলাচল কৰাতোহে বিচাৰে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব বুলি আশা কৰিছো।

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কেতিযাবা কেতিয়াবা ডাঙৰ গাড়ী বন্ধ হব পাৰে কিন্তু সৰু গাড়ী চলি আছে সেই কাৰণ পথ বন্ধ বুলি ডিক্লাৰ কৰা নাই।

* শ্ৰীপানী ৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, সেই ৰাস্তাটোত এতিয়াও বাছ চলিব পৰা নাই গতিকে মন্ত্ৰী মহোদয়ে সঠিক উত্তৰ দিব পৰা নাই। ৩১ নং ৰাষ্ট্ৰীয় পথৰ পৰা নিকাছিলৈ যোৱা পথটোত খৰালি গাড়ী চলিব পাৰে কিন্তু বাৰিষা নোৱাৰে। এইবাৰ শিক্ষামন্ত্ৰী মহোদয় তালৈ গৈছিল তেখেতে নিজেই দেখিছে তালৈ গাড়ী নাযায়। বাস্কা অঞ্চলত ট্ৰাইবেল আৰু নেপালী মানুহ আছে এই মানুহ খিনিক বাছত আহিবলৈ নিদিব নেকি ? এই ৰাস্তাটো ভাল হব লাগে।

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অসমৰ বহুত সমষ্টিৰ ৰাস্তা বেয়া হৈ আছে। মেন্‌টেইনেন্স আৰু ৰিপিয়াৰিঙৰ শিতানত কম টকা দিয়াৰ কাৰণে মেৰামতি কৰিব পৰা নাই। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত টকা বিচৰা হৈছে। ৰোড ননপ্লেনিং শিতানৰ পৰা—

* শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা বিচৰা হৈছে এইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বিভিন্ন শিতানত ২৪ কোটি টকা বিচৰা হৈছে।

---

* Speech not corrected.

*শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা পকীকৰণৰ কাৰণে যিমান টকা ধাৰ্য্য কৰা হয় সেই টকা বিলাক কেনেকৈ বিতৰণ কৰা হয়? সমষ্টি ওৱাইজ বিতৰণ কৰা হয় নেকি, মন্ত্ৰী মহোদয়ে জনাব নে?

*শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সমষ্টি হিচাবে বিলাবৰ টকা নাই। আৱশ্যক অনুসৰি ৰাস্তা মেৰামতিৰ বাবে টকা দিয়া হয়।

*শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা মেৰামতিৰ কাৰণে টকা বিতৰণ কৰা হয়, প্ৰত্যেক সমষ্টিত দিয়া নহয় বুলি মন্ত্ৰী মহোদয়ে কৈছে। এই টকা খিনি ভগোৱাৰ ক্ষেত্ৰত ৰাজনৈতিক দৃষ্টিভঙ্গীৰে কৰা হয় নেকি?

*শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰাজনৈতিক দৃষ্টি ভঙ্গীৰে টকা ভগোৱা নহয়, বেয়া ৰাস্তা ভাল কৰাৰ দৃষ্টিৰে টকা দিয়া হয়।

Mr. Speaker : Now Starred Question No. 34.

## বিষয় : পশুচিকিৎসালয়ৰ উপকেন্দ্ৰৰ গৃহ নিৰ্মাণ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

*৩৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে :

(ক) মাটেইলাৰৰ পশু চিকিৎসালয়ৰ উপ-কেন্দ্ৰটোৰ গৃহ নিৰ্মাণৰ বাবে কোন চনত আৰ্থিক অনুদান আগবঢ়াইছিল?

(খ) উল্লেখিত হস্পিতালৰ কাম আৰম্ভ কৰা হৈছে নে?

(গ) যদি কৰা নাই, কিয় আৰম্ভ কৰা নাই?

শ্ৰীনকুল দাস (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মাটেইলাৰৰ পশুচিকিৎসালয় উপ-কেন্দ্ৰটোৰ বাবে পশুচিকিৎসা বিভাগৰ কোনো আঁচনি লোৱা হোৱা নাই। সেই বাবে আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰশ্ন নুঠে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, উপ-স্বাস্থ্য কেন্দ্ৰৰ বাবে ১৯৮৮-৮৯ চনত ডিচেণ্ট্ৰেলাইজ প্লেনিংৰ পৰা টকা আবণ্টন দিয়া হৈছিল গতিকে মন্ত্ৰী মহোদয়ে কি ভিত্তিত কোনো অৰ্থনৈতিক অনুদান দিয়া নাই বুলি কৈছে বুজা নাই। মন্ত্ৰী মহোদয়ে তদন্ত কৰি এই বিধান সভাত ৰিপোৰ্ট দাখিল কৰিবলৈ অনুৰোধ কৰিছো।

* Speech not corrected.

* শ্ৰীনকুল দাস ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি প্ৰতিবেদন দাখিল কৰা হব।

* শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, পশুচিকিৎসা হস্পিতালত ডাক্তৰ নাথায়। পশুচিকিৎসালয় আৰু হস্পিতালৰ মাজত পাৰ্থক্য কি মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীনকুল দাস ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, হস্পিতালত ডাক্তৰ থাকে, চাব চেণ্টাৰত ভি, এফ, এ, থাকে।

*শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে হস্পিতাল আৰু চিকিৎসালয়ৰ মাজত পাৰ্থক্য কি ? ইয়াৰ মাজত ব্যৱধান আছে নেকি ? আগমণিত হস্পিতাল আছে।

* শ্ৰীনকুল দাস ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, হস্পিতাল আৰু চিকিৎসালয় সমূহৰ মাজত পাৰ্থক্য নাই। আগমণিৰ যি কথা কোৱা হৈছে সেইটো অনুসন্ধান কৰা হব।

* শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, অসুস্থ গৰু চিকিৎসা কৰিবৰ কাৰণে ঘৰ আছে। তাত ঘাঁহনি পগাৰৰ ব্যৱস্থা আছে। কেন্দ্ৰ নাই। সেই কাৰণে কৈছো এই ক্ষেত্ৰত নিশ্চয় পাৰ্থক্য আছে। ব্যৱধান আছে নেকি ?

* শ্ৰীনকুল দাস ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ব্যৱধান নাই। এই বিষয়ে নিশ্চয় তদন্ত কৰিম।

Mr. Speaker : Now Starred Question No. 35. Honourable Member Sri Bharat Chandra Narah.

## বিষয় : দলং নিৰ্ম্মাণৰ নিবিদা।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

* ৩৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঘিলামৰা গড়কাপ্তানী সংমণ্ডলৰ অধীনৰ বাথৌমাৰী চিচিমুখ গড়কাপ্তানী পথৰ ( বাপাৰাম পথ ) লাইপুলিয়াত এখন দলং নিৰ্মাণ কৰিবলৈ নিবিদা বন্দোবস্তি দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা উক্ত দলঙৰ নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতি কিমান আৰু উক্ত দলঙৰ নিৰ্মান কাৰ্য্য কেতিয়া শেষ হব ?

* Speech not corrected.

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) ১৩ শাৰী খুঁটাৰ ভিতৰত ৭ শাৰী খুঁটা পোতা কাম শেষ হৈছে। নিৰ্মান সামগ্ৰী গোটোৱা হৈছে আৰু নিৰ্মান কাৰ্য্য অহা ৩০ এপ্ৰিলৰ ভিতৰত শেষ হব বুলি ধাৰ্য্য কৰা হৈছে।

* শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, উক্ত দলংখনৰ কাম কেইজন ঠিকাদাৰক দিয়া হৈছিল নাম কেইটা কি কি জনালে ভাল হয়। এই কামৰ কাৰণে কিমান টকা দিয়া হৈছিল ? যোৱা বজৰঙ্গৰ সময়ত তাত এজন জোৱান পানীত ডুবি মৃত্যু বৰণ কৰিছিল। দলংখনৰ মাটিখিনি কোনোবা ব্যক্তিগত মানুহৰ মাটি নেকি ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, গোটেই দলংখনৰ খৰচ ধৰা হৈছে ১৩.২২ লাখ টকা। এই গোটেই টকাৰ ভিতৰত ৮.২২ লাখ টকা আনটাইড ফান্দৰ পৰা দিয়া হৈছে। ১৯৯২ চনৰ পৰিকল্পনা শিতানৰ পৰা আগতে যি জুন ঠিকাদাৰক দিছিল, তেওঁৰ কাম লেহেম হোৱাৰ কাৰণে পিচত আকৌ নতুন এজন ঠিকাদাৰক দিয়া হয়। তেওঁৰ নাম মই গোটাই দিম।

* শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, এই দলঙৰ কাৰণে ১৩ লাখ টকা ১৯৮৮ চনতে দিয়া হৈছিল। সেই সময়ৰ পৰা কাঠৰ দলংখন নিৰ্মাণ কৰোতে ইমান সময়ৰ প্ৰয়োজন হৈছে। কিয় প্ৰয়োজন হৈছে ? পইচা নাই নাই বুলি কয়। তিনি বছৰ কিয় লাগিছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। দলংখন নিৰ্মাণ কৰাৰ আগতে ঠিকাদাৰ জনে এডভান্স পইচা লৈছে, কিন্তু তাত কাম নকৰি বেলেগ ঠাইত কাম কৰিছে। ইয়াৰ লগত তেজপুৰৰ এডিশ্বনেল ছিফ ইঞ্জিনিয়াৰ জড়িত হৈ আছে। মন্ত্ৰী মহোদয়ে যি কৈছে তাত আমাৰ সন্দেহ নাই। কিন্তু এই বিষয়টো অসম সচিবালয়ৰ বা মূৰব্বী বিভাগৰ পৰা বিষয়া পঠাই অনুসন্ধান কৰিব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই দলংখন সম্পৰ্কে মই দায়িত্ব লোৱাৰ আগতেই খেলিমেলি হৈ আছে বুলি গম পাওঁ। এতিয়া বিষয়া পঠাই ব্যৱস্থা লোৱা হৈছে, কাম হব বুলি আশা কৰিব পাৰো।

* শ্ৰীদিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, এই দলং নিৰ্মানৰ বাবে ৮ লাখ টকা আনটাইড ফান্দৰ পৰা দিয়া হৈছিল। যোৱা ২২ এপ্ৰিলত মই নিজে ভিজিট কৰিছিলো, তাত মনকিটো পানী পৰিছে। তিনিবাৰ এডভান্স পেমেণ্ট লোৱা

* Speech not corrected.

হৈছে। দলঙৰ যি খুঁটা পুতিলে সেই খুঁটা বিলাক ভলুকা বাঁহৰ নিচিনা সৰু সৰু। ১২/১৩ হাত তলত সৰু সৰু খুঁটা পুতিলে। দলংখন দিয়া হৈছে ব্যক্তিগত মালিকৰ মাটিত, এই মাটি কিনি লোৱা হৈছে নে নাই মন্ত্ৰী মহোদয়ে তৎকালীন ভাবে খবৰ লৈ জনাব নে?

*শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নিশ্চয় তদন্ত কৰি ব্যৱস্থা লোৱা হব।

Mr. Speaker : Question No. 36 is not available. It will be taken up on 1-4-94. Now Question No 37.

### বিষয় : চৰ উন্নয়ন নিগম।

শ্ৰীনজমুল হকে সুধিছে :

*৩৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰবাসী ৰাইজৰ চিকিৎসাৰ বাবে ইঞ্জিন চালিত নাৱেৰে ভ্ৰাম্যমান চিকিৎসালয় ব্যৱস্থা কৰা হবনে?

(খ) চৰ অঞ্চলৰ বেচৰকাৰী বিদ্যালয় সমূহ চৰকাৰী কৰণৰ বাবে আছুতীয়া অনুদান আগবঢ়োৱা হবনে?

(গ) গোৱালপাৰা জিলাৰ চৰ উন্নয়ন কাৰ্য্যালয় আৰু গুৱাহাটীৰ চৰ উন্নয়নৰ প্ৰধান কাৰ্যালয়ৰ পৰা শাইলধৰা চৰৰ হানিক উদ্দিনৰ নামত ১৯৮৫ চনৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে মুঠ কিমান লাখ টকাৰ বস্তু ৰাইজৰ সেৱাৰ বাবে যোগান ধৰা হৈছে?

(ঘ) হানিক উদ্দিন নামৰ মানুহ জনক চৰ উন্নয়ন কাৰ্যালয়ৰ লগত থকা লেনদেন আৰু যোগাযোগ বাতিল কৰি দিয়া ব্যৱস্থা কৰা হবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : য়ে উত্তৰ দিছে :

(ক) প্ৰয়োজনীয় ব্যৱস্থা লোৱা হব।

(খ) চৰ উন্নয়ন কৰ্তৃপক্ষৰ তৰফৰ পৰা আছুতীয়া অনুদান দিয়াৰ বাবে বৰ্তমান ব্যৱস্থা নাই।

(গ) চৰ উন্নয়ন কৰ্তৃপক্ষৰ প্ৰধান কাৰ্যালয় দিছপুৰ, অথবা পঞ্চৰত্ন (গোৱালপাৰা) চৰ উন্নয়ন সেৱা কেন্দ্ৰৰ পৰা হানিক উদ্দিনৰ নামত উক্ত কাল-চোৱাত কোনো বস্তু যোগান ধৰা হোৱা নাই।

---

* Speech not corrected.

(ঘ) প্ৰশ্ন নুঠে।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে হানিক উদ্দিন নামৰ মানুহজনৰ লগত চৰ উন্নয়ন কৰ্তৃপক্ষৰ লগত কোনো যোগাযোগ নাই। চৰ উন্নয়ন কৰ্তৃপক্ষৰ কাৰ্য্যালয় দিশপুৰত থাকে। কিন্তু এই মানুহ জন গোৱালপাৰাত ৩ দিন থাকি চৰ উন্নয়নৰ কাম কৰে। আচলতে হানিক উদ্দিন নামৰ মানুহজন ইয়াৰ লগত জড়িত আছে নে নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, তথ্য মতে তেওঁৰ লগত সম্পৰ্ক নাই বুলি কৈছে। যদি মাননীয় সদস্য গৰাকীয়ে বিচাৰে মই এই বিষয়ে অনুসন্ধান কৰিব পাৰিম।

Mr. Speaker : Now Starred Question No. 38.

## বিষয় : গড়কাপ্তানী ৰাস্তা।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

* ৩৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ অন্তৰ্গত গড়কাপ্তানী পূব খণ্ডৰ বৈঠালাংচুৰ পৰা কামপুৰলৈ আৰু কামপুৰৰ পৰা ৰহালৈ থকা পথটোৰ অৱস্থা অতি শোচনীয় হোৱা বাবে গাড়ী চলাচল বন্ধ হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত পথছোৱা উন্নয়নৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লৈছে, কি ব্যৱস্থা লৈছে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) পথটো বেয়া বুলি চৰকাৰে জানে, কিন্তু গাড়ী চলাচল বন্ধ হোৱা কথাটো চৰকাৰৰ জ্ঞাত নহয়।

(খ) হয়, উত্তৰ-পূৱপৰিষদৰ লগত এই পথটোৰ উন্নয়নৰ কাৰণে যোগাযোগ কৰি থকা হৈছে।

(গ) ইতিমধ্যে চাৰিখন পকী দলঙৰ নিৰ্মাণৰ কাম উত্তৰ-পূৱ পৰিষদে আগবঢ়োৱা পুঁজিৰে চলি আছে, আৰু ৰাস্তাৰ ওপৰিভাগৰ উন্নয়ন আৰু পকীকৰণৰ কাৰণে ৮ম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ খচৰা তালিকাত অন্তৰ্ভুক্ত কৰিববৈলে পৰিষদৰ ওচৰত প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

* Speech not corrected.

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে উত্তৰ পূব্ৰ পৰিষদে কাম কৰি আছে। মই জনাত এই কাম ৫ বছৰেও সম্পূৰ্ণ নহব। উত্তৰ-পূব্ৰ পৰিষদে বৰ্তমান মেৰামতিৰ কাম নকৰে যেতিয়া আমাৰ গড়কাপ্তানী বিভাগে মেৰামতিৰ কাম নকৰিব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ-পূব্ৰ-পৰিষদক এই ৰাস্তাটো লবলৈ প্ৰস্তাৱ দিছো।

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, এই পথটো ১০ বছৰেও সম্পূৰ্ণ নহব। এই পথছোৱাৰ ৰাইজে সুবিধা নেপাব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যাতায়ত বন্ধ হোৱা নাই। কালিলৈকে গাড়ী চলি আছে।

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হল এই ৰাস্তাটো বৰষুণ আহিলেই বন্ধ হৈ যায় দ্বিতীয় কথা হল এই ৰাস্তাটো উত্তৰ পূব পৰিষদে মেৰামতি কৰা নাই আৰু দলং বিলাকৰ অৱস্থা বেয়া হৈ আছে। আমাৰ অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে ইয়াৰ ব্যৱস্থা লব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে মেৰামতিৰ ব্যৱস্থা কৰা হব।

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, যদি এই ৰাস্তা বন্ধ হোৱা নাই তেন্তে মই এটা পৰিপূৰক প্ৰশ্ন সুধিব খুজিছো এই ৰাস্তাটো কামপুৰৰ পৰা বৈঠালাংচু হৈ হামৰেঙলৈ গৈছে। ইয়াৰ কাম উত্তৰ-পূব্ৰ পৰিষদৰ কোন চাব-ডিভিজনৰ তলত হৈছে।

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, গোটেই খবৰটো মই নেজানো। কিমানটা চাব-ডিভিজন আছে, সেই বিষয়ে খবৰ লব লাগিব।

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ-পূব্ৰ-পৰিষদ কেতিয়া গঠন হৈছিল আৰু ইয়াৰ চাব-ডিভিজন বিলাকে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিছিল। মন্ত্ৰী মহোদয়ে সদনক জনাব নেকি ?

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে, বেলেগ নোটিশ লাগিব তথ্য সংগ্ৰহ কৰিবলৈ।

Mr. Speaker : Now Question No. 39. Honourable Questioner is absent. So Starred Question No. 40.

---

* Speech not corrected.

## বিষয় : গড়কাপ্তানী ৰাষ্টাৰ দলং।

শ্রীলিয়াকত আলী খানে সুধিছে :

*৪০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বৰপেটা—দৌলাশাল—হাজো—গুৱাহাটী গড়কাপ্তানী ৰাস্তাৰ দলংবোৰৰ পূর্ণ নির্মাণ অথবা মেৰামতিৰ কাম কিমান দিনৰ ভিতৰত সম্পূর্ণ কৰা হ'ব ?

(খ) বৃটিছৰ দিনত নির্মিত বৰপেটা —তাৰাবাৰী — গড়কাপ্তানী ৰাস্তাটো আজিলৈকে পকী নকৰাৰ কাৰণ কি ?

(গ) জনবহুল অঞ্চল আৰু বৃহত্তৰ তাৰাবাৰী বজাৰৰ ব্যৱসায়িক জনসাধাৰণক লক্ষ্য কৰি উক্ত ৰাস্তাটো পকী কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্রীগোলোক ৰাজবংশী ( গড়কাপ্তানী বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) বৰপেটা—দৌলাশাল—হাজো—গুৱাহাটী গড়কাপ্তানী ৰাস্তাৰ সর্বমুঠ ১৬ খন কাঠৰ দলঙৰ ভিতৰত ৭ খন দলঙৰ পকীকৰণৰ নির্মাণ কার্য্য চলি আছে আৰু এই কাম ১৯৯৩ চনৰ ভিতৰত শেষ হব বুলি আশা কৰা হৈছে। বাকী থকা ৯ খন কাঠৰ দলঙৰ ভিতৰত ৭ খন দলঙৰ পকীকৰণৰ প্রস্তাৱ লোৱা হৈছে। আৰু দুখন কাঠৰ দলঙৰ মেৰামতিৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে আৰু পুঁজিৰ প্রাপ্ততা হিচাবে কাম কৰি থকা হৈছে।

(খ) পর্য্যাপ্ত পৰিমাণৰ পুঁজৰ অনুদান নোপোৱা হেতুকে গোটেই ৰাস্তাটোৰ পকীকৰণৰ কাম হাতত লব পৰা হোৱা নাই।

(গ) পুঁজিৰ অনুদান পালে ৰাস্তাৰ পকীকৰণৰ কাম হাতত লব পৰা যায়।

* শ্রীলিয়াকত আলী খান : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো বৰপেটা-তাৰাবাৰী ৰাস্তা গৈছে টকা-পইচাৰ কাৰণে পকীকৰণ হোৱা নাই বুলি কৈছে। মই প্রশ্ন কৰিব বিচাৰিছো যে যি খন ছোলা বন্ধা জাহাজঘাট আছিল তাত বজাৰ বহিছে। তাৰ পৰা ৪০ ৫০ হেজাৰ টকা পায়। বৰপেটা তাৰাবাৰী ৰাস্তাটোৰ দুয়োফালে সংখ্যালঘু মানুহে বাস কৰে কাৰণে আজিলৈকে পকীকৰণ হোৱা নাই নেকি মন্ত্রী মহোদয়ে জনাবনে ?

শ্রীগোলোক ৰাজবংশী ( মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা, হাজো, দৌলাশাল গুৱাহাটী ৰাস্তা বুলি প্রশ্ন লাগিব।

শ্রীলিয়াকত আলী খান : মাননীয় অধ্যক্ষ মহোদয়, মই খ প্রশ্নটোৰ উত্তৰহে বিচাৰিছো।

Mr. Speaker : Question Hour is over. Now Zero Hour.

* Speech not corrected.

**Re : Farmer's Training Centre.**

Smti. Pramila Brahma asked :

42. Will the Minister of Veterinary be pleased to state :

(a) Whether the farmer's training centre at Kokrajhar is functioning ?

(b) Whether the necessary staff of this farmer's training centre have been appointed ?

(c) If not, why ?

Shri Nakul Das ( Minister ) replied :

(a) "Not yet".

(b) "No".

(c) Due to non creation of posts for financial stringency.

বিষয় ঃ দৈপাম নদীৰ ওপৰত দলং।

শ্ৰীজামাল সিং ব্ৰহ্মাই সুধিছে ঃ

৪৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কি কাৰণত ওদালগুৰি সমষ্টিৰ অন্তৰ্গত দৈপাম নদীৰ ওপৰত দলং নিৰ্মাণ এতিয়ালৈকে কৰা নাই ?

(খ) এই দলং নিৰ্মাণৰ কাম কেতিয়ালৈকে হাতত লোৱা হ'ব ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) পুঁজিৰ অভাৱত এতিয়ালৈকে উক্ত দলং খন মেৰামতি কৰিব পৰা হোৱা নাই।

(খ) অনতি পলমে এই দলঙৰ কাম আৰম্ভ কৰাৰ আশা আছে।

বিষয় ঃ কোষাগাৰ নিৰ্মাণ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা কোষাগাৰ কাৰ্য্যালয়ৰ গৃহ প্ৰয়োজন অনুসৰি নিৰ্মাণ কৰাৰ বাবে চৰকাৰৰ হাতত কোনো আঁচনি আছেনে ?

(খ) যদি নাই, অতি সোনকালে উক্ত কাৰ্য্যালয়ৰ গৃহ নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ হাতত বৰ্তমান তেনে কোনো আঁচনি নাই।

(খ) সংশ্লিষ্ট উপায়ুক্তৰ পৰা তেনে প্ৰস্তাৱ পালে বিবেচনা কৰা হ'ব।

## Re : Deep Tube Well.

Shri Karendra Basumatary asked :

45. Will the Minister of Public Health Engineering be pleased to state ;

(a) Whether Deep Tube Well for pure drinking water scheme will be taken up by the Government in Tankibasti, Buelapara, Nonoi-khuti, Sagunbari and Sonajuli Area of Paneri Constituency Darrang during 1992-93 ?

Shri Dinesh Prasad Gowala ( Minister, Public Health Engineering ) replied :

(a) Nonoi-khuti and Sonajuli Villages are covered by Gariajhar and Kalikhola Water Supply Scheme. The work of piped water supply scheme for Sogunbari Village is in progress. Regarding Tankibasti and Buelapara Area the matter is under examination.

## Re : Bridge over Longai river.

Shri Mission Ranjan Das asked :

46. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government will construct the proposed Panragar Sapnargool bridge over river Longai in Karimganj Division ?

(b) If so, when and if not, why ?

Shri Golok Rajbanshi ( Minister ) replied :

(a) No proposal has been finalised yet.

(b) Due to paucity of fund.

**Re : Repairing of Bridges.**

Shri Parameswar Brahma asked :

47. Will the Minister P.W.D. be pleased to state :

(a) What step has been taken to repair the wooden bridge over the Harbhanga River of Tulsibari to Bhanka-Satyapara P.W.D. road under Gossaigaon Sub-Division ?

Sri Golok Rajbanshi ( Minister ) replied :

(a) Necessary plan estimate have been prepared for repairing the bridge. Due to paucity of fund, the work could not be taken up so long. Work will be taken up when fund is available.

**Re : Number of Public Enterprises in T.S.P. Areas etc.**

Shri Parameswar Brahma asked :

48. Will the Chief Minister be pleased to state :

(a) How many Public Enterprises are there in T.S,P. areas ?

(b) What steps would be taken to set up Public Enterprises units in T.S.P. areas ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

(a) Two manufacturing S.L.P.Es viz. (i) Assam Spun Silk Mills Ltd. and (ii) Assam Polytex Ltd. are at Jagiroad under Nagaon district established in T.S.P. area.

(b) Public Enterprises are set up according to felt requirements by various Administrative Departments. When a new S.L.P.E is proposed, the Public Enterprises Department, processes the proposal for Screening Committee/Public Investment Board after which the Administrative Department obtains Cabinet approval. At the moment there is no proposal to set up any new S.L.P.E.

## বিষয় ঃ ৰাজ্যখনৰ পথসমূহৰ মুঠ দৈৰ্ঘ্য।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্তমান P.W.D. বিভাগৰ অধীনত থকা ৰাজ্যখনৰ পথ সমূহৰ মুঠ দৈৰ্ঘ্য কিমান ?

(খ) ইয়াৰে কিমান কিলোমিটাৰ (১) ব্লেকটপিং (পকী)
(২) শিলগুটি দিয়া
(৩) শিলগুটি নিদিয়া

(গ) চলিত বছৰত কিমান কিলোমিটাৰ পথ P.W.D. ৰ অন্তৰ্ভূক্ত হ'ল আৰু ১৯৯২-৯৩ চনত কিমান কিলোমিটাৰ P.W.D. ৰ অন্তৰ্ভূক্ত কৰাৰ সম্ভাৱনা আছে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ২৯,৪২৯·১১ কিঃ মিঃ

(খ) (১) ৬৯৫৫·৭২ কিঃ মিঃ

(২) ২১৩১৯·০৬ কিঃ মিঃ

(৩) ১১৫৪·৩৩ কিঃ মিঃ

(গ) ১৯৯১-৯২ চনত ৬০০ কিলোমিটাৰ পথ P.W..D. ৰ অন্তৰ্ভূক্ত হ'ল। আৰু ১৯৯২-৯৩ চনত ৫৯১ কিলোমিটাৰ P.W.D. ৰ অন্তৰ্ভূক্ত কৰাৰ সম্ভাৱনা আছে।

## বিষয় ঃ পশুচিকিৎসালয় স্থাপন।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

৫০। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰমা সমষ্টিৰ দেবচৰাত পশু চিকিৎসালয় স্থাপন কৰাটো সঁচানে ?

(খ) যদি সচা হয়, ডাক্তৰ আৰু ঔষধ-পাতি যোগানৰ ব্যৱস্থা লবনে ?

(গ) বৰমা সমষ্টিৰ ঠালকুছি, দক্ষিণ ভোজকুছি আৰু নাথকুছি পশুচিকিৎসালয় স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে নে ?

(ঘ) যদি নাই, লোৱাৰ ব্যৱস্থা লবনে ?

শ্ৰীনকুল দাস (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা।

(খ) প্ৰয়োজনীয় পদ সমূহ সৃষ্টি হোৱাৰ পিছত এই ব্যৱস্থা লোৱা হব।

(গ) দক্ষিণ ভোজকুছিত বিস্তৃত গো-উন্নয়ণ আঁচনি স্থাপনৰ বাবে চলিত

বিত্তীয় বছৰত ব্যৱস্থা আছে। বৰমা সমষ্টিৰ ঠালকুছি আৰু নাথকুছি পশু-চিকিৎসালয় স্থাপনৰ কোনো প্ৰস্তাৱ নাই।

(ঘ) ঠালকুছি আৰু নাথকুছিৰ বাবে চলিত বিত্তীয় বছৰত ব্যৱস্থা লব পৰা নাযাব।

## বিষয় ঃ কালাই গাওঁ সমষ্টিৰ পৰিত্যক্ত ৰাস্তা।

শ্ৰীজীউ ৰাম বড়োয়ে সুধিছে ঃ

৫১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কালাইগাওঁ সমষ্টিৰ ৰাজা পুখুৰী এপ্ৰোচ গড়কাপ্তানী পথৰ পৰা ৰানীপুখুৰী, তৈৰাগুৰি হৈ কাবনগাওঁ, ওডালগুৰিলৈ আৰু মঙ্গলদৈ সমষ্টিৰ ৰামহৰি ভালুকমাৰী আৰু ভকতপাৰ কেহোতলী গড়কাপ্তানী পথ কেইটা কিয় পৰিত্যক্ত কৰি ৰখা হৈছে।

(খ) উক্ত পথ কেইটা শীঘ্ৰে কিয় উন্নয়ন আৰু সম্প্ৰসাৰণ কৰা নহব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

কালাইগাওঁ সমষ্টিৰ ৰানীপুখুৰীলৈ থকা ৰাজাপুখুৰীলৈ এপ্ৰোচ গড়কাপ্তানী পথটো পৰিত্যক্ত হৈ থকা নাই। ৰানীপুখুৰীৰ পৰা ওডালগুৰি সংলগ্ন কৰিব পৰা ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱা ১৯৯১-৯২ চনৰ পৰা MNP শিতানত পৰ্য্যায় ক্ৰমে নিৰ্মাণ কৰিবলৈ হাতত লোৱা হৈছে।

মঙ্গলদৈ সমষ্টিৰ ৰামহৰি ভালুকমাৰি পথটোও পৰিত্যক্ত হৈ থকা নাই। বছৰেকীয়া মেৰামতি শিতানত অতি কম ধন পোৱা বাবে আৱশ্যকীয় শিলগুটিৰ যোগান ধৰিব পৰা নাই।

ভকতপাৰা কেহোতলি পথটোৰ এখন দলং বড়ো আন্দোলনৰ সময়ত বিধ্বস্ত হোৱা বাবে আৰু এটা কালভাৰ্ট বানপানীত বিধস্ত হোৱা বাবে পথটো বন্ধ কৰি ৰখা হৈছে। মেৰামতিৰ শিতানত ধনৰ অভাবৰ বাবেই পথটো যান-বাহনৰ বাবে মুকলি কৰিব পৰা হোৱা নাই।

(খ) বছৰেকীয়া মেৰামতিৰ শিতানত লাগতিয়াল ধনৰ ব্যৱস্থা হলেই শীঘ্ৰে মেৰামতিৰ কাম হাতত লব পৰা হব।

## Re : Staff of I.C.D. Project.

Smti. Pramila Brahma asked :

52. Will the Minister of Veterinary be pleased to State :

(a) What is the Staffing pattern of the I.C.D. Project undertaken by the Government at Kokrajhar District ?

(b) How many staff are there at present in the said Project ?

Shri Nakul Das ( Minister ) replied :

(a) The Staffing pattern of the I.C.D.P. at Kokrajhar District is as follows :

(i) Gazetted Officers = 14 Nos.

( 1 General + 13 Technical ).

(ii) Non-Gazetted Grade-III = 52 Nos.

( 48 Nos. Tech. + 4 Nos. non-Technical ),

(iii) and rest 35 Nos Grade-IV Staff.

( all non technical ).

Total-102.

(b) Total Staff working at present is 97 Nos.

বিষয় ঃ নলী নাদ মেৰামাত

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৫৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) বৰপেটা জিলাত বৰ্তমানলৈ কিমানটা নলী নাদ মেৰামতি কৰিব লগীয়া আছে ?

(খ) উক্ত নলী নাদ সমূহ মেৰামতি কৰিবৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১২৬৪ টা

(খ) এই বিলাক শীঘ্ৰে মেৰামতিৰ বাবে নিৰ্দেশ দিয়া হৈছে ।

বিষয় ঃ কালাইগাওঁ সমষ্টিত পশুপালন আৰু পশুচিকিৎসালয়ৰ উপকেন্দ্ৰ ।

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

৫৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কালাইগাওঁ সমষ্টিৰ অন্তৰ্গত কিমানখন পশুপালন আৰু পশুচিকিৎসালয় আৰু উপকেন্দ্ৰ আছে ?

(খ) সেইবোৰৰ নাম কি কি আৰু কি অৱস্থাত আছে ?

শ্ৰীনকুল দাস ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৩ খন পশুচিকিৎসালয় আছে আৰু এটা কৃত্ৰিম প্ৰজনন কেন্দ্ৰ আছে আৰু ৬ খন পশুচিকিৎসা উপকেন্দ্ৰ আছে।

(খ) ১। খৈৰাবাৰী খণ্ড পশুচিকিৎসালয়,

২। কালাইগাওঁ ৰাজ্যিক পশুচিকিৎসালয়,

৩। ভেৰগাওঁ গ্ৰাম্য সঞ্চাৰ পশুচিকিৎসালয় কেন্দ্ৰ।

৪। কুঁহিয়াৰকুছি কৃত্ৰিম প্ৰজনন কেন্দ্ৰ।

৫। দলৈপাৰা উপ পশু স্বাস্থ্য কেন্দ্ৰ।

৬ দুৰ্গাগাওঁ — ঐ —

৭। পূঠিমাৰী — ঐ —

৮। নামখলা — ঐ —

৯। হীৰাপাৰা—ঐ —

১০। লক্ষীমপুৰ কৃত্ৰিম প্ৰজনন উপকেন্দ্ৰ॥

কালাইগাওঁ ৰাজ্যিক পশুচিকিৎসালয়, খৈৰাবাৰী খণ্ড পশুচিকিৎসালয়, ভেৰগাওঁ গ্ৰাম্য সঞ্চাৰ পশুচিকিৎসা কেন্দ্ৰ বৰ্তমান কাৰ্যাক্ষম অৱস্থাত চলি আছে॥

কুঁহিয়াৰকুছি কৃত্ৰিম প্ৰজনন কেন্দ্ৰ ( পশুচিকিৎসালয় ) আৰু আবাস গৃহটো গত আন্দোলনৰ সময়ত দুষ্কৃতিকাৰীয়ে সম্পূৰ্ণৰূপে নষ্ট কৰে।

দুৰ্গা গাওঁ, পুঠিমাৰী, নামখলা উপস্বাস্থ্য কেন্দ্ৰ বৰ্তমান কাৰ্য্যক্ষম অৱস্থাত আছে।

হীৰাপাৰা উপস্বাস্থ্য কেন্দ্ৰটো আংশিকহে কাৰ্য্যক্ষম অৱস্থাত আছে আৰু দলৈপাৰা সম্পূৰ্ণৰূপে সচল ভাৱে আছে।

## বিষয় ঃ বাংলাদেশৰ সৈতে থকা সীমান্তৰ দৈৰ্ঘ্য।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত য়ে সুধিছে ঃ

৫৫। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আমাৰ দেশৰ ( ভাৰতবৰ্ষ ) অসম ৰাজ্যৰ বিদেশী ৰাষ্ট্ৰ বাংলাদেশৰ সৈতে থকা সীমান্ত অঞ্চলৰ বৰ্তমান দৈৰ্ঘ্য কিমান ? ( নদীয়ে সামৰা দৈৰ্ঘ্য কিমান আৰু মাটিয়ে সামৰা দৈৰ্ঘ্য সুকীয়া সুকীয়াকৈ কিলোমিটাৰ হিচাপত দেখুৱাব )।

(খ) অসম চুক্তি অনুসৰি উক্ত দৈৰ্ঘ্যৰ কিমান কিলোমিটাৰত পথ আৰু কঁটা তাঁৰৰ বেৰ নিৰ্মাণ কৰা হ'ল ?

(গ) বেৰ যদি নিৰ্মাণ কৰা হোৱা নাই তেন্তে কিয় কৰা হোৱা নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া ( অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী ) মাননীয় মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) অসম বাংলাদেশ সীমান্ত অঞ্চলৰ মুঠ দৈৰ্ঘ্য ২৫৩.২৮৭ কিলোমিটাৰ।

(১) মাটিয়ে সামৰা = ১৬১.২৮৭ কি: মিঃ

(২) নদীয়ে সামৰা = ৯২.০০০ কি: মি:

মুঠ = ২৫৩.২৮৭ কি: মি:

(খ) মাটিয়ে সামৰা ১৬১.২৮৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভিতৰত এতিয়ালৈকে ( ফেব্ৰুৱাৰী৯২ ) সম্পূৰ্ণকৈ নিৰ্মাণ হোৱা দৈৰ্ঘ্য হৈছে :

(১) পথৰ দৈৰ্ঘ্য = ৮৫.৬৯১ কি: মিঃ

(২) কঁটা তাঁৰৰ বেৰৰ দৈৰ্ঘ্য = ৩৭.০৭ কি: মিঃ

(গ) বেৰৰ নিৰ্মাণ কাম চলি আছে।

## বিষয় : চাপানালাৰ জলপ্ৰপাত।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত য়ে সুধিছে :

৫৬। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ চাপানালাত এটা জলপ্ৰপাত থকাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে ভ্ৰমনকাৰীক উক্ত জলপ্ৰপাত চাবৰ বাবে আকৰ্ষিত কৰিবৰ বাবে পৰ্য্যটন নিবাস স্থাপন আৰু উন্নয়ণৰ বাবে কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছেনে ?

(গ) যদি লোৱা নাই অতি শীঘ্ৰে তেনে ব্যৱস্থা হাতত লবনে ?

চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) জানে।

(খ) এতিয়ালৈকে লব পৰা নাই।

(গ) পৰ্য্যটকৰ আকৰ্ষনীয় দিশ জৰীপ কৰাৰ পিচতহে প্ৰয়োজনীয় ব্যৱস্থা লোৱাটো নিৰ্ভৰ কৰিব।

## বিষয় : ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্ম্মাণ।

শ্ৰীচন্দন কুমাৰ সৰকাৰ য়ে সুধিছে :

৫৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙ্গাইগাওঁ জিলাৰ উত্তৰ শালমৰাৰ পৰা ভায়া লেংটিছিঙা বৰপেটা হাজো হৈ গুৱাহাটীলৈ নতুন ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণ কৰাৰ বাবে চৰকাৰৰ হাতত কিবা প্ৰস্তাৱ আছে নেকি ?

(খ) যদি আছে কেতিয়া উক্ত ৰাস্তাৰ কাম আৰম্ভ হব ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰস্তাৱ নাই।

(খ) প্ৰশ্ন নুঠে।

**Re : Flats under Assam State Housing Board.**

Shri Phani Bhusan Choudhury asked :

58. Will the Minister of Town and Country Planning be pleased to State :

(a) Number of Flats under Housing Board ?

( all categories ).

(b) Names of the occupants at present ?

( List may be furnished on the table of the House )

(c) Whether it is a fact that there are unauthorised occupants ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

(a) The Assam State Housing Board has reported that under the Rental Housing Scheme it has a total of 634 houses/flats including 166 MIG, 224 LIG and 244 EWS houses flats. In addition under Slum Clearance Scheme there are 302 tenements and under Subsidised Industrial Housing Scheme 294 tenements.

(b) A list containing names of occupants of houses/ flats under the Rental Housing Scheme is laid on the Table of the House.

( See the annexure-II )

(c) The Board has reported that there are some cases of unauthorised occupation of houses flats belonging to the

Board at Guwahati. The Board has initiated action for vacation of the houses flats by unauthorised occupants.

**Re : Tourist Bunglow in Sibsagar.**

Shri Promode Gogoi asked :

59. Will the Minister of Tourism be pleased to State ?

(a) Whether the Government is aware of the fact that large number of Tourist visit Rongghar and Karengghar in the Sibsagar District.

(b) Whether there is any proposal to construct small Tourist Bunglows in those places to attract visitors ?

Syeda Anowara Taimur ( Minister ) replied :

(a) Yes

(b) Till now there is no such proposal.

**Re : Scheme taken by the Social Forestry in the Sibsagar District.**

Shri Promode Gogoi asked :

60. Will the Chief Minister be pleased to State :

(a) Whether the Forest Department ( Social Forestry ) have taken up any Scheme in Napukhuri and Puranipukhuri in the Sibsagar District.

(b) If so, what were the Schemes and its progress till date.

Shri Hiteswar Saikia ( Chief Minister ) replied :

(a) Forest Department has taken up a Scheme only in Napukhuri in Sibsagar District for creation of a recreation Park.

(b) The Scheme is for development of a recreation Park. The first phase of the Scheme has been sanctioned by the Government and the workers a being taken up.

**Re : Construction of Sibsagar Civil Hospital.**

Shri Promode Gogoi asked :

61. Will the Minister of P.W.D. be pleased to State :

(a) Whether it is a fact that the Government had sanctioned more than two crores for the Construction of Sibsagar Civil Hospital in Jaysagar in Sibsagar District ?

(b) If so, what is the progress in Construction ?

(c) Whether any revised estimate has been submitted to the Government by the P.W.D. Department ?

Shri Golok Rajbanshi ( Minister ) replied :

(a) Yes.

(b) Overall progress achieved is 73%.

(c) Yes.

বিষয় ঃ বানপানীত মৃত্যু হোৱা গৰু ছাগলী ইত্যাদিৰ সংখ্যা।

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

৬২। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ অক্টোবৰ মাহৰ প্ৰবল বানপানীত পলাশবাৰী সমষ্টিত সৰ্বমুঠ কিমানটা গৰু-ছাগলী, ম'হ আৰু মানুহৰ মৃত্যু হৈছিল ?

(খ) মৃত্যু হোৱা গৰু-ছাগলী, ম'হ মানুহৰ চিনাক্তকৰণ কৰি এককালীন আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিছে নে ?

(গ) বৰ্তমানো যদি এক কালীন সাহাৰ্য্য পোৱা নাই সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীনকুল দাস ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ অক্টোবৰ মাহৰ বানপানীত মুঠ ১৩ টা গৰু, ছাগলীৰ মৃত্যু হয়। ইয়াৰ ভিতৰত—

হালোৱা গৰু — ৫টা

গাই গৰু — ৭ জনী

ছাগলী — ১ টা ৰ মৃত্যু হয়।

মানুহৰ মৃত্যু সম্বন্ধে এই বিভাগ জ্ঞাত নহয়।

(খ) নাই কৰা।

(গ) প্ৰয়োজন বুজি ৰাজহ বিভাগৰ পৰা এই ধৰণৰ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে।

## বিষয় ঃ খোৱাপানী।

শ্ৰীপানী ৰাম ৰাভা য়ে সুধিছে ঃ

৬৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিৰ ভুটান সীমান্তৰ নামনিত বসবাস কৰা শুৱনখাটা অঞ্চলৰ জনসাধাৰণে খাল বিলৰ পানী খাব লগীয়া হৈ থকা কথাটো সঁচানে ?

(খ) যদি সঁচা উক্ত অঞ্চলত বিশুদ্ধ খোৱা পানীৰ যোগান ব্যৱস্থা কেতিয়াকৈ লব ?

(গ) বৰমা সমষ্টিৰ অন্তৰ্গত জপ্পা দোং গাওঁত বিশুদ্ধ খোৱা পানী যোগান আঁচনি চৰকাৰৰ হাতত আছে নেকি ?

(ঘ) যদি আছে, কেতিয়াকৈ উক্ত আঁচনিৰ কাম সম্পূৰ্ণ হব ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) যোৱা আন্দোলনত ক্ষতি গ্ৰস্ত হৈ অচল হোৱা শুৱনখাটা পানী যোগান আঁচনি খন সোনকালে কাৰ্য্যক্ষম কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) আছে।

(ঘ) ১৯৯২-৯৩ চনত আঁচনিখন সম্পূৰ্ণ কৰাৰ চেষ্টা কৰা হৈছে।

## বিষয় ঃ যোগীঘোপাৰ পৰা চাপৰ হৈ ৰাস্তা।

শ্ৰীচন্দন কুমাৰ সৰকাৰ য়ে সুধিছে ঃ

৬৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোগীঘোপাৰ পৰা ঔডুবী হৈ চাপৰলৈ P. W .D. ৰাস্তাৰ কেতিয়া মেৰামতিৰ কাম শেষ কৰা হব ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) যোগীঘোপাৰ পৰা ঔডুবী হৈ চাপৰলৈ যোৱা গড়কাপ্তানী বিভাগৰ পথটো ঔডুবীলৈকে মেৰামতিৰ যাৱতীয় ব্যৱস্থা হাতত লোৱা হৈছে আৰু মেৰামতিৰ কাম সোনকালে শেষ হব। বাকীচোৱা পথৰ ( ঔডুবীৰ পৰা চাপৰলৈ ) বাবে প্ৰাক্কলন অনুমোদন হলেহে কাম হাতত লব পৰা যাব।

## বিষয় ঃ ভেৰাৰ পাম।

শ্ৰীজাউৰাম বড়োয়ে সুধিছে :

৬৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত ভেৰাৰ পাম খোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা প্ৰস্তাৱ আছে নেকি ?

(খ) যদি আছে, পামটো কোন ঠাইত কৰা হব ?

শ্ৰীনকুল দাস ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) আছে।

(খ) এখন ভেৰাৰ পাম স্থাপনৰ আঁচনি ৮ম পৰিকল্পনাত অন্তৰ্ভুক্তি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰত দাখিল কৰা হৈছে। এই আলোচনা সম্প্ৰতি প্ৰাথমিক অৱস্থাতে আছে।

## বিষয় ঃ চৰ উন্নয়ন কৰ্তৃপক্ষত খৰছ।

শ্ৰীনজমুল হক য়ে সুধিছে :

৬৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত চৰ উন্নয়ন কৰ্তৃপক্ষই বিভিন্ন আঁচনিত মুঠ কিমান টকা খৰছ কৰিলে বিতং তথ্য জিলা ভিত্তিক সদনক দাখিল কৰিব ?

(খ) চৰ উন্নয়ন কৰ্তৃপক্ষই অসমৰ মুঠ কিমান জনসংখ্যা লৈ সেৱা আগবঢ়াই আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মুঠ ১১০ লাখ টকা খৰছ কৰা হব। ইয়াৰে ৩২ লাখ টকা দৰ্মহা আৰু পৰিচালনা শিতানত আৰু ৭৮ লাখ টকা বিভিন্ন উন্নয়ন মূলক আঁচনিত ব্যয় কৰা হব।

আঁচনিৰ ধন জিলা ভিত্তিক আবণ্টন নহয়।

(খ) ১৯৭১ চনৰ লোকপিয়ল অনুসৰি অসমৰ চৰ অঞ্চলৰ প্ৰায় ১৪ লাখ লোকলৈ সেৱা আগবঢ়াই থকা হৈছে।

## বিষয় ঃ চৰ উন্নয়ন প্ৰকল্প বিষয়া।

শ্ৰীনজমুল হক য়ে সুধিছে :

৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

গোৱালপাৰা চহৰৰ চৰ উন্নয়ন বিভাগৰ কাৰ্য্যালয়ত থকা প্ৰকল্প বিষয়াজন যোৱা ৮ মাহৰ পৰা গোৱালপাৰাত অফিচত নেথাকি দিশপুৰৰ প্ৰধান কাৰ্য্যালয়ত থকা কথা সঁচানে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

সঁচা নহয়।

## বিষয় : গম আৰু সৰিয়হৰ বিধান বিভাগীয় বিষয়াৰ জৰিয়তে আত্মসাৎ।

শ্ৰীনজমুল হকে সুধিছে :

৬৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰ উন্নয়ন বিভাগে গোৱালপাৰা জিলাত মুঠ কিমান কুইন্টল গমৰ বিধান আৰু সৰিয়হৰ বিধান ১৯৯১-৯২ চনত বিতৰণ কৰিছে ?

(খ) লক্ষীপুৰ ৰাজহ চক্ৰৰ অধীনত উক্ত সময়চোৱাত শাইলধৰা চৰৰ হানিক উদ্দিন নামৰ মানুহজনৰ নামত আবন্টন দিয়া ২০ কুইন্টল গমৰ বিধান আৰু ৫ কুইন্টল সৰিয়হৰ বিধান বিভাগীয় বিষয়াৰ জৰিয়তে আত্মসাৎ কৰা কথা সঁচানে ?

(গ) যদি সঁচা, তেন্তে অতি সোনকালে ইয়াৰ তদন্ত কৰি উপযুক্ত ব্যৱস্থা লোৱা হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৭০ কুইন্টল গমৰ বিধান আৰু ১৪ কুইন্টল সৰিয়হৰ বিধান।

(খ) সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে।

## বিষয় : চাপৰ মুখৰ পকী দলং।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

৭০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ গড়কাপ্তানী পশ্চিম খণ্ডৰ কপিলী নদীৰ ওপৰত চাপৰ মুখৰ আশে পাশে বনাবলৈ লোৱা প্ৰস্তাৱিত পকী দলংখন আঁচনি অনুযায়ী কিমান টকাৰ প্ৰয়োজন হব ?

(খ) দলং খনৰ কাম কেতিয়া আৰম্ভ হব ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) দলংখন নিৰ্মানৰ বাবে কোনো প্ৰস্তাৱ এতিয়াও লোৱা হোৱা নাই। দলংখন নিৰ্মানৰ কাৰণে আনুমানিক ৩ কোটি টকাৰ প্ৰয়োজন হব।

(খ) অনুমোদন সাপেক্ষে।

## বিষয় ঃ কৰ্মচাৰী নিযুক্তি।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৭১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ৩ মাহত বৰপেটা জিলাত কিমান কৰ্মচাৰীক জনস্বাস্থ্য কাৰিকৰী বিভাগত নিযুক্তি দিয়া হৈছে ?

(খ) নিযুক্তি দিয়াৰ ক্ষেত্ৰত বিজ্ঞাপন সাক্ষাৎকাৰৰ ব্যৱস্থা কৰা হৈছিল নে ?

(গ) যদি হৈছিল, নিযুক্তিৰ ভিত্তি কি আছিল ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ২০ জন লোকক মাষ্টাৰ ৰোলত নিযুক্তি দিয়া হয়।

(খ) মাষ্টাৰ ৰোলত নিযুক্তি দিয়াৰ ক্ষেত্ৰত সচৰাচৰ বিজ্ঞাপন বা সাক্ষাৎ-কাৰৰ ব্যৱস্থা কৰা নহয়।

(গ) গোটেই বিষয়টো অনুসন্ধান কৰিব দিয়া হৈছে।

## বিষয় ঃ কয়াকুছি ফিঙুৱা গড়কাপ্তানী ৰাস্তা।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৭১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ কয়াকুছি ফিঙুৱা ( নলী গাওঁ ) P. W .D. ৰাস্তা মেৰামতি আৰু এটি দলং নিৰ্মাণ সম্পৰ্কে চৰকাৰৰ হাতত কোনো আঁচনি আছে নে ?

(খ) যদি আছে, কেতিয়ালৈ সম্পূৰ্ণ কৰা হব আৰু যদি নাই, তাৰ কাৰণ কি ?

(গ) ৰাজাঘাটৰ পৰা ৰামপুৰলৈ যোৱা গড়কাপ্তানী ৰাস্তাটো আৰু দলং বোৰ কি অৱস্থাত আছে ? মেৰামতি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় আছে। নুন্যতম চাহিদা আঁচনিৰ শিতানত মাটিৰ কাম, শিলগুটি দিয়া আৰু নলা পুনৰ নিৰ্মানৰ বাবে ১,০০০,০০ (এক লাখ) টকাৰ আঁচনি মঞ্জুৰ হৈছে।

(খ) মঞ্জুৰ হোৱা কাম ১৯৯২ চনৰ এপ্ৰিল মাহৰ শেষৰ ফালে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

(গ) ৰাজাঘাটৰ পৰা ৰামপুৰলৈ যোৱা ৰাস্তাৰ ( ৰাজাঘাট বৰশিমলা ) ৬ খন কাঠৰ দলঙৰ ভিতৰত ৫ খনৰ ওপৰেৰে যান বাহন চলাচল কৰিব পাৰে আৰু বৰ্তমান এখন ( ৬. নং ) দলঙৰ মেৰামতিৰ কাম চলি আছে। আৰু উক্ত দলঙৰ মেৰামতিৰ কাম মাৰ্চ মাহৰ ভিতৰতে সম্পূৰ্ণ হ'ব।

**Re : Khagrabari Veterinary Centre.**

Shri Karendra Basumatary asked :

73. Will the Minister of Veterinary be pleased to state :

(a) The present condition of Khagrabari Veterinary Centre at Khagrabari in the District of Darrang ?

(b) Whether there is any Doctor and other Official Staff in the said Centre ?

(c) If not, when Doctor and Staff will be appointed ?

Shri Nakul Das ( Minister ) replied :

(a) The Khagrabari Veterinary First Aid Centre has been fully damaged during last agitation.

(b) No, One supervisory Veterinary field Assistant and One Grade-IV Staff has been posted & withdrawn after damage of the building.

(c) The Staff ( Sr. V. F. A. & Grade-IV) will be re-posted after reconstruction of the destroyed buildings.

**Re : Wild Elephant.**

Shri Karendra Basumatary asked :

74. Will the Chief Minister be pleased to State :

(a) Whether the Government is aware of the killing of many persons including women and children by the Wild Elephant in Garuajhar, Bamunjuli Rajagar, Budlapara, Tanki Basti, Nonai Khuti area of Panery Constituency in Darrang District till to-day ?

(b) If so, whether the Government has taken any positive steps to control menace caused by the Wild Elephants ?

Sri Hiteswar Saikia ( Chief Minister ) replied :

(a) Yes, there were some incidents of killing by Wild Elephants in Garuajhar, Bamunjuli, Rajagar, Budlapara, Tanki Basti, Nonai Khuti area of Panery Constituency in Darrang District.

(b) Government have taken measures to scare away the elephant from civil areas and also to protect the lives & properties of people by engaging Special Elephant Protection Squad and utilizing search light, creackers bombs etc. to scare away elephants. In addition, Forest Officials have been pressed into service to provide protection. Government have also paid compensation @ Rs. 5.000/—for persons killed and @ Rs. 3,000/—for those severely injured as per existing rules.

**Re : Black topping on P.W.D. road.**

Shri Karendra Basumatary asked :

75. Will the Minister, P.W.D. be pleased to state.

(a) Whether the Government has a scheme of mettalling and black topping the P.W.D. roads from Tangla through Sikari Tangla to Dimakuchi Barongajuli, Khairabari Via Bhergaon to Barangajuli and Bhergaon to Khagrabari respectively of Panery Constituency in Darrang District ?

(b) Why the damaged Ramgaon Bridge on Barnadi river between Darrang and Kamrup District link road had not been repaired so far ?

Shri Golok Rajbanshi ( Minister ) replied :

(a) There is no scheme of Metaling and Black topping work in road from Tangla through Sikari Tangla to Dimakuchi.

However, there are proposals of Mt& Bt work on (1) Barangajuli Khairabari road via Bhergaon to Barangajuli and (2) Bhergaon Khagrabari road.

(b) Due to paucity of fund under M & R grant, the repair of the bridge could not be taken up.

**Re : Shifting of P.W.D. Building Division—II**

Shri Mission Ranjan Das asked :

76. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government will shift the P.W.D. Building Divn-II functioning at Silchar to Karimganj District Health Quarter ?

(b) If so when and if not why ?

Shri Golok Rajbangshi ( Minister ) replied :

(a) There is no such Government decision at present.

(b) The work load of Building works in Karimganj District. So long does not justify the shifting of the office to Karimganj.

**Re : Granting as F.D.R.**

Shri Mission Ranjan Das asked :

77. Will the Minister, P.W.D. be pleased to state :

(a) The amount granted for Karimganj Division in 1991 ?

(b) Amongst which roads and bridge the said amount has been distributed ? ( state figures itemwise ) ?

(c) Whether the respective amount has been utilised fully ?

(d) If not why ?

Sri Golok Rajbangshi ( Minister ) replied :

(a) Rs. 29·00 lakhs.

(b) Itemwise statement vide Annexure (A) Enclosed,

( See the annexure—VI )

(c) Yes.

(d) Does not arise.

Discussion During Zero Hour

শ্ৰীলিয়াকত আলী খান : মাননীয় অধ্যক্ষ মহোদয়ে উত্তৰটো ভালকৈ দিলে ভাল পালোঁহেতেন।

Mr. Speaker : Question hour is only for one hour. Please take your seat. Time is over. Please take your site.

I have received Zero Hour Notice from the Hon'ble Member, Shri Hitendra Nath Goswami on 10.3.92 on a news item published in 'Ajir Batori' dated 10.3.92 under the caption—"আসফাৰ তথাৰ অ'ন্সমতেই বুদ্ধিজীৱি আটক" Now I call upon the Honourable Member Shri Hitendra Nath Goswami to speak on the matter.

শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, "আজিৰ বাতৰি" নামৰ বাতৰি কাকতত প্ৰকাশ পোৱা এক বাতৰিৰ সন্দৰ্ভত কেইটামান বিষয়ৰ ওপৰত প্ৰশ্ন কৰিব বিচাৰিছোঁ। কথা হৈছে, অসমত আজি যিটো সমস্যাই দেখা দিছে আৰু যিটো সমস্যাই বিধান সভাৰ সম্পূৰ্ণভাৱে অগ্ৰাধিকাৰ লাভ কৰি আহিছে, সেই বিষয়টোৰ সম্পৰ্কত আলোচনাৰ থল আছে। সময়ৰ পৰিবৰ্তনৰ লগে লগে অসমৰ জলন্ত সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত বিভিন্ন ভাৱধাৰাৰে পৰিবৰ্তন হোৱাৰ কথা আমি বাতৰি কাকতত পাই আহিছোঁ। বিৰোধী পক্ষই সদনত এই বিষয়ে উত্থাপন কৰাৰ পিছতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গুৰুত্ব আৰোপ কৰা দেখা পোৱা নাই। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে আলফাৰ সম্পৰ্কত যিখিনি কথা কৈছে আৰু আলোচনা আদি হৈছে, সেই সন্দৰ্ভত কেনে ধৰণৰ কি কথা আলোচনা হৈছে সেই বিষয়ত মুখ্যমন্ত্ৰীয়ে কোনো তথ্য উত্থাপন কৰা নাই। অলপতে এজন অধিবক্তা আৰু দুজন বাতৰি কাকতৰ সাংবাদিকক গ্ৰেপ্তাৰ কৰা হ'ল এন, এচ. এৰ অধীনত। কিন্তু এই তিনিওজন লোকক কি অপৰাধত গ্ৰেপ্তাৰ কৰা হ'ল তাক আমি নেজানো। গতিকে গ্ৰেপ্তাৰৰ কাৰণ সমূহ ব্যক্ত কৰি পৰিস্কাৰ ভাৱে জনাবলৈ মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনালোঁ।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় "আজিৰ বাতৰিত" প্ৰকাশিত হোৱা ৩ জন লোকক গ্ৰেপ্তাৰ কৰাৰ সম্পৰ্কত কব বিচাৰো যে ভাৰতৰ সংবিধানত এটা আইন অনুসৰি ভাৰতৰ সকলো নাগৰিকে কিছুমান নীতি-নিয়ম আৰু আইন কানুন মানি চলিব লাগে। কিন্তু কিছুমান দায়িত্বশীল লোকে কেতিয়াবা ভাৰতীয় সংবিধানৰ নীতি-নিয়ম তথা আইন কানুন মানি চলিবলৈ অপাৰগ হয় আৰু ভাৰতীয় সংবিধানৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাত ব্যৰ্থ হয়। তেনে ক্ষেত্ৰত কেতিয়াবা চৰকাৰে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হয় এনে কাৰণতে এজন অধিবক্তা শ্ৰীনিলয় কুমাৰ দত্ত, শ্ৰীপৰাগ দাস সাংবাদিক আৰু শ্ৰীঅজিত কুমাৰ ভূঞা, বাতৰি কাকতৰ সাংবাদিকক অসম চৰকাৰে গ্ৰেপ্তাৰ কৰে। তেওঁলোকক অধিবক্তা বা সাংবাদিক বুলি গ্ৰেপ্তাৰ কৰা হোৱা নাই। গ্ৰেপ্তাৰ কৰা হৈছে সংবিধানৰ আইন কানুন উলংঘা কৰাৰ কাৰণেহে। তেওঁলোকে ৰাষ্ট্ৰীয়

বিৰোধী কাৰ্যাত লিপ্ত থকাৰ অপৰাধতহে গ্ৰেপ্তাৰ কৰা হৈছে। সাংবাদিক হিচাবে বিশেষ অধিকাৰ ভংগ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰাৰ কথাটো সঁচা নহয়।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : Sir, point of order. মাননীয়, মই জানিব বিচাৰো যে এই তিনিজন লোকে কি কি ৰাষ্ট্ৰ বিৰোধী কাৰ্যাত লিপ্ত আছিল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে? আমাক স্পষ্টীকৰণ দিব লাগে।

শ্ৰীহিতেন গোস্বামী : যি তিনিজন লোকক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে তেওঁলোকক আইনমতে পাবলগীয়া সুবিধাখিনি পাইছেনে নাই।

অধ্যক্ষ মহোদয় : বিবৃতি পিছত দিব এতিয়া শূন্য সময়। প্ৰশ্ন উত্তৰৰ সময় নহয়।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে মানুহ এজনে কি কি বা কেনে ধৰণৰ অপৰাধ কৰিলে ৰাষ্ট্ৰবিৰোধী কাৰ্য্যকলাপ কৰা বুলি ধৰা হয় আৰু এই সদনত সেই বিষয়ে কোৱাটো কিবা বাধা আছে নেকি?

মাননীয় অধ্যক্ষ : মই কৈছো নহয় বিবৃতি পাচত দিয়া হব 'মই আপোনা-লোকক পঢ়ি শুনাইছো...

What the rule said "The Speaker in his discussion may allow the member to raise the matter and the concerned Minister may give a reply if required information and other material, are available with him, otherwise the replies shall be given by the Minister according to his convenience and shall be rejected as raised."

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় মই কব বিচাৰিছো যে বাতৰি কাকতত প্ৰকাশ হোৱা কিছুমান কথাই ৰাইজৰ মনত সন্দেহৰ সৃষ্টি কৰিছে। যে আলফাৰ লগত জড়িত হৈ ৰাষ্ট্ৰবিৰোধী কাৰ্য্যকলাপত লিপ্ত আছেনে? মন্ত্ৰী মহোদয়ৰ কোনো ব্যক্তিগত স্বাৰ্থত আঘাত সনাৰ কাৰণে গ্ৰেপ্তাৰ কৰা হৈছে। আমাৰ সন্দেহ হৈছে যেতিয়া সঁচা কথাত কোনোবাই মাত মাতে তেতিয়াই ৰাষ্ট্ৰবিৰোধী কাৰ্য্য কৰা বুলি স্পষ্টবাদী লোকক গ্ৰেপ্তাৰ কৰা হয়। গতিকে কেনে ধৰনৰ কাৰ্যাকলাপত লিপ্ত আছিল সেইবোৰ এই সদনত উৎথাপিত কৰাত কিবা আপত্তি আছে নেকি? (হুলস্থূল)

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এটা গুৰুত্বপূৰ্ণ বিষয় উৎথাপন কৰিছে কি কাৰণত 'ৰাষ্ট্ৰীয় নিৰাপাত্তাত' দুজন সাংবাদিক আৰু এজন উকীলক গ্ৰেপ্তাৰ কৰা হৈছে। এই বিষয়ে আমাক ক্লিয়েৰিফিকেচন দিব লাগে। আমাৰ

মাননীয় শ্ৰীহিতেন্দ্ৰনাথ গোস্বামীদেৱে উৎথাপন কৰা বিষয়টোৰ ওপৰত আমাক ক্লিয়েৰিফিকেচন দিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰা হৈছে। যিহেতুকে আমাৰ সন্দেহ হৈছে। গ্ৰেপ্তাৰ কৰা উদ্দেশ্য চৰকাৰৰ বেলেগ যেন হে লাগে।

মাননীয় অধ্যক্ষ : 'জিৰো' আৱাৰত সেই বিলাক নহয়।

( সদনৰ মজিয়াত হুলস্থূল )

'জিৰো আৱাৰৰ' নিয়ম হৈছে এটা আইটেমত ৩ টা কাৰ্য্যসূচী থাকিব। এটা প্ৰশ্ন উৎথাপন কৰিব পাৰে। সেই প্ৰশ্নৰ বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিব আৰু প্ৰয়োজন হলে স্পষ্টীকৰণ দিব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় সভাপতি মহোদয়, ৰাষ্ট্ৰবিৰোধী সংক্ৰান্তত কি মই নাজানো। বিভাগীয় মন্ত্ৰী মহোদয়ে এটা স্পষ্টীকৰণ দিব লাগে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি স্পষ্টীকৰণহে বিচাৰিছিলো। মাননীয় মন্ত্ৰী মহোদয়ৰ হাতত যদি তথ্য পাতি নাই তেন্তে হাউচৰ পিচত বিবৃতি দিয়ক বিষয়টো কিয় এনেকৈ চলিব বিচাৰিছে? কি কাৰণত গ্ৰেপ্তাৰ কৰা হল?

Honourable Chief Minister should go with this rule. আমি further statement বিচাৰিছো কাৰণ Grounds of detention টো কওঁক। যদি Grounds of detention টো লগত নাই কওঁক কাইলৈ দিব বা পৰহিলৈ দিব। কিন্তু House ত দিব লাগিব As per the rule quoted to-day. Under this rule he should bound to give a statement in the House.

Mr. Speaker : I have received another Zero Hour Notice from Honourable Member, Shri Sasha Kamal Handique on 10.3.92 on a news item published in 'Ajir Batori' dated 10.3.92 under the caption "পৰিদৰ্শকৰ পৰিদৰ্শন টকাৰ মূল্য এক হেজাৰ টকা" ...Now I call upon the Honourable Member, Shri Handique to speak on the matter.

শ্ৰীশশ কমল হান্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখে দৈনিক অসম বাতৰি কাকতত প্ৰকাশিত শীৰ্ষক ১ হেজাৰ টকা এইটোত কোৱা হৈছে— এখন স্কুলৰ পৰিদৰ্শক এজনে ৰাতি চকিদাৰ নিযুক্তিৰ কাৰণে এহেজাৰ টকা লৈছিল। পৰিদৰ্শকজনে যিখন স্কুলত ৰাতি চকিদাৰ নিয়োগ কৰিছিল তাত শিক্ষক নিযুক্তিৰ কাৰণে ৫-৬ হেজাৰ লৈকে টকা লৈছে। সেই পৰিদৰ্শকজনে সহকাৰী পৰিদৰ্শকজনক দায়িত্ব দি তেখেতে ছুটী লৈছিল। পূৰ্বৰ পৰিদৰ্শকজনক বদলি কৰি ২৭ নবেম্বৰ তাৰিখে এজন নতুন পৰিদৰ্শক দিছিল। দেখা গল পূৰ্বৰ

পৰিদৰ্শকজনে নতুন জনক কাৰ্য্যভাৰ গতাই নিদি তেখেতে ৩ মাহৰ কাৰণে ছুটি বঢ়াই ললে। কিছুমান স্কুল প্ৰাদেশিকৰণ কৰি শিক্ষক নিযুক্তি দিয়া হৈছে। কিন্তু সেই শিক্ষক সকলে স্কুলৰ বাৰান্দাকে দেখা নাই। স্কুল প্ৰাদেশিকৰণৰ সময়ত শিক্ষক সকলে নানান ধৰণে টকা দি লৈছে। সেইকাৰণে এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰিলো। সেই শিক্ষক সকলে স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক কি শিক্ষা দিব। অসমৰ শিক্ষা জগতত দুৰ্নীতি মুক্ত কৰিবৰ কাৰণে কঠোৰ ব্যৱস্থা লয় বুলি আশা কৰি বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

*শ্ৰীশৰৎ বৰকটকী ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপণ কৰা বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

Mr. Speaker : I have received another Zero Hour Notice from the Honourable Member, Shri Hiteswar Deka on 11.3.92 on a news item published in 'Ajir Batori' dated 11.3.92 under the caption. "প্ৰশাসনৰ সন্মুখত ব্যাপক অবৈধ কাৰ্য্য অব্যাহত" Now, I call upon the Honourable Member Shri Deka to speak on the matter.

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, 'আজিৰ বাতৰি' প্ৰকাশিত সংখ্যাত "ব্যাপক অবৈধ" শীৰ্ষক বাতৰি প্ৰকাশ পাইছে। সেই বাতৰিটোত তিনিচুকীয়া চহৰত অবৈধ তীৰ, মুক্ত জুৱা আৰু মদৰ অবাধ প্ৰচলন হৈছে। এই ব্যৱসায় কেৱল তিনিচুকীয়াতে নহয় সমগ্ৰ ৰাজ্য জুৰি মুখ্যমন্ত্ৰীৰ পৰা জিলাৰ উপায়ুক্তলৈকে এই ব্যাপক প্ৰশাসনটো ৰাজনৈতিক প্ৰশাসনটোকে ধৰি সদস্য সকল কেতবোৰ সমাজ বিৰোধীয়ে গা কৰি উঠিছে। 'অগ্ৰদূত' কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ হৈছে। নাৰী বেহাৰ বিষয়েও বাতৰিত প্ৰকাশ হৈছে। গুৱাহাটী চহৰত বিশেষকৈ চিনেমা হলৰ সন্মুখত আমাৰ মা, ভনী বুলি বাতৰিত প্ৰকাশ পাইছে। ঠিক তেনেদৰে পুলিচ বিভাগৰ বিষয়া কেইজনমানক দেখা যায় জালুকবাৰী আউত পষ্টত ট্ৰাকৰ লাইন লাগে। সেই গাড়ী বিলাকৰ পৰা ট্ৰাকে প্ৰতি ১০ টকাৰ পৰা ২০ টকালৈকে লয়। ১০-২০ টকা ঘোচ দিলেহে গাড়ী যাবলৈ দিয়ে। ইয়াৰ এটা কাৰণ আছে—চিপাহীৰ পৰা ডি, জি, পি, লৈকে এটা চেইন চলি আছে।

* Speech not corrected.

ইয়াৰ এটা কাৰণ আছে সেইটো হ'ল—চিপাহীৰ পৰা আৰম্ভ কৰি একেবাৰে ডি, জি, পি, লৈকে টকা সংগ্ৰহ কৰাৰ এটা চেইন চলি আছে। সেইকাৰণে মই আজি সদনত এই গুৰুত্বপূৰ্ণ বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে যুৱক সকলে এনেকুৱা অবাধ কাৰ্য্যৰ প্ৰতি আকৰ্ষিত হব নোৱাৰে আৰু এনে ধৰণৰ প্ৰশাসন যাতে আগলৈ চলি থাকিব নোৱাৰে তাৰ কাৰণে বাস্তৱ ব্যৱস্থা লবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। গতিকেই এই বিষয়টো মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে সেই খিনি বাতৰি কাকতৰ যোগে আমাৰ দৃষ্টি আকৰ্ষন হৈছে আৰু সেই বিষয়ে আমি ব্যৱস্থা লম।

## Call Attention Notice

Mr. Speaker : Now I proceed to item No. 2. Shri Zoii Nath Sarma to call the attention of the Minister Supply under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Ajir Batori' dated 8th February, 1992 under the caption. "যোগান বিভাগৰ কুপাত মিলৰ মালিকৰহে লাভবান হ'ল।"

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯২ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত "যোগান বিভাগৰ কুপাত মিলৰ মালিক হে লাভবান হ'ল।" শীৰ্ষক বাতৰিটোৰ প্ৰতি যোগান বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষন কৰিলো। মৰি গাওঁ আৰু মঙ্গলদৈত চাউল আৰু চেনী যোগান ধৰা হৈছে বুলি কৈছে কিন্তু তালৈ চাউল-চেনী অহাৰ পিছত তাত আমি চাউল-চেনি ৰাইজক যোগান দিয়া দেখা নাই। এটা চৰুৰ এটা ভাত টিপিলেই গম পোৱা যায় গোটেই চৰুটোৰ চাউল সিজিছে নে নাই ? ঠিক সেইদৰে আমি মঙ্গলদৈত চালেই দেখা পাম তাত সময়মতে চাউল-চেনী যোগান দিয়া হোৱা নাই। তাৰোপৰি আমাৰ হাতত যোগান বিভাগক লৈ এখন লম্বা চিঠি আমাৰ হাতলৈ আহিছে। যোগান মন্ত্ৰী হেনো, হোজাইৰ ৰজা।

---

* Speech not corrected.

Dr. Ardhendu Kumar Dey ( Minister ) : This is a call attention mo ion. Honourable Member can call attention of the Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

( noisy interruptions )

( সদনত এটা হুলস্থুল পৰিবেশৰ সৃষ্টি হয় )

আন্দাৰ ৰুল ৫৪ মই কব বিচাৰিছো ...........( গণ্ডগোল ) ... ........

মাননীয় অধ্যক্ষ : মই কওঁ আপোনালোক বহক। ৰুল ৫৪ মতে মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নটো কেৱল ৰেইজ কৰিব পাৰে, মেটাৰটো লৈ দীঘলীয়া বিবৃতি দিব নালাগে আৰু পাৰচ'নেল এচপাৰচনত যাব নালাগে কিয়নো আচল কথাৰ পৰা আঁতৰি গলে সদনত এটা গণ্ডগোল পৰিবেশ সৃষ্টি হয়। মাননীয় সদস্য সকলে গম পাইছে যে যোৱা কালি আমাৰ মিনিমাম ২০ টা প্ৰশ্নৰ কাম সমাধা কৰিব লাগিছিল কিন্তু আমি মাত্ৰ ৫ টা প্ৰশ্নহে শেষ কৰিলো, প্ৰশ্নতকৈ পইণ্ট অৱ অৰডাৰ বেচি হ'ল। গতিকে মেটাৰটো কেৱল ৰেইজ কৰিব লাগে আৰু মেটাৰটোৰ বাহিৰত যাব নালাগে আৰু পাৰচ'নেল এচপাৰশ্যন হব নালাগে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৰুল ৫৪ত আইনগত ভাবে মেটাৰটো ৰেইজ কৰোতে মোৰ মেঠদ অৱ ইণ্টাৰপ্ৰিটেশ্যন বেলেগ হব পাৰে আৰু সেইটো সাব্যস্ত কৰাৰ কাৰণে আমাৰ গণতান্ত্ৰিক অধিকাৰ আছে। ইয়াত আইনগতভাৱে বা অইন প্ৰকাৰে বাধা দিব নোৱাৰে।

মাননীয় অধ্যক্ষ : আপোনাৰ যিহেতু কলিং এটেনশ্যন কৰা হ'ল এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ( যোগান মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত 'যোগান বিভাগৰ কৃপাত মিলৰ মালিক হে লাভৱান হ'ল' শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টি আকৰ্ষন হৈছে—

১। বৰ্তমানে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি চাউল, চেনী, আটা আৰু কেৰাচিন তেল বিতৰণ কৰি থকা হৈছে। প্ৰতি মাহৰ আৰম্ভণিতেই এই সামগ্ৰী-সমূহ মহকুমা ভিত্তিত বিতৰণৰ তালিকা প্ৰস্তুত কৰি সংশ্লিষ্ট উপায়ুক্ত মহকুমাধিপতি সকলক যোগান সঞ্চালকালয়ৰ ফালৰ পৰা তাঁৰবাৰ্তা যোগে জনোৱা হয়। উপায়ুক্ত মহকুমাধিপতি সকলে নিজ নিজ এলেকাৰ সুলভ মূল্যৰ দোকান ও গাঁও পঞ্চায়ত সমবায় সমিতিবোৰক আবণ্টন দি সেইবোৰ গ্ৰাহকৰ মাজত বিতৰণ কৰিবলৈ

* Speech not corrected.

নিৰ্দেশ দিয়ে। এই আবন্টিত সামগ্ৰী যোগানৰ বাবে চাউল, চেনী আৰু ঘেঁহুৰ ক্ষেত্ৰত খাদ্য আৰু যোগান বিভাগ ভাৰতীয় খাদ্য নিগমৰ ওপৰত নিৰ্ভৰশীল।

মৰিগাওঁ জিলাত চৰকাৰৰ পৰা পোৱা চাউল আৰু চেনী প্ৰতি মাহে জিলাখনৰ ২৮ খন গাওঁ পঞ্চায়ত সমবায় সমিতি ও মৰিগাওঁ জিলা পাইকাৰী গ্ৰাহক সমবায় সমিতিৰ জৰিয়তে ৰাজহুৱা বিতৰণ পদ্ধতিত ৰাইজক যোগান ধৰাৰ উদ্দেশ্যে আবন্টন দি থকা হৈছে। কিন্তু ভাৰতীয় খাদ্য নিগমৰ ভড়ালত উল্লেখিত খাদ্য সামগ্ৰী সম্ভাৰৰ অভাৱত মাজে মাজে উক্ত বিতৰণ ব্যৱস্থাত কিছু অসুবিধা হৈছে। উদাহৰণ স্বৰূপে ১৯৯১ চনৰ নবেম্বৰ মাহৰ চেনী ভাৰতীয় খাদ্য নিগমে যোগান ধৰিব নোৱাৰাত ৰাইজে সময়মতে চেনী নাপালে। চাউলৰ নিম্নমানৰ অভিযোগ সঁচা নহয়।

২। কেজি প্ৰতি ২ টকা মূল্যৰ চাউল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালক যোগান ধৰা আঁচনিখন অসমত কাৰ্যকৰী কৰনাৰ্থে ১৯৯১ চনৰ অক্টোবৰ মাহত আৰম্ভ কৰা হৈছে। মৰিগাওঁ জিলাত ৫০ টা তেনে পৰিয়ালক সামৰি ১৯৯১ চনৰ নবেম্বৰ মাহত উদ্বোধন কৰি আঁচনি খনৰ প্ৰবৰ্তনৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হয়। পুঁজিৰ অভাৱত গোটেই আঁচনিখন সম্পূৰ্ণৰূপে একেবাৰতে ৰূপায়ন কৰাত সম্ভৱ নোহোৱাত পৰ্য্যায়ক্ৰমেহে ইয়াৰ ৰূপায়নৰ সিদ্ধান্ত লোৱা হয়। সেই মৰ্মে মৰিগাওঁ জিলাত ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত ৬২১৭ টা তেনে পৰিয়ালক উক্ত আঁচনিত সামৰি লোৱা হয় আৰু ২ টকা মূল্যৰ চাউল যোগানৰ ব্যৱস্থা লোৱা হয়।

৩। চৰকাৰৰ পৰা প্ৰতি মাহে পোৱা ঘেঁহুৰ আবন্টন মৰিগাওঁ জিলাৰ অনুজ্ঞাপত্ৰধাৰী চাকী মিল সমূহক দিয়া হয়। উক্ত ঘেঁহুৰ পৰা যি আটা পোৱা হয় মৰিগাওঁ জিলাৰ প্ৰত্যেক এলেকাৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ জৰিয়তে ৰাইজক বিতৰণ কৰিবৰ কাৰণে আবন্টন দিয়া হয়। কিন্তু গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে চাকী মিল সমূহৰ পৰা আবন্টিত আটা সময়মতে নুঠায়। তেতিয়া উক্ত আটা চৰকাৰৰ নিৰ্দেশক্ৰমে চাকী মিল সমূহে নিৰ্দিষ্ট দৰত মুকলি বজাৰত বিক্ৰী কৰে। উল্লেখযোগ্য যে ১৯৯১ চনৰ নবেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ জানুৱাৰী মাহলৈকে মৰিগাওঁ জিলাই ৪৬৮০ কুইন্টল ঘেঁহু চৰকাৰৰ পৰা আবন্টন পায় কিন্তু তাৰ ভিতৰত ভাৰতীয় খাদ্য নিগমৰ পৰা ৮৬৬.২০ কুইন্টল ঘেঁহুৰ যোগানহে পায়।

## Matter Under Rule 301

Mr. Speaker : Now I proceed to Item No. 3. Honourable Member Shri Chandra Mohan Patowary and Shri Zoii

Nath Sarma to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the "Sandhya Batori" dated 24th February, 1992 under the Caption.

"অসম ৰাজ্যিক লটাৰীৰ বিক্ৰীদাৰ নিযুক্তিত স্বজন প্ৰীতিৰ অভিযোগ।"

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৪ ফেব্ৰুৱাৰী তাৰিখে সান্ধ্য বাতৰি কাকতত প্ৰকাশিত এটা বাতৰি সম্পৰ্কত অসম বিধান সভাৰ নিয়মাৱলীৰ ৩০১ মতে এটা বিষয় যিটো বিষয় ৰাজহুৱা আৰু ৰাজহুৱা গুৰুত্বপূৰ্ণ এই বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিটোত কোৱা হৈছিল অসম ৰাজ্যিক লটাৰীৰ বিক্ৰীদাৰ নিযুক্তিত স্বজন-প্ৰীতিৰ অভিযোগ। যোৱা বাৰ ইয়াৰ আগতে অসম ৰাজ্যিক লটাৰীৰ যিটো নিবিদা আহ্বান কৰিছিল সেই অনুসৰি সমগ্ৰ ভাৰতৰ ৰয়েলটি মিনিমাম এক টকাত ৭৫ পইচা অসমত আজিলৈকে ৰয়েলটি লৈছে ১ টকাত ৪৫ পইচা। অসম চৰকাৰৰ নিবিদা আহ্বান কৰিছে ডিৰেক্টৰ অব ষ্টেট লটাৰীৰ চিঠি নং — DSL/208/91/3 dt. Guwahati the 7th Oct, 1991। এই চৰকাৰী চিঠি নং অনুসৰি কেবাটাও প্ৰতিষ্ঠানে নিবিদা দিছিল। অসম চৰকাৰক লাভ-জনক ভাৱে যিটোৱে উচ্চ হাৰত দিছিল তেখেতক বঞ্চিত কৰি আন এজনক এই লটাৰীৰ কামখিনি দিয়া হল। যোৱা বাৰ ৩৬৫ টা দেইলি আৰু ১২ টা বাম্পাৰত ১ কোটি ৬৮ লাখ টকা লাভ কৰিছিল। এইবাৰ এগ্ৰিমেণ্ট মতে শুনিছো শুধৰণি সাপেক্ষে এইবাৰ হব ২২২০ টা আৰু বাম্পাৰ হব ৪৭ টা। টাৰ্ণ অভাৰ ৮শ টিকটৰ ভিতৰত অসম চৰকাৰে পাব মাত্ৰ ২ কোটি টকা। যোৱা বাৰ ২শ টিকটৰ ভিতৰত পাইছিল ১ কোটি ৬৮ লাখ টকা। পেপাৰত অভিযোগ কৰা মতে অসম চৰকাৰৰ প্ৰায় ১২ কোটিৰ পৰা ১৫ কোটি টকা লোকচান হব। পেপাৰখনত ওলাইছে, সঁচা মিছা নাজানো। এইবাৰ মেচাৰ্চ এচচিয়েটচক দিয়া হৈছে উক্ত প্ৰতিষ্ঠানত মনিকুমাৰ চুব্বা ৰাইজৰ প্ৰতিনিধি জড়িত হৈ পৰে সঁচাকৈ দোষণীয় হব। অসম চৰকাৰ ভয়ানক বিত্তীয় সংকটত অৱতীৰ্ণ হৈছে। এনে ক্ষেত্ৰত ১২ কোটি টকা লোকচান ভৰিব লগীয়া হোৱাটো দুখৰ কথা। সঁচা মিছা মই নাজানো মণিকুমাৰ চুব্বা, লক্ষণ লটাৰী আদিক লৈ স্বজন-প্ৰীতি হৈছে। কি ভিত্তিত ১২ কোটি টকা লোকচান কৰি এই ঠিকাটো দিব লগা হল? টাৰ্মচ, এগ্ৰিমেণ্টত খেলি-মেলি হৈছে, এইবিলাক জনাব লাগে। এগ্ৰিমেণ্টৰ কপি গোপনীয় নহয়, গতিকে আজি নহলেও নিশ্চয় সদনৰ মজিয়াত এগ্ৰিমেণ্টৰ কপি দাখিল কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনালো।

* Speech not corrected.

Mr. Speaker : Honourable Member Sri Zoii Nath Sarma.

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে শ্ৰীপাটোৱাৰী ডাঙৰীয়াই গোটেই কথাটো অৱতাৰণা কৰিছে। এগৰাকী বিধায়কৰ নাম পোন-পটীয়াভাৱে ওলাইছে। ১ টকাত ৪৫ পইচা লোৱাৰ যিটো সিদ্ধান্ত লৈছে তাত ১৫ কোটি টকাৰ লেন-দেন হৈছে। এনেকুৱা বু-বা ওলাইছে যে আমাৰ চৰকাৰৰ উচ্চ পৰ্য্যায়ৰ কেতবোৰ মন্ত্ৰী, বিধায়ক আৰু বিষয়া জড়িত হৈ পৰিছে। এই বাতৰিৰ সন্দৰ্ভত চৰকাৰ, বিধায়ক বা লটাৰী বিভাগে স্পষ্টীকৰণ দিয়া নাই। চৰকাৰৰ তৰফৰ পৰা গোটেই বিষয়টো এৰাই চলিছে। প্ৰশ্ন হৈছে ১ টকাৰ টিকট ৪৫ পইচাত দিছে। যিটো প্ৰতিষ্ঠানক দিছে সেইটো থলুৱা প্ৰতিষ্ঠান নহয়। পেপাৰৰ মতে এই দিল্লীৰ প্ৰতিষ্ঠানৰ লগত আমাৰ মণি কুমাৰ চুব্বা জড়িত হৈ পৰিছে। ১ টকাৰ টিকট ৪৫ পইচাত নিৰ্দ্ধাৰণ কৰাৰ ভিত্তি কি? এলটমেণ্ট দিব লাগে বুলি কেবাটাও পাৰ্টিয়ে দৰ্খাস্ত দিছিল। কোনে কি ৰেট দিছিল? দুই তিনিটা পাৰ্টিয়ে হায়েষ্ট ৰেট দিছিল। গতিকে এই ক্ষেত্ৰত সন্দেহৰ অৱকাশ আছে। ২৪ ফেব্ৰুৱাৰীত প্ৰকাশিত হোৱা বাতৰিৰ সম্পৰ্কত চৰকাৰ আজি ১১ মাৰ্চলৈ মনে মনে থাকি ৰাইজক বুজাই দিছে যে চৰকাৰৰ অলপমান অসৎ মনোবৃত্তি আছে। নহলে স্পষ্টীকৰণ দিলেহেঁতেন। এতিয়া আমি দেখিছো যে এই বাতৰি ওলোৱাৰ পিচত ফাবদাৰ কৰিব নালাগে বুলি বাতৰি কাকতৰ লোকক প্ৰধান মন্ত্ৰীৰ বিদেশ ভ্ৰমণত পঠোৱাৰ ব্যৱস্থা কৰিছে। এইখন বাতৰি কাকতৰ সম্পাদকীয় নাই। এতিয়া এই বাতৰি কাকতখনৰ সম্পাদকক বিদেশলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে যাতে এই নিউজৰ ওপৰত ভৱিষ্যতে নিলিখে। বাতৰি কাকতৰ বিৰুদ্ধে গলে আমাৰ সপক্ষে বিপক্ষে লিখে। জনসাধাৰণে এই বিলাক গুৰুত্ব সহকাৰে পঢ়ে। বাতৰি কাকতৰ সকলো সম্পাদকৰ প্ৰতি শ্ৰদ্ধা আছে। এই তথ্য প্ৰকাশ কৰাৰ পিচত তেখেতৰ মুখখন বন্ধ কৰাৰ ষড়যন্ত্ৰ কৰিছে নেকি? চৰকাৰে স্পষ্টীকৰণ নিদি এৰাই চলাৰ কি উদ্দেশ্য আছে? যি গৰাকী বিধায়কৰ নাম ওলাইছে তেখেতে মনে মনে কিয় থাকিল? ইয়াত ১৫ কোটি টকাৰ লেন-দেন হৈছে বুলি শুনি আহিছো। পোনপটীয়াকৈ কি ভিত্তিত এলটমেণ্ট দিয়া হল স্পষ্টীকৰণ দিব লাগে। পি, এ, চি ৰ জৰিয়তে এইটো তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। এজন বিধায়কে ৰাজকোষৰ টকা ব্যক্তিগত কোষলৈ নিয়াৰ অপচেষ্টা কৰাটো দুৰ্ভাগ্যজনক কথা।

* Speech not corrected.

মাননীয় অধ্যক্ষ : পি, এ, চিয়ে ডাইৰেক্টলি নোৱাৰে, এ, জিৰ পৰা আহিব লাগিব। ৰুল ৩০১ত ড্ৰ দি এটেনচন আছে, আপোনালোকে ডিচকাচন কৰিব নোৱাৰে।

( গণ্ডগোল )

* শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ডিচকাচন কৰিব পাৰি।

Mr. Speaker : I am little bit lenient otherwise, you cannot claim anything. The Member who raised the discussion has no right of reply. কোনো ডিমাণ্ড কৰিব নোৱাৰে। মই ক্লাৰিফিকেচনৰ কাৰণে কৈছো।

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, এইটো কল এটেনচন নহয়। আমাৰ নিজৰ এচেম্বলী ৰুল চাওঁক।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা কবনে যে যি '৪৫ পইচা ৰেট হৈছে সেইটো 'নেগ'চিয়েট' কৰিব নেকি তাৰহে স্পষ্টীকৰণ বিচাৰিছো, মই ইয়াৰ ওপৰত ৰুলিং বিচৰা নাই।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো বিষয়ে চাব লাগিব। মই পিচত সদস্য গৰাকীক জনাম।

Mr. Speaker : There is no scope for discussion otherwise, I will follow the Rules only.

Now I proceed to item No. 4, Debates on Governor's Address. I call upon Honourable Member Shri Badan Barua to speak on Governor's Address.

## Debates on the Governor's Address

* শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত এটা সংশোধনী আনিছো। এই সংশোধনীৰ সমৰ্থনত মই দুটামান কথা কব খুজিছো। আমাৰ চৰকাৰৰ ফালৰ পৰা এজন সদস্য শ্ৰীআব্দুল জলিল ৰাগিবী ডাঙৰীয়াই আমাৰ বিৰোধী দলৰ সদস্য সকলক ৰাজ্যপালৰ ভাষণটো অধ্যয়ণ কৰিবলৈ কৈছে। এই সম্পৰ্কত মই এটা কথা কব খুজিছো—ইংৰাজ লিখক বেকনে কিতাপ পঢ়াৰ সম্পৰ্কত এষাৰ কথা কৈছিল "Some books are to be read, some books are to be digested. কিছুমান কিতাপ চকু ফুৰালেই হয়, কিছুমান অধ্যয়ণ কৰিব লাগে আৰু কিছুমান পঢ়িব লাগে।

* Speech not corrected.

ৰাজ্যপালৰ ভাষণখন চকু ফুৰালেই হয় অধ্যয়নৰ প্ৰয়োজন নাই। অধ্যক্ষ মহোদয়, মই পঞ্চায়ত সম্পৰ্কত কব খুজিছো যে আমাৰ ৭১৪ খন গাঁও পঞ্চায়ত আছে আৰু ·০ খন মহকুমা পৰিষদ আছে। পঞ্চায়ত কৰ্মচাৰী সকলৰ চাকৰি চৰকাৰে প্ৰাদেশিকৰণ কৰিছে, হাইস্কুলৰ ক্ষেত্ৰত ৮৯০ গৰাকী শিক্ষক শিক্ষয়ত্ৰীয়ে চাকৰি পাইছে। কিন্তু গাঁও-পঞ্চায়তৰ ক্ষেত্ৰত কোৱা হোৱা নাই। এই ক্ষেত্ৰত মই এজন মাননীয় মন্ত্ৰীক সুধিছিলো যে আপোনালোকে ইমানবোৰ গাঁও পঞ্চায়ত প্ৰাদেশিকৰণ কৰিলে কিন্তু কৰ্মচাৰীক দৰমহা দিব কেনেকৈ? তেতিয়া মন্ত্ৰী গৰাকীয়ে কলে যে সত্যহতে প্ৰাদেশিকৰণ কৰা হৈছে, পিচত সুবিধা মতে সেইবোৰ কৰা হব। আৰু পিচত দৰমহা পাব। কিন্তু বৰ্তমান পঞ্চায়ত কৰ্মচাৰী সকলে ৰেগুলাৰ দৰমহা পোৱা নাই।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত চৰকাৰখনে কি নীতি লৈ চলিব বা কাম কৰিব তাৰ নিৰ্দেশ থাকিব লাগিছিল কিন্তু ইয়াত নাই। মই চৰকাৰৰ সমৰ্থনত বিনা প্ৰতিদন্দিতাৰে জিকা আঞ্চলিক পঞ্চায়তৰ এজন সদস্যৰ বিষয়ে এই খিনিতে উল্লখ কৰিব খুজিছো—তেখেত হাজো সমষ্টিৰ পৰা নিৰ্বাচিত হৈছে। তেখেতৰ গনেশগুৰি চাৰিআলিত এটা বিৰাট অট্টালিকা আছে। তেখেতে পি, ডব্লিউ, ডিত সাধাৰণ ষ্টোৰ কীপাৰ আছিল। তেওঁৰ বিৰুদ্ধে কৰ্টত ২৩ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগৰ এটা কেচ বৰ্তমানেও কৰ্টত চলি আছে। এনেকুৱা কিছু সংখ্যক প্ৰাৰ্থীও কংগ্ৰেছৰ সমৰ্থনত জিকি আহিছে। গতিকে পঞ্চায়ত কি হব তাত আমাৰ সন্দেহ আছে। পঞ্চায়ত কৰ্মচাৰীৰ চাকৰি চৰকাৰীকৰণ কৰিবলৈ ওলোৱাৰ সময়ত আমাৰ এগৰাকী মাননীয় সদস্য ডাঃ কে, লহকাৰে এটা প্ৰশ্ন কৰিছিল যে দৰমহা দিবলৈ চৰকাৰৰ হাতত টকা আছেনে নাই? গতিকে গাওঁ পঞ্চায়তৰ অৱস্থা কি হব তাত আমাৰ সন্দেহ আছে। মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষাৰ ক্ষেত্ৰত কব খুজিছো যে যিবোৰ স্কুল প্ৰাদেশিকৰণ কৰা হৈছে তাতো কেৰোণ আছে। যিবোৰ এলিমেন্টৰী বোৰ্ড চৰকাৰে কৰি দিছে তাতো বহুত দুৰ্নীতি হৈছে। বাতৰি কাকতত বাতৰি ওলাইছে যে এজন বোৰ্ডৰ এজন মেম্বাৰে ৬ লাখ টকা কৰিছে। তেওঁৰ গুৱাহাটীৰ হাতীগাওঁত দুটা বিল্ডিং আছে। মই এই বিষয়টো শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো—যিহেতু শিক্ষামন্ত্ৰী এতিয়া সদনত নাই। এই সদস্য জনে ইমান টকা ক'ৰ পৰা সংগ্ৰহ কৰিছে, কেনেকৈ ইমান টকাৰ বিল্ডিং সাজিছে—এই বিষয়টো এন্টিকৰাপচন ডিপাৰ্টমেণ্টৰ দ্বাৰা তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে।

---

* Speech not corrected.

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত দুটামান কথা কব বিচাৰিছো কিন্তু আমাৰ শিক্ষামন্ত্ৰী ইয়াত উপস্থিত নাই। আমি জানিব পাৰিছো কোনো কোনো মন্ত্ৰীৰ ব্যক্তিগত সচিবৰ পৰা চিঠি লৈ কিছুমান অৰ্ডাৰ চলি আছে। অৰ্থাৎ ব্যক্তিগত সচিবলৈ অৰ্ডাৰ দি কাম কৰি আছে। একোজন মানুহক বদলি কৰা হৈছে আৰু তাৰ কাৰণে ব্যক্তিগত সচিবৰ পৰা চিঠি গৈছে আৰু নিদিব বুলি ৰিভিউ হব বুলি কৈছে। আজি শিক্ষা বিভাগত এই ধৰণৰ কথা চলি আছে। তাৰ পিচত পশুপালন বিভাগৰ কথা কব বিচাৰিছো কিন্তু তেখেতো নাই। পশুচিকিৎসা আৰু পশুবিজ্ঞানৰ কথা কোৱা হৈছে কিন্তু গৰুৰ কথা কৈছে যদিও গাখীৰৰ কথা নাই। ফিচাৰিৰ কথা কৈছে কিন্তু মাছৰ কথা নাই। দুটকীয়া চাউল দিয়াৰ কথা কৈছে কিন্তু খাওঁতা মানুহ পোৱা নাই। চৰকাৰে পোৱা নাই দুটকীয়া চাউল খোৱা মানুহ। আন কথা ৰাজহ বিভাগৰ মন্ত্ৰীৰ ওচৰত ৰাখিছো। আমাৰ ইতিমধ্যে অভিজ্ঞতা হৈছে যে আমি কেন্দ্ৰীয় চৰকাৰ হওঁক বা ৰাজ্যিক চৰকাৰ হওঁক টকা আমি পাওঁ কিছুমান ৰাজহুৱা অনুষ্ঠান পাতিবৰ কাৰণে কিন্তু তেনে ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠান গঢ়িবলৈ যাওঁতে টকা পোৱা হয় যদিও মাটিৰ অভাৱত অসুবিধা হয়। মাটিৰ অভাৱতে ষ্টেডিয়াম আদিৰ কামো পৰি থাকে। সেই কাৰণে ৰাজহ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত এটা অনুৰোধ ৰাখিছো যেন বেদখলী মাটি অন্ততঃ চহৰ অঞ্চলত আছে সেই বিলাক অতি সোনকালে বেদখল মুক্ত কৰিব আৰু যিবিলাক চৰকাৰী মাটি আছে সেই বিলাক বেদখল হোৱাৰ পৰা ৰক্ষা কৰাৰ বিহিত ব্যৱস্থা লব। কিয়নো ভৱিষ্যতলৈ আন ৰাজহুৱা অনুষ্ঠান প্ৰতিস্থান আদিৰ কাৰণে ৰাজহুৱা মাটি নোপোৱাই হবগৈ। গতিকে চহৰ অঞ্চলত থকা চৰকাৰী মাটি বিলাক ৰক্ষণাবেক্ষণৰ শীঘ্ৰে ব্যৱস্থা লব বুলি অনুৰোধ ৰাখিলো। গ্ৰামোন্নয়নৰ ক্ষেত্ৰত জৱাহৰ ৰোজগাৰ আঁচনিৰ আধাৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা দুশ কোটি টকা কম ধৰিছে। তাৰ মানে অহা বাৰ দুশ কোটি টকা আমি কম পাম। সেই কাৰণে যিটো টকা কম পাম সেইটো পূৰাবলৈ ৰাজ্যিক চৰকাৰৰ পৰা কিবা ব্যৱস্থা লব নে সেইটো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হোৱা নাই। অধ্যক্ষ মহোদয়, মই পৰিবহনৰ ক্ষেত্ৰত দুটা মান কথা কব বিচাৰিছো। পৰিবহনৰ ক্ষেত্ৰত নতুনকৈ ৮৫ খন বাছ কিনাৰ কথা কৈছে কিন্তু কেৱল ৮৫ খন বাছ কিনিলেই পৰিবহন ব্যৱস্থা উন্নত হৈ নাযাব। পৰিবহন ব্যৱস্থাৰ উন্নতিৰ কাৰণে পৰিবহন প্ৰক্ৰিয়াটো ব্যক্তিগত খণ্ডলৈ আনিলে যদি উন্নত ফল পোৱা হয় তেতিয়াহলে ব্যক্তিগত খণ্ডলৈ আনিব লাগে। পেট্ৰলৰ দাম কুৰি টকা হব বুলি শুনিবলৈ পাইছো। আৰু কেইদিনমানৰ পিচত হয়তো

পচিশ টকা হব। তাৰ কাৰণে যাতায়তত ভীষণ খৰচান্ত হবলগীয়া হব। যি বিলাক ঠাইলৈ বাছ আদি চলে সেই বিলাকৰ পৰা গুৱাহাটী বা চহৰ অঞ্চললৈ অহা যোৱা কৰি চাকৰি কৰা লোকসকলে বাছৰ ভিতৰত আহিব নোৱাৰি বাছৰ ওপৰতহে অহা যোৱা কৰি থাকিবলগীয়া হৈছে। সেই কাৰণে সেই বিলাক ঠাইলৈ বাছৰ সংখ্যা বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰিব লাগে। এই বিলাক দিশলৈ লক্ষ্য কৰি পৰিবহন ব্যৱস্থাটো ব্যক্তিগত খণ্ডলৈ আনিবলৈ পৰিবহন মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাইছো। মই আৰু বেছি কব বিচৰা নাই আমাৰ বন্ধু সকলে কব পাৰিব। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Mr. Speaker : Now, Honourable Member, Shri Holiram Terang.

শ্রীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, মোৰ বক্তৃতাৰ আৰম্ভণীতে মাননীয় ৰাজ্যপাল মহোদয়ৰ যিটো ভাষণ সেই ভাষণৰ ওপৰত দুটামান কথা আঙুলিয়াই দিব খুজিছো। ৰাজ্যপাল মহোদয়ে যোৱা ৯ তাৰিখে দিয়া ভাষণত দুটামান ভুল কথা আঙুলিয়াই দিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণৰ ইংৰাজী আৰু অসমীয়া কিতাপ দুখনৰ মাজত মিল নাই কোনো কোনো অংশত। সেইটো ভুল যেন লাগিছে। বিশেষকৈ দ্বিতীয় পৃষ্ঠাত স্বায়ত্ব শাসিত ৰাজ্য দাবী কমিটিৰ আৰু অবলিক দি কাৰ্বি ছাত্ৰ সন্থা বুলি যিটো লিখিছে তাত ইংৰাজীত লিখা কিতাপ খনত এ-এচ-ডি-চি-এ অবলিক কে-এচ-এ বুলি লিখিছে আৰু সেই একেই পেৰা-গ্ৰাফৰ শেষৰ ফালেও তেনেকৈ লিখিছে। আলোচনা কালত এই সংগঠনে ভাগ লোৱা বুলি। কিন্তু এ-এচ-ডি-চি-এ নামৰ সংগঠক পৃথিবীত কত আছে নাজানো। এ-এচ-ডি-চি আছে। এইটো এটা চিৰিয়াচ মিচ্‌টেক্‌ হৈছে বুলি ভাবো। এই ক্ষেত্ৰত অসম চৰকাৰ আৰু এ-এচ-ডি-চিৰ মাজত যি বৈঠক মুখ্যমন্ত্রীয়ে আহ্বান কৰিছিল তাতো চৰকাৰৰ ফালৰ পৰা এ-এচ-ডি-চি বুলিহে লিখি চিঠি দিছিল। এইটো আমি ভুল বুলি ধৰিছো। মুখ্যমন্ত্রী মহোদয়ে উত্তৰ দান কালত এইটো কব বুলি আশা ৰাখিছো।

অধ্যক্ষ মহোদয়, তাৰ পিচত ৰাজ্যপালৰ ভাষণৰ ওপৰত মূল নীতিগত কথা কথা কেইটামান কব বিচাৰিছো। চৰকাৰে আমাৰ ৰাজ্যপালৰ ভাষণৰ যোগেদি মূল নীতি কিছুমানৰ কথা ঘোষণা কৰিছে। বিশেষকৈ শান্তি শৃংখলাৰ ক্ষেত্ৰত উগ্ৰপন্থী সকলৰ লগত শান্তিপূৰ্ণ আলাপ আলোচনাৰ মাজেদি সমস্যাৰ সমাধানৰ কথা কোৱা হৈছে। আমাৰ সামগ্ৰিক ভাবে ৰাইজেও বিচাৰে শান্তিপূৰ্ণ সমাধান। কোনো সংখ্যক ৰাইজে তেনে নিবিচাৰিলেও নিৰ্বাচিত প্ৰতিনিধি সকলে কিন্তু আমি সেইটোৱেই বিচাৰো। আৰু সেই ধৰণে শান্তিপূৰ্ণ আলাপ আলোচনাৰ

কাৰণে ইয়াত আলোচনা কৰা হৈছিল। চৰকাৰৰ ফালৰ পৰাও ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে 'ইয়াৰ বিপৰীতে চৰকাৰেও আলফাৰ বিৰুদ্ধে চলাই থকা সামৰিক অভিযান তেওঁলোকৰ সৈতে আনুষ্ঠানিক আলোচনা হৈ নুঠা পৰ্য্যন্ত স্থগিত ৰাখিছে। আলফাইও বিনা চৰ্তে পণবন্দী সকলক মোকলাই দিছে একপক্ষীয়ভাবে অস্ত্র সম্বৰণ ঘোষণা কৰিছে আৰু চৰকাৰৰ সৈতে আলোচনাৰ অৰ্থে আলাপ-আলোচনা চলাই আছে।' এইটো সত্য কথা। কিন্তু সামৰিক অভিযান স্থগিত ৰখাটো আলোচনা অসত্য কথা। কিয়নো যোৱা মাহৰ ২৭ তাৰিখে মাজনিশা অপাৰেশ্বন ব্লেক কোবৰা নামে অভিযান চলাইছে। এইটো ভুল কৰি কৰা নাই। অসম চৰকাৰ আৰু সামৰিক বাহিনীৰ মাজত ভুল বুজাবুজিৰ কাৰণে এই অভিযান হোৱা নাছিল। এইটো জানি শুনি কৰা অভিযান। ইয়াৰ দ্বাৰা অভয় হাতীকাকতিক হত্যা কৰা হৈছে আৰু বহু কেইজনক আটক কৰা হৈছে। এই সম্পৰ্কত যোৱা কালিৰ নৰ্থ ইষ্ট টাইমচ্ কাকতত লিখিছে এনেদৰে :

North East Times ( Dated 10.3.92 ) ...Cobra did not slip out, it was sent out......"The Operation Black Cobra which was launched in the state in the mid-night of February 27 last was not a slip of code from the armys operational headquarters at Narengi, but was a well planned opearation with an intention of conveying a clear cut message to the people concerned" stated a senior official of the Union Home Ministry presently stationed in Assam to aid in the chalking out the army's operations in the state.

অৰ্থাৎ ভুল কৰি অভিযান কৰা নাছিল। যদি ভুল ভাবে প্ৰচাৰিত হৈছিল তেনেহলে ইয়াৰ ওপৰত কন্‌ট্ৰাডিকশ্বন দিব লাগিছিল কিন্তু কন্‌ট্ৰাডিকশ্বন দিয়া হোৱা নাই। তাৰ উপৰিও কেন্দ্ৰীয় গৃহ বিভাগৰ জ্যেষ্ঠ বিষয়া এজন যিজনে বৰ্ত্তমান অসমত বাহৰ পাতি আছে তেখেতৰ সূত্ৰৰ পৰা এই কথা প্ৰকাশ পাইছে। যদি নহয় ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা কন্‌ট্ৰাডিকশ্বন দিয়া হোৱা নাই কিয়? তাৰ মানে এই কথাটো সঁচা কথা।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ মুখেদি কিছুমান ভুল তথ্য দাঙি ধৰা হৈছে, আচলতে অভিযান বন্ধ কৰা নাই। গতিকে চৰকাৰৰ ইনটেনচনত আমাৰ সন্দেহ আছে। ৰাজ্যপালৰ ভাষণত বড়ো সমস্যা, স্বায়ত্ব শাসিত ৰাজ্যৰ কথা উল্লেখ কৰিছে। ভাল পাইছো। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ত্ৰিপাক্ষীক আলোচনা

ক'ৰিব বিচৰাত আমি সন্তোষ পাইছো। ইতিমধ্যে তুজনীয়া সমিতিৰ ৰিপোৰ্ট দাখিল কৰিছে। চৰকাৰৰ এই পদক্ষেপক আমি ৱেল কাম কৰো। যি নহওঁক এই চৰকাৰে অন্ততঃ সমস্যাটো ৰিকগনাইজ কৰিছে, আগৰ চৰকাৰে দিছিল। এনেকুৱা পদক্ষেপক আমি সহাৰি জনাওঁ। এ. এচ, দি. চি অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজৰ যি ত্ৰিপাক্ষিক আলোচনাৰ কথা ঘোষণা কৰিছে তাত আমি সন্তুষ্ট কিন্তু এফালে খুৱাব খুজি আনফালে পিতাৰ যি নীতি সেইটোক আমি সমৰ্থন কৰিব নোৱাৰো। কাৰণ এফালে মৰম দেখুৱাইছে আনফালে এ. এচ, দি.চিৰ দ্বাৰা গঠিত যি জিলা পৰিষদ সেই পৰিষদৰ বিৰুদ্ধে এজনীয়া তদন্ত আয়োগ গঠন কৰিছে। সচাকৈ যদি তদন্তই কৰিব বিচাৰিছে নিকা কৰিব বিচাৰিছে তেনেহলে ইয়াৰ আগতে যি মিশ্ৰ কমিচনৰ ৰিপোৰ্ট দাখিল কৰিছিল তাক কিয় কাৰ্য্যকৰী কৰা নাই ? মিশ্ৰ কমিচনে তেতিয়াৰ মুখ্য কাৰ্য্যবাহী সদস্য শ্ৰীবীৰেন সিং ইংতিৰ কাঠৰ ব্যৱসায়ৰ যি কেলেংকাৰীৰ প্ৰতিবেদন দিছিল তাৰ ওপৰত কিয় ব্যৱস্থা লোৱা নাই ? এইবিলাক চৰকাৰৰ তুমুখীয়া নীতি নহয় নে? এই তুমুখীয়া নীতি আমি কেতিয়াও সহ্য কৰিব নোৱাৰো। আমাক আগতে জনোৱা হৈছিল যে ফেব্ৰুৱাৰী মাহৰ তৃতীয় সপ্তাহত আলোচনা হব। কিন্তু ফেব্ৰুৱাৰী মাহ গ'ল আলোচনা নহ'ল. তাৰ পিচত জনালে যে মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত আলোচনা অনুষ্ঠিত হব কিন্তু মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহৰ আজি মাত্ৰ আৰু তিনিদিন বাকী আছে। এতিয়ালৈকে এ, এচ, দি, চিক অসম চৰকাৰে বা কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা কোনো আনুষ্ঠানিক আলোচনাৰ বাবে আহ্বান দিয়া নাই। গতিকে এই বিলাকৰ দ্বাৰা আমাৰ সন্দেহ হৈছে। বড়ো সমস্যাক লৈ ৭/৮ বাৰ আলোচনা কৰিলে এতিয়ালৈকে তাৰ ৰিপোৰ্ট দাখিল কৰা নাই। অসম চৰকাৰে যদি অসমত শান্তি সম্প্ৰীতি বিচাৰে তেনেহলে অতি সোনকালে এই আলোচনা সমূহ অনুস্থিত কৰিব লাগে। ৰাজ্যপালৰ ভাষণত পাৰ্বত্য জিলা তুখনৰ কাৰণে বহুত কথাই কৈছে। প্ৰতিখন গাওঁতে একোখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হব বুলি কৈছে, শিক্ষামন্ত্ৰী অৱশ্যে নাই ৰাজ্যিক শিক্ষামন্ত্ৰী অৱশ্যে আছে তেখেতেই এইবিলাক চায়, দেখাত যথেষ্ট গুৰুত্ব দিছে। কিন্তু যোৱা ৫ বছৰত পাহাৰী জিলা তুখনত এটা প'দো মঞ্জুৰ নকৰিলে। ভৈয়ামত কিন্তু হৈছিল। আমাৰ সন্দেহ হৈছে যি সময়ত অসম তথা ভাৰতবৰ্ষ সাংঘাতিক অৰ্থ সংকটৰ সন্মুখীন হৈছে, আই এম এফ লোনৰ দ্বাৰা চলিবলগীয়া হৈছে সেই সময়ত প্ৰতিখন গাওঁতে স্কুল খোলা কিমানদূৰ সন্তৱপৰ হব নাজানো।

চৰ অঞ্চলৰ কথা ৰাজ্যপালৰ ভাষণত কোৱা হৈছে চৰ অঞ্চলত ম্যাদী পট্টা দিয়াৰ বন্দোবস্তী কৰা বুলি কৈছে কিন্তু কিমান লোকক ম্যাদী পট্টা দিব সেই

তথ্য ইয়াত কিয় দাঙি ধৰিব নোৱাৰিলে? কেইজনক দিব; ক'ত ক'ত দিব তাৰ কোনো উল্লেখ নাই। কেদেষ্ট্ৰেল জৰীপ কৰাৰ কথা কৈছে কিন্তু ক'ত কেনেকৈ কেদেষ্ট্ৰেল জৰীপ হব তাৰ কিন্তু উল্লেখ নাই। সেই বিলাক কথা ইয়াত উল্লেখ কৰাটো অসুবিধা নাই। নিবনুৱাৰ কথা কৈছে কিন্তু কিমান নিবনুৱা আছে তাৰ তথ্য নাই। আমি জনাত আজিলৈ গোৱালপাৰা, বৰপেটা চৰত জৰীপ কৰা দেখা নাই।

ইয়াত মই এটা বিষয় উত্থাপন কৰিব বিচাৰিছো সেইটো হৈছে বিদ্যুত বিভাগ। অসমত বৰ্তমান বিদ্যুতৰ অৱস্থা আমি সকলোৱে জানো। কাৰ্বি লংপী যিটো প্ৰজেক্ট সি ১৯৯৩-৯৪ চনত সম্পূৰ্ণ হব বুলি কৈছে কিন্তু আমাৰ সন্দেহ আছে। এন পি. চি, চি যি মেইন দাম্পটো বনাই আছে তেওঁলোকে নিজে কৈছে যে আৰু ৫ বছৰ লাগিব। এই বিদ্যুত বিভাগটো যি পৰিচালনা কৰে সেই শ্ৰমিক সকলে এতিয়া আন্দোলন কৰি আছে আৰু চৰকাৰে সেই আন্দোলনক বে আইনী ঘোষণা কৰিছে। বিদ্যুত পৰিচালনা কৰিব শ্ৰমিক সকলে, তেওঁলোকৰ কিছুমান অভাব অভিযোগ আছে যাৰ কাৰণে তেওঁলোকে আন্দোলনৰ পথ লৈছে। তেওঁলোকৰ অভাব অভিযোগৰ বুজ লোৱাৰ সলনি এই চৰকাৰে এই আন্দোলনকে বেআইনী ঘোষণা কৰি দিলে। যিখন চৰকাৰে এক্সট্ৰিজিম নাইকীয়া কৰিব বিচাৰিছে, ইল্লিগেলক লিগেল কৰিব বিচাৰিছে, আলফাক ইল্লিগেল ঘোষণা কৰি এতিয়া আকৌ আলোচনা কৰিব বিচাৰিছে আমি ভাল পাইছো ঠিক তেনে সময়তে লিগেল দাবীৰ ওপৰত ভিত্তি কৰি যি আন্দোলন কৰিছে তাক আকৌ বে আইনী ঘোষণা কৰিছে। চৰকাৰে তাৰ প্ৰত্যুত্তৰ দিয়া উচিৎ। বানপানী সমস্যাৰ কথা কৈছে কিন্তু বানপানী সমস্যাৰ কেনেকৈ সমাধান কৰিব তাৰ কিন্তু উল্লেখ নাই। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ক্ষেত্ৰত কোৱা হৈছে যে ১৯৯১ চনৰ অক্টোবৰ মাহৰ পৰা দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক দুটকা মূল্যত চাউল যোগান ধৰা হৈছে। কিন্তু অসমত কিমান লোক বা পৰিয়াল দাৰিদ্ৰ সীমাৰেখাৰ তলত আছে তাৰ তথ্য কিন্তু দিয়া নাই। যদি সেই তথ্যই নিৰূপণ কৰিব পৰা নাই তেনেহলে কিহৰ ভিত্তিত পৰিকল্পনা কৰিছে? কাৰণ যিখিনি চাবচিডি দিব লাগিব সেই চাবচিডিখিনি বাজেটত ৰিফ্লেক্ট হব, সেই বাজেট আমিয়ে পাচ কৰিব লাগিব। এই তথ্য বিলাক যেতিয়া দেখা নাই আমাৰ সন্দেহ হোৱাটো স্বাভাৱিক। জলসিঞ্চনৰ ক্ষেত্ৰত চৰকাৰে কৈছে যে আজিকালি জলসিঞ্চন বিভাগে পানীযোগান নিদিয়ে অকল হাজিৰাৰহে ব্যৱস্থা আছে, জলসিঞ্চন কিমান হ'ল খেতি পথাৰত কিমান পানী যোগান ধৰিব পাৰিব তাৰ হিচাব নাই। পানী যোগান নহলে যে ঘেঁহু মৰাপাট চাউল উৎপাদন নহয় তাৰ অংক কৰা নাই।

১৯৯১-৯২ বছৰটোত ক্ষুদ্ৰ জলসিঞ্চনৰ অধীনত ১৫,২০,২৭৯ শ্ৰমদিন আৰু বৃহৎ তথা মজলীয়া খণ্ডত ৩০,৫৬,৬৩৭ টা শ্ৰমদিনৰ নিয়োগ সৃষ্টি কৰা হয়। ১৯৯২-৯৩ বছৰটোত ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ অধীনত ৪৩.৯৯ লাখ শ্ৰমদিন আৰু বৃহৎ তথা মজলীয়া খণ্ডত ৭১.০০ লাখ শ্ৰমদিনৰ সৃষ্টি হব বুলি আশা কৰা হৈছে। আচলতে কথাটো ইয়াত লুকাই ৰাখিছে। যোৱা কেই বছৰৰ বহুতো ইনকমপ্লিট স্কীম আছে কিছুমান ফাণ্ড ইৰিগেট কৰিব বিচৰা নাই লুকাই ৰখা হৈছে। শেষত মাত্ৰ এটা কওঁ যে ইয়াত শেষৰ পেৰাত আছে সংযুক্ত মুক্তি বাহিনী, অসমৰ সমস্যাই হওঁক কিম্বা পাৰ্বত্য অঞ্চলৰ সমস্যাই হওঁক ইয়াত ইংৰাজীত আছে Be it the ULFA issue or the problem of Bodo people raised by some Hill organisation, it is an insult to the people of Karbi Anglong.

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণখন আমি অসন্মান জনোৱাৰ প্ৰশ্ন নুঠে কিন্তু তেওঁলোকৰ অৰ্থাৎ চৰকাৰৰ যি নীতি সেই নীতিৰ ওপৰত আমাৰ সন্দেহ হৈছে। তেওঁলোকে আজি শান্তি শৃংখলা আনিব খুজিছে, ২ টকাত চাউল যোগান দিব বিচাৰিছে, বড়ো সমস্য, কাৰ্বি সমস্যা সমাধান কৰিব বিচাৰিছে সেই বিলাকত আমাৰ সন্দেহ হৈছে।

Mr. Speaker : Now Honourable Member, Shri Kosheswar Baruah.

* শ্ৰীকোষেশ্বৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণখনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো কিয়নো এই ভাষণখন অসমৰ ৰাইজৰ সাম্প্ৰতিক যি পৰিবেশ যি পৰিস্থিতি সেইটো ইয়াত সম্পূৰ্ণ ফুটি উঠিছে। প্ৰথমতেই অসমৰ সকলো জেগাৰ সকলো শ্ৰেণীৰ ৰাইজৰ আশা-আকাংখাৰ প্ৰতিচ্ছবি সম্পূৰ্ণভাৱে ইয়াত প্ৰতিফলিত হৈছে। দ্বিতীয়তে আমাৰ অসমত যোৱা প্ৰায় ১২ বছৰ ধৰি যি এটা সংকটময় পৰিস্থিতি, যি এটা অশুভ আনুগত্য অৱতাৰণা কৰা হৈছিল সেইখিনি ইয়াত প্ৰতিপন্ন হৈছে। আমাৰ চৰকাৰে যিবিলাক আঁচনি লৈছে সেইবিলাকৰ কথা ইয়াত সম্পূৰ্ণ উক্তি উন্মুকিয়াই দেখুওৱা হৈছে। মই উদাহৰণ স্বৰূপে মোৰ নিজৰ সমষ্টিৰ গহপুৰৰ কথাই কব বিচাৰিছো। কেৱল গুৱাহাটীয়েই নহয় গহপুৰ বুলিলে দিল্লীয়েও ভয় খায়। আজি সেই জেগাত মুকলি মুৰীয়াকৈ মানুহে ঘূৰি ফুৰিব পাৰিছে। অসমৰ অন্যান্য অঞ্চললৈও যাব পাৰিছে। গহপুৰত এতিয়া জনগোষ্ঠী, অজনগোষ্ঠীৰ ভিতৰত কোনো ভয়ৰ বাতাবৰণ নাই। সকলোৱেই মুকলিমুৰীয়াকৈ ঘূৰি ফুৰিব পাৰিছে। সেইখিনি কথা ৰাজ্যপালৰ ভাষণত ভালদৰে প্ৰকাশ পাইছে।

* Speech not corrected.

মাননীয় অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত বহুতো স্কুল লোৱা হৈছিল কিন্তু মোৰ সমষ্টিত কোনো স্কুলৰ কাম সম্পূৰ্ণ নহল। কৰ টকা ক'ত খৰছ হল কোনেও নেজানে। মোৰ অঞ্চলৰ তামুলবাৰী ঠাইত ডি, আৰ, ডিৰ অধীনত জৱহৰৰোজগাৰ আঁচনিত ১০ লাখ টকাৰ কাম আৰম্ভ কৰা হৈছিল। কিন্তু ইমান টকাৰ পৰিমাণৰ কোনো কাম-কাজ নহল। আলোপাৰা অঞ্চলটো ৭ লাখ টকা দিয়া হৈছিল, তাতো কোনো কাম নহল। এতিয়া আমি ঘূৰি পকি গম পাইছো যে ৭ লাখ টকাৰ ভিতৰত ২ লাখ মান টকা আছে। বাকী খিনিৰ কোনো হিচাপ নাই। বিষয়া বৰ্গই প্ৰশাসনৰ দুৰ্বলতাৰ বাবে সেই টকা নষ্ট হৈছিল। কিন্তু আমাৰ চৰকাৰে যিবিলাক আঁচনি লৈছে সেইবিলাকত ৰাইজৰ সম্পূৰ্ণ আস্থা আছে আৰু ৰাজ্যপাল মহোদয়ৰ ভাষণত সেইটো প্ৰতিফলিত হৈছে। যোৱা কেই বছৰত চাকৰি দিম বুলি বয়স ৩৬ বছৰ কৰিলে। তেওঁলোকক চাকৰি দিয়া নহলেই মাত্ৰ মন্ত্ৰী-বিধায়কৰ লগত কাম কৰা দুই এজন মুষ্টিমেয়ক চাকৰি দিলে তাৰ বাবে কাক একো দিব নোৱাৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে আৰু এটা কথাত আমি ভাল পাইছো যে যিখিনি উগ্ৰপন্থী আছিল তেওঁলোকে দিয়া প্ৰতিশ্ৰুতি অনুসৰি কথা-বতৰা পতাৰ কাৰণে দিহা কৰিছে। হয় তেওঁলোকে অবৈধ কিন্তু তেওঁলোকক বৈধ কৰিবৰ কাৰণে তেওঁলোকক সংস্থাপন দিবৰ কাৰণে ৰাজ্যপালৰ ভাষণত ওলাইছে এইটো কিন্তু কোনো বেয়া কাম হব নোৱাৰে। সেই কাৰণেই ৰাজ্যপালৰ ভাষণখন গ্ৰহণযোগ্য আৰু আদৰণিয়। শেষত মই এটাই কথাই কম আমাৰ চৰকাৰে যি ধৰণে ৰাইজক প্ৰতিশ্ৰুতি দিছিল সেই ধৰনেই কাম-কাজ হৈছে তাৰ প্ৰমাণ পঞ্চায়ত নিৰ্বাচন। আগতে ১৭ বছৰ ধৰি পঞ্চায়ত নিৰ্বাচন পাতিব পৰা নাছিল। আমাৰ চৰকাৰ শাসনৰ গাদীলৈ আহিয়েই ১০০ দিনৰ ভিতৰত নিৰ্বাচন পাতিম বুলি এতিয়া ২০০ দিনৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন পাতি তেওঁলোকক উন্নয়নমূলক কাম-কাজ কৰাৰ কাৰণে সুবিধা কৰি দিছে। অলপ আগতে এজন মাননীয় সদস্যই কৈছে কংগ্ৰেছৰ যি নিৰ্বাচন সেইটো দলীয় ভিত্তিত হোৱা নাছিল। আমাৰ ৩ খন পঞ্চায়তৰ ৩০ হেজাৰ ভোটাৰ জনজাতীয় লোক আছে। তেওঁলোকে আমাৰ প্ৰাৰ্থীক ভোট দি তেওঁলোকৰ মন্তব্য সাব্যস্ত কৰিছে আৰু আমাৰ দলৰ প্ৰতি থকা আনুগত্য প্ৰকাশ কৰিছে। তেওঁলোকৰ আগৰ যি অনিহা নাইকিয়া হৈছে আৰু আমাৰ চৰকাৰৰ প্ৰতি আশ্বাসৰ ভাৱ জাগি উঠিছে।

সেই কাৰণে ৰাজ্যপালৰ ভাষণত এটা কথা স্পষ্টকৈ কোৱা হৈছে যে আমাৰ জনজাতীয় লোক সকলৰ মনত যি ক্ষোভ, দুখ, বিদ্বেশ আদি আছিল সেইবোৰ

চৰকাৰে চিনাক্ত কৰিব পাৰিছে আৰু সেই কাৰণে মই পোনে পোনে কব খুজিছো যে আমাৰ জনজাতীয় ভাই বন্ধুসকল এতিয়া আমাৰ চৰকাৰৰ আঁচনি সমূহৰ প্ৰতি ধাবমান হৈছে। ইয়াৰ উপৰিও এই চৰকাৰৰ দিনত কিমান লৰা-ছোৱালীয়ে চাকৰি পাইছে সেই কথা আমি সকলোৱে জানো। এই চৰকাৰৰ দিনত মোৰ সমষ্টিতে ১৯ খন এম, ই, স্কুল চৰকাৰীকৰণ হল আৰু তাত প্ৰত্যেক খন স্কুলতে ৫ জনকৈ শিক্ষকে চাকৰি পাইছে। তাৰোপৰি যিবোৰ হাইস্কুল বা অন্যান্য স্কুল হৈছে তাতো ভালেমান লৰা-ছোৱালীয়ে চাকৰি পাইছে। এই চাকৰিবোৰ বহুদিন ধৰি পৰি আছিল। তাৰ বাহিৰেও এই চৰকাৰে আৰু তিনি হাজাৰ খন স্কুল লোৱাৰ প্ৰস্তুতি চলায় আছে। এই আটাইবোৰ কথা ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে। এই স্কুলবোৰ হৈ উঠিলে আৰু কমেও ৬ হাজাৰ মান চাকৰি ওলাব। সেইদৰে অন্যান্য বিভাগ বোৰতো চাকৰি উলিওৱাৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই চৰকাৰৰ ওপৰত ৰাইজৰ আস্থা বাঢ়ি আহিছে। তাৰ লগে লগে ৰাজ্য খনৰ অন্যান্য উন্নয়নমূলক কাম কাজ বিলাকো সহজে সম্পন্ন হব বুলি আমি ধাৰণা কৰিছো আৰু ৰাজ্যপালৰ ভাষণত যিখিনি কথা প্ৰতিফলিত হৈছে সেই খিনি আমি নিতান্তই পালন কৰিব পাৰিম বুলি আশা ৰাখিছো আৰু ৰাজ্যপালৰ ভাষণখন মই ব্যক্তিগতভাৱে আৰু দলগত ভাবে পূৰ্ণ সমৰ্থন জনায় মোৰ ভাষণৰ সামৰণী মাৰিলো।

Mr. Speaker : Now Honourable Member, Shri Jatin Mali.

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কত অংশ গ্ৰহণ কৰাৰ আগে আগে মহামান্য ৰাজ্যপালৰ প্ৰতি মই শ্ৰদ্ধা জ্ঞাপন কৰিছো। তেখেতৰ ভাষণৰ ওপৰত বক্তব্য ৰাখিবলৈ যাওঁতে যিহেতু তেখেতে চৰকাৰৰ হৈ চৰকাৰৰ বৰ্তমান কাম কাজ আৰু ভৱিষ্যতৰ কাম কাজ সম্পৰ্কে তেখেতৰ বক্তব্যৰ জৰিয়তে সদনৰ মজিয়াত উপস্থাপন কৰিছে আৰু সেয়েহে চৰকাৰৰ কাম কাজ বিলাক উপস্থাপন কৰোতে আমি কিছুমান ক্ষেত্ৰত অসন্তুষ্টি আৰু আপত্তিজনক দিশ দেখিছো আৰু সেইবাবে তেখেতৰ ভাষণৰ ওপৰত অংশ গ্ৰহণ কৰি আমি যথেষ্ট সমালোচনা কৰাৰ বাবে আগবাঢ়ি গৈছো। অধ্যক্ষ মহোদয়, আমি আগ্ৰহেৰে এটা কথা লক্ষ্য কৰিছিলো যে এই চৰকাৰে শাসন ভাৰ লোৱাৰ লগে লগে অসমৰ জনসাধাৰণৰ সামগ্ৰিক উন্নয়নৰ কাৰণে চৰকাৰে যিবোৰ প্ৰতিশ্ৰুতি দিছিল সেই আশ্বাস আৰু প্ৰতিশ্ৰুতি সমূহ তেওঁলোকে পূৰ্ণ ৰূপায়ন কৰাৰ বাবে নীতি আৰু কাৰ্য্য ব্যৱস্থা হাতত লব। মই বিতং ভাবে নহলেও কেইটামান বিভাগৰ কাম কাজ সম্পৰ্কে ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে সেই ক্ষেত্ৰত কবলৈ গৈ প্ৰথমতে

---

* Speech not corrected.

শিক্ষা বিভাগৰ বৰ্তমান যিটো অৱস্থা বা শিক্ষা বিভাগৰ জৰিয়তে ৰাজ্যখনৰ সামগ্ৰীক দিশ সমূহ যি ধৰণে চলাই নিব খোজা হৈছে সেই কথা আমি প্ৰত্যেকেই জানো। কিন্তু এই বিভাগটোৰ বিভিন্ন দিশ পৰ্য্যালোচনা কৰোতে বিভিন্ন দৃষ্টি-ভঙ্গী বা বিভিন্ন দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে শিক্ষক নিয়োগৰ ক্ষেত্ৰত কেনে ধৰণৰ নীতি অৱলম্বন কৰা হৈছে সেই বিষয়ে ইতিমধ্যে সদনত আলোচনা কৰা হৈছে। তাৰোপৰি যিবিলাক বিদ্যালয় পৰিচালনা সমিতি গঠন কৰা হৈছে বা শিক্ষক নিয়োগৰ ক্ষেত্ৰত যিবিলাক ব্যৱস্থা লোৱা হৈছে সেই বিলাক বিতং ভাবে আলোচনা কৰাৰ প্ৰয়োজন হৈ পৰিছে। বৰ্তমান হাইস্কুল-বোৰৰ ক্ষেত্ৰত যিবোৰ কমিটী গঠন কৰা হৈছে সেইবোৰ কি নীতি নিৰ্দেশনাৰ ভিত্তিত কৰা হৈছে সেইটো নিশ্চয় সকলোৱে জানিব পাৰিছে। মই তৰা চিহ্নিত প্ৰশ্ন এটাৰ ভবিয়তে পলাশবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত উপৰহালী হাইস্কুলত অখিল দাস নামৰ এজন সহকাৰী শিক্ষক আছে নেকি বুলি এটা প্ৰশ্ন উত্থাপন কৰিছিলো। তেওঁক এখন হাইস্কুলৰ সভাপতি হিচাবে দিয়া হৈছিল নেকি? শিক্ষা মন্ত্ৰী মহোদয়ে এই বিষয়টোৰ তথ্য বিচৰা হৈছে বুলি উত্তৰ দিছে। মই তেখেতক ব্যক্তিগত কাৰণত এই প্ৰশ্নটো কৰা নাই, অসমৰ সামগ্ৰীক উন্নতিৰ দিশত নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰতহে এই কথাটো উল্লেখ কৰিছো। মোৰ কথা হল কোনো এখন হাইস্কুলৰ শিক্ষকক স্কুলৰ সভাপতি বা পৰিচালনা সমিতিত ৰখাটো উচিত নহয়। হয়তো তেখেতে উক্ত শিক্ষক জন নিজা মানুহ বুলি সদনত তেখেতৰ নামটো কবলৈ টান পাইছে। সেই কাৰণে এই ক্ষেত্ৰত সমগ্ৰ অসমৰ কাৰণে এটা নীতি নিৰ্দ্ধাৰণ কৰা উচিত।

* ডাঃ ভূমিধৰ বৰ্মণ ( শিক্ষা মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো ঠিকেই কৈছে। তেখেতৰ কথাটো মই মানি লৈছো।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক এই বিষয়ে মই ধন্যবাদ জনাইছো। আন এটা কথা হৈছে পলাশবাৰী সমষ্টিৰ মিৰ্জা হল হেড কোৱাৰ্টাৰ। মিৰ্জা আঞ্চলিক ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক গৰাকী আজিৰ পৰা কেইমাহ মান আগতে এটা ধৰ্ষণৰ অভিযোগত অভিযুক্ত হৈছিল আৰু এই অভিযোগত অভিযুক্ত ছোৱালী গৰাকী সন্তান সম্ভৱা হৈছিল। সেই প্ৰধান শিক্ষক গৰাকীৰ ওপৰত তেতিয়াৰ চৰকাৰে বিধিগত ব্যৱস্থা লৈ আছিল আৰু তেওঁক নিলম্বিত কৰা হৈছিল। তেওঁক তাৰ পৰা স্থানান্তৰ কৰাৰ কাৰণেও ৰাইজে স্মাৰক পত্ৰ আদি দিছিল। কিন্তু সেই সময়ৰ অ, গ, প, চৰকাৰ ভাঙি দি ৰাষ্ট্ৰপতি শাসন জাপি দিয়াৰ লগে লগেই সেই প্ৰধান শিক্ষক গৰাকীৰ নিলম্বিতকৰণ প্ৰত্যাহাৰ

---

* Speech not corrected.

কৰা হয়। সেই কাৰণে মই চৰকাৰক পৰামৰ্শ দিব খোজো যে কোনো ধৰ্ষণকাৰী ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক হব নালাগে আৰু এইটো অসমৰ কাৰণে এটা নীতি হব লাগে।

* শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, তেনেকুৱা কৰ্মচাৰীক অকল নিলম্বিত নহয়, বৰ্খাস্ত কৰিব লাগে।

মাননীয় অধ্যক্ষ : এতিয়া আপুনি বহক, আপোনাৰ যেতিয়া টাৰ্ন হব, তেতিয়া আপোনাৰ মত প্ৰকাশ কৰিব।

* শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ যি সকল শিক্ষা মন্ত্ৰী দায়িত্বত আছে তেখেত সকলে চাব লাগে। কামৰূপ জিলাৰ যি শিক্ষা বোৰ্ড গঠন কৰা হ'ল তাত অখিল দাস নামৰ এজনক দিয়া হৈছে। এইটো যদি নীতি বিৰুদ্ধ হোৱা নাই ভাল কথা। মই যেতিয়া শিক্ষা বিভাগৰ দায়িত্বত আছিলো তেতিয়া নীতি নিৰ্দ্ধাৰণ কৰিছিলো। এল, পি, আৰু এম, ইৰ শিক্ষক বাছিব নোৱাৰে। হাইস্কুলৰ শিক্ষক, সহকাৰী শিক্ষক তেওঁলোকে সব নেলাগে। শিক্ষা মন্ত্ৰী মহোদয়ৰ শহুৰেকৰ ঘৰ মোৰ ঘৰৰ ওচৰতে। মই শিক্ষা মন্ত্ৰী হৈ থাকোতে কাকো একো কৰি দিব নোৱাৰিলো। পৰিয়ালক একো উপকৃত কৰিব নোৱাৰিলো। মোৰ শহুৰৰ পৰিয়ালৰ দুজন গ্ৰেজুৱেট আৰু এজন আন্দাৰ গ্ৰেজুৱেট মানুহ আছে। কিন্তু চাকৰি দিব নোৱাৰিলো। এইটোৱে মোৰ দিচক্ৰেডিট। কিন্তু আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ শহুৰেকৰ ঘৰৰ মানুহক চাকৰি দিয়াৰ টেন্‌ডেনচি আছে।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে তেখেতৰ শহুৰৰ পৰিয়ালৰ লোকক চাকৰি দি উপকৃত কৰিব নোৱাৰিলেও শহুৰৰ ছোৱালী বিয়া কৰাই উপকৃত কৰিছে। (সদনত হাঁহিৰ ৰোল উঠে)।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেখেতৰ পৰিয়ালৰ মানুহখিনিক চাকৰি দিয়াৰ টেন্‌ডেন্‌চি থকাটোত মই বেয়া পোৱা নাই। পলাশবাৰী ছোৱালী হাইস্কুলত মেনেজিং কমিটী গঠন কৰা হৈছিল। মই যেতিয়া শিক্ষা মন্ত্ৰী আছিলো (গণ্ডগোল) অধ্যক্ষ মহোদয়, আপুনি যেতিয়া স্পীকাৰ হৈ আছে পৰৱৰ্তীকালত স্বীকাৰ কৰিব লাগিব, সন্মান দিব লাগিব। এই কথাটো মই এই কাৰণে উৎথাপন কৰিব বিচাৰিছো যে পলাশবাৰী ছোৱালী হাইস্কুল পৰিচালনা সমিতি গঠন কৰা হ'ল, ১২/১৩ নম্বৰত যতীন মালিক সদস্য কৰি ৰাখিছে। এই কথাটো টেলিফোনত কোৱা হৈছে যিটো কথা নেকি

---

* Speech not corrected.

মোক জনাব লাগিছিল। কিন্তু জনোৱা নাই। ( সদনত বেল বাজে )। অধ্যক্ষ মহোদয়, মই যিমান পাৰো সোনকালে মোৰ বক্তব্য শেষ কৰিম। ৰাজ্যপাল মহোদয়ে যোৱা জুলাই, আগষ্ট মাহত কৈছিল যে অধিবেশন পতা হব। বৰ্ষাকালীন অধিবেশনত ৰাজ্যপাল মহোদয়ৰ ভাষণত আছে যে নগৰ অঞ্চলৰ পৰা টকা গাওঁ অঞ্চললৈ ঘূৰাই পঠোৱা হব বুলি কৈছে। ১৬ লাখ টকা আছিল, ২ অক্টোবৰৰ দিনা ৰাজনৈতিক দলৰ সভাত খৰচ কৰা হৈছে। এই টকা অনুদান লবলৈ চেষ্টা কৰা হৈছিল। কিন্তু অনুদান নাপালে। মই অলপ পৰ্য্যটন বিভাগ সম্পৰ্কে কবলৈ বিচাৰিছো। চান্দুবি বিভিন্ন অঞ্চলৰ লগতে উন্নত কৰা হব বুলি ভাবিছিলো। এই ক্ষেত্ৰত মই চৰকাৰক অনুৰোধ জনাইছো। ইয়াৰোপৰি ৰাজাপাৰা ৰাস্তাটো পকীকৰণ কৰিলে সুবিধা হব।

অধ্যক্ষ মহোদয়, চৰকাৰে এবছৰত দুই লাখ নিবনুৱাক কৰ্ম সংস্থান দিম বুলি কৈছিল, কৰ্ম সংস্থান পালে ভাল হয়। কিন্তু ক'ত সংস্থাপন কৰিব। এবছৰৰ আজি ৯ মাহ পাৰ হৈ গ'ল বাকী আছে মাত্ৰ তিনি মাহ। অৱশ্যে বছৰটোৰ শেষৰ ফালেও দুই লাখক কৰ্ম সংস্থাপন দিব পাৰে। কিন্তু আজি ১১ তাৰিখ পৰ্য্যন্ত চৰকাৰে ৫০ হেজাৰকো কৰ্ম সংস্থাপন দিব পৰা নাই। আৰু যদি দিছে ক'ত ক'ত কি ধৰণে কেতিয়া সংস্থাপন কৰিছে ? বাতৰি কাকতৰ জৰিয়তে সমগ্ৰ জনসাধাৰণক জনাব নেকি যে এই ৫০ হেজাৰক ক'ত ক'ত কেনে ধৰণে সংস্থাপন কৰা হল জনাব নে ? ইয়াৰ লগতে এইটোও জনাব লাগে যে বাকী ডেৰ লাখক কেনেকৈ সংস্থাপন কৰিব।

অধ্যক্ষ মহোদয়, পঞ্চায়ত নিৰ্বাচন পৰিচালনা কৰাৰ কাৰণে কামৰূপ জিলাৰ নিৰ্বাচনী বিষয়া হিচাবে শ্ৰী পি, চি, ভট্ট আছিল। তেখেতে নিৰ্বাচন নিৰপেক্ষ তাৰে কৰিব লাগিছিল, কিন্তু সেইটো কৰা নাই। তেখেতে বিশেষ ৰাজনৈতিক দলৰ মানুহ আহিলে আনন্দত আত্মহাৰা হয়, বাকী সকলক গুৰুত্ব নিদিয়ে। কংগ্ৰেছ আই বুলি কলে তেখেতে বেচি আত্মহাৰা হয়। চৰকাৰে নিৰ্বাচনৰ আগমুহূৰ্তত শুদ্ধ নিৰ্বাচন হব বুলি কৈছিল। কিন্তু নিৰ্বাচনৰ আগদিনা বেলট পেপাৰ প্ৰিন্ট হৈ যোৱাৰ পিচত কংগ্ৰেছ আই দলৰ উগ্ৰ সমৰ্থকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি দুই হেজাৰো অধিক ভোট পায়। এই উগ্ৰ সমৰ্থক জনে বেলত পেপাৰ প্ৰিন্ট কৰিবলৈ এজন ব্যক্তিগত প্ৰেছৰ মালিকৰ ওচৰলৈ যায়। সেই প্ৰেছৰ মালিকজনে তেনে কাম কৰিব নোৱাৰো বুলি কয়। মই মুখ্য মন্ত্ৰীৰ পৰা লিখি আনিলেও এই কাম কৰিব নোৱাৰো। অসম চুক্তি বাস্তৱত ৰূপায়ন কৰাৰ বাবে অসম চুক্তি ৰূপায়ন বুলি এটা বিভাগ আছে। অসম আন্দোলনত যি সকলে শ্বহীদ হৈছিল সেই সকলৰ সন্মানৰ বাবে ১০ ডিচেম্বৰৰ

দিনটো পালন কৰিবলৈ লোৱা হৈছিল আৰু সেইটো অ, গ, প, চৰকাৰে কাৰ্য্যকৰী কৰিছিল। কিন্তু বৰ্তমান চৰকাৰে সেইটো কিয় বাতিল কৰিলে। মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত বহুত কথা কবলৈ আছে। সময়ৰ প্ৰতি লক্ষ্য ৰাখি মোৰ বক্তব্য যিমান সোনকালে পাৰো শেষ কৰিম। মহামান্য ৰাজ্যপাল ডাঙৰীয়াই যি ভাষণ ৰাখিছে তাৰ ওপৰত ভোট হব লাগে, ডিভিজন হব লাগে। কাৰণ ৰাজ্যপালৰ ভাষণ একপক্ষীয় হৈছে। এই ভাষণে চৰকাৰৰ লগতে জন-সাধাৰণক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে। এইখিনিতে মই মোৰ বক্তব্য সামৰণি মাৰিছো।

Mr. Speaker : Now Honourable Member, Shri Kamal Brahma.

* শ্ৰীকমল ব্ৰহ্ম : माननीয় অধ্যক্ষ মহোদয়, মহামান্য অসমৰ ৰাজ্যপালৰ ভাষণ মই বড়ো লেণ্ডৰ বিষয়ে কিছুমান যুক্তি ডাঙি ধৰিব খুজিছো। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বড়ো সমস্যা সম্পৰ্কে বিস্তৃত ভাবে ডাঙি ধৰিছে কিন্তু দেখা গৈছে যে সমস্যা সমাধানৰ ক্ষেত্ৰত অসম চৰকাৰে বা ভাৰত চৰকাৰে স্পষ্ট ভাবে ডাঙি ধৰা নাই। কেবল এই ভাষণত বাতৰি কাকতত যেনেকৈ দিছে বা পোৱা যায় তেনেকৈহে পোৱা হৈছে। কাৰণ বৰ্তমান ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ মাজত ৮ম লানী আলোচনা হৈ গৈছে। ফলাফল অহা নাই। মই আশা ৰাখিছো যাতে অতি সোনকালে বড়ো সমস্যা সমাধান হয়। এই ক্ষেত্ৰত যাতে অসম চৰকাৰে স্পষ্ট নীতি ডাঙি ধৰে তাৰ কাৰণে মই বিৰোধী দলৰ পৰা অনুৰোধ জনাইছো। বিশেষকৈ মই কব খোজো শিক্ষাৰ ক্ষেত্ৰত বড়ো জনজাতি লোক সকল পিছ পৰি আছে। পিচপৰা জনজাতি বড়োসকলৰ শিক্ষাৰ ক্ষেত্ৰত স্পষ্ট নীতি ডাঙি ধৰা নাই, বড়োসকলৰ শিক্ষাৰ উন্নয়নৰ কাৰণে চৰকাৰে যে ব্যৱস্থা লৈছে মই দেখা পোৱা নাই। মই কব খোজো যে এই চৰকাৰে অসমৰ বিভিন্ন ঠাইৰ হাইস্কুল, এল, পি স্কুল আৰু এম, ই স্কুল প্ৰাদেশিকৰণ কৰিছে কিন্তু বড়োলেণ্ডত আন ঠাইত যেনে ধৰণে প্ৰাদেশিকৰণ হৈছে তেনে ধৰণে হোৱা নাই। চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত বড়ো জনজাতিৰ কাৰণে কিছুমান সুবিধা দিব লাগে। স্কুলৰ প্ৰাদেশিকৰণৰ ক্ষেত্ৰত আমাৰ দাবিমতে উপকৃত হোৱা নাই। বড়ো মাধ্যম স্কুল বিলাক যাতে ১৯৯০-৯১ চনত প্ৰাদেশিকৰণ হয়। সীমান্ত অঞ্চল বুলি আমি সুবিধা পোৱা নাই, সীমান্ত অঞ্চলৰ স্কুল বিলাক ১৯৯১-৯২ চনতে প্ৰাদেশিকৰণ কৰিছে। এই ক্ষেত্ৰত যদি চাও ইণ্টাৰনেচনেল বৰ্ডাৰ এৰিয়া ভুটান অঞ্চল নিচেই ওচৰতে।

* Speech not corrected.

* ডাঃ ভূমিধৰ বৰ্মণ ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্ব-পূৰ্ণ কথা কব খুজিছো — মাননীয় সদস্য গৰাকীয়ে বৰ্ডাৰ এৰিয়া বুলি কৈছে, ইণ্টাৰষ্টেট বৰ্ডাৰ ভূটান আৰু বাংলাদেশ নহয়।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে 'পইণ্ট অৱ অৰ্ডাৰ' বুলি কোৱা নাই। তেখেতে উঠিয়ে কথাটো কৈছে।

* ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান সৰু সৰু কথা কৈ যাব সেই কাৰণে কথাটো লগে লগে কৈ দিলে ভাল হব বুলিয়ে কৈছো।

* শ্ৰীআলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো ভাৰত বাংলাদেশ, ভূটান, চিকিম সেই সীমান্ত অঞ্চল বিলাক তেখেতে আন্তঃ ৰাজ্য বুলি কৈছে। এই সম্পৰ্কে বিতং কব লাগে।

মাননীয় অধ্যক্ষ : আপোনাৰ টাৰ্ণ আহিলে কব।

* শ্ৰীকমল ব্ৰহ্ম : অধ্যক্ষ মহোদয়, যদি ইণ্টাৰষ্টেট নাথাকে তেতিয়া ইণ্টাৰ নেচনেল বৰ্ডাৰ হব। অসমৰ বিভিন্ন ঠাইত বিভিন্ন জিলা আৰু মহকুমাত শিক্ষক বাচনি পৰীক্ষা পাতিছে। কিন্তু আমাৰ কোকোৰাঝাৰ জিলাৰ বিজনী মহকুমাত শিক্ষা বিভাগে ইণ্টাৰভিউ পতা নাই আৰু শিক্ষকৰ বাচনিও হোৱা নাই। কিছুমান দালাল আছে তেওঁলোকে মনে মনে নিযুক্তি দি আছে। ইণ্টাৰভিউ পাতি অতি সোনকালে যাতে চাকৰিত মকৰল কৰিব পৰা যায় তাৰ বাবে মই অনুৰোধ কৰিছো।

ৰাষ্টা-ঘাট আৰু দলঙৰ বিষয়ে বহুত কব লগা আছে। সেই বিষয়ে মই এতিয়া নকও। বড়োলেণ্ড আমি বিচাৰি আছো যেতিয়া অসমৰ পৰা মই এইটো আশা কৰা নাই। আমি যেতিয়া বড়ো ৰাজ্য গঠন কৰিম সেই অভিযোগ পূৰণ কৰিম বুলি আশা ৰাখিছো। মই অতি পিচ পৰা বিজনী অঞ্চলৰ পৰা আহিছো।

মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাৰ সম্পৰ্কত মোৰ বহু কথা কবলগীয়া আছে কিন্তু মই বেচি বহলাই কব খোজা নাই কাৰণ এই সম্পৰ্কত বহুতো বক্তা আছে আমি যিহেতু এখন সুকীয়া ৰাজ্যৰ দাবী কৰিছো গতিকে অসমৰ পৰা আমি কেনেকুৱা সমাধান পাওঁ সেইটো নাজানো, কিন্তু আশা ৰাখিছো উচিত ব্যৱস্থাই পাম। মই অতি পিচপৰা বিজনী অঞ্চলৰ পৰা আহিছো। বিজনীৰ ৰাস্তা-ঘাট আদি এ'কবাৰে পিচপৰা। মই এমাহ বা দুমাহৰ পিচত তালৈ ভ্ৰমন কৰিবলৈ যাব হয়তো নোৱাৰিম। বিজনীৰ দলঙৰ অৱস্থা একেবাৰে দুখ লগা। কাৰণ

* Speech not corrected.

আজি প্ৰায় ১০/১২ বছৰ আগতে সেই দলংৰ পৰা এখন মটৰ গাড়ী দলংৰ তলত পৰি গৈছিল। ফলস্বৰূপে ১০/২৫ জন লোকৰ মৃত্যু হৈছিল। সেই পৰি-প্ৰেক্ষিতত অসম চৰকাৰে তাত আৰ চি চি দলং বান্ধিবলৈ আৰম্ভ কৰিছে। এই কাম ২ বছৰৰ ভিতৰত সম্পূৰ্ণ হব লাগিছিল কিন্তু এতিয়ালৈকে তাৰ কোনো ইমপ্ৰুভমেণ্ট দেখা পোৱা নাই। সেয়ে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক বিশেষভাবে অনুৰোধ জনাও যে এই কাম যেন অতি সোনকালে সম্পূৰ্ণ হৈ উঠে। এইখিনি কৈ মই বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : Now Honourable Member Shri Samsul Huda.

* শ্ৰীচামচুল হুডা : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য নাগবংশী ডাঙৰীয়াই কৰা মন্তব্যৰ ওপৰত ভিত্তি কৰি অলপ কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত মই সমৰ্থন কৰি কেইটামান বিশেষ কথাৰ বিষয়ে বক্তব্য ৰাখিব খুজিছো। ৰাজ্যপালৰ ভাষণত ৪৫ দফাৰ ২৮ পৃষ্ঠাত যিখিনি কথা সন্নিৱিষ্ট কৰা আছে আমাৰ কাৰণে নতুন কথা নহয় ই এটি অতি স্পষ্ট ধৰনৰ সুন্দৰ কথা। বিগত দিনত যিবোৰ কথা আৰু যিবোৰ আঁচনিৰ বিষয়ে চৰ্চ্চা কৰা হৈছিল সেই সকলোবোৰ মই ব্যক্ত কৰিব খোজা নাই কিন্তু আজি ৭ মাহৰ আগতে আমাৰ কংগ্ৰেছ দল শাসনত অধিষ্ঠিত হোৱাৰ বহু পূৰ্বে যি নিৰ্য্যাতিত অৱস্থাত অসমৰ বিভিন্ন অঞ্চলত মানুহে শান্তিৰে বসবাস কৰিব পৰা নাছিল আৰু শান্তিত দিন কটাব পৰা নাছিল সেই কথা সকলোৱে উপলব্ধি কৰিছে আৰু সেই অঞ্চল বিলাকলৈ মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আৰু বিভিন্ন চৰ অঞ্চল, ধুবুৰীৰ চৰ চাপৰিত ব্ৰহ্মপুত্ৰৰ পৰা ২৫ কিঃ মিঃ মহৰ গাড়ীৰে ভ্ৰমন কৰা মোৰ মনত আছে। বিগত দিনবোৰত সেই অঞ্চল ভ্ৰমন কৰোতে বহুতো নিৰ্য্যাতিত মানুহ লৰা-ছোৱালী দেখিবলৈ পাইছিলো। তেওঁলোক কেনেকৈ জীৱন নিৰ্বাহ কৰি আছে সেই কথা বিগত চৰকাৰৰ কৰ্মকৰ্তা সকলে কোনো ভবা চিন্তা কৰা নাছিল। সেই মানুহখিনিয়ে তেওঁলোকৰ ওচৰৰ লোক সকলৰ ঘৰত কাম বন কৰি দি কাপোৰ কানি ধুই জীৱন নিৰ্বাহ কৰিছিল। বিগত পাঁচ বছৰীয়া শাসনত তেওঁলোকৰ কোনো সা-সুবিধা দিয়া হোৱা নাছিল বৰং তেওঁলোকক বাংলাদেশী বুলি আখ্যা দি অত্যাচাৰ কৰা হৈছিল। মই আগতেই ১৯৮৩ চনতেই কেন্দ্ৰীয় চৰকাৰলৈ এই বিষয়ে অনুসন্ধানৰ কাৰণে জনাইছিলো। কিন্তু তাৰ পাচতেই আন্দোলনৰ পিচত এ জি পি চৰকাৰ অহাৰ পিচতো তাৰ কোনো সু-

* Speech not corrected.

ব্যৱস্থা কৰা নহল বৰং তথাকথিত আছুৰ লৰাই আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ কথামতেই বাংলাদেশী বুলি অত্যাচাৰ কৰা নিৰ্যাতিত কেইজন মান লোকৰ হৈ নগাওঁত এটা পঞ্জীয়ন কৰা গোচৰ মই নিজে অধিবক্তা হিচাবে চাবলগীয়াত পৰিছিলো। কিন্তু সেই গোচৰটোৰ নিষ্পত্তি কৰাৰ কাৰণে মোক যাবলৈ অনুমতি দিয়া হোৱা নাছিল। ৩৯/৪০ আৰু ৪১ দিনৰ কাৰণে নিৰ্য্যাতিত লোক কেইজনক নগাওঁ জেলত ৰখা হৈছিল। মই বেলত সেই নিৰ্য্যাতিত লোক কেইজনক মুক্তি কৰি দিবৰ কাৰণে ব্যৱস্থা কৰিবলৈ গুৱাহাটী হাইকোৰ্টৰ জাজ কে লাহিৰি ডাঙৰীয়াৰ পৰা পৰামৰ্শ লৈছিলো। কিন্তু তেতিয়াৰ আছুৰ লৰা সকলৰ কাৰণে এই কেচটো মীমাংসা কৰিব নোৱাৰিলো।

শ্ৰীপ্ৰফুল্ল মহন্ত : Point of order Sir, মাননীয় অধ্যক্ষ মহোদয়, পাব্লিকৰ হেচাত কৰ্টে জাৰ্জমেণ্ট দিব পাৰে নেকি ?

মাননীয় অধ্যক্ষ : তেখেতক বক্তব্য শেষ কৰিবলৈ দিয়ক।

* শ্ৰীচামচুল হুডা : মাননীয় অধ্যক্ষ মহোদয় বৰ্তমান চৰকাৰে যদি কাৰোবাক ৰাষ্ট্ৰবিৰোধী কামত আটক কৰে তেতিয়াই এই বিৰোধী পক্ষৰ সদস্য সকলে মানব অধিকাৰৰ দোহাই দি কিয় কেনেকৈ আৰু ক'ত গ্ৰেপ্তাৰ কৰিলে তাৰ কৈফিয়ৎ দিবলৈ জোৰ কৰে। কিন্তু তেতিয়া সেই গণ পৰিষদ চৰকাৰৰ সদস্য সকলে শাসনত অধিষ্ঠিত হৈ থাকোতে মানব অধিকাৰ আৰু বিশেষ অধিকাৰৰ অধিনত আটক কৰিব পাৰেনে নোৱাৰে সেই কথাৰ ওপৰত গুৰুত্ব দিয়া নাছিল কিয় ? নাইবা সেই বিশেষ অধিকাৰৰ কথাত বা মানব অধিকাৰৰ বিষয়ে কোনো কথা নাজানিছিল নেকি ? বৰ্তমান তেওঁলোকে তুথা লোকক দোষী সাব্যস্ত কৰিলেও আইন শৃংখলা ভংগ হোৱাৰ ভয়ত হৈ চৈ লগায়।

মাননীয় অধ্যক্ষ মহোদয়, এটা আত্মাই অন্য এটা আত্মাক হত্যা কৰিবৰ উপক্ৰম কৰিলে। মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত যিবিলাক কাম হাতত লৈছে, এই গোটেই কথাবিলাক মাননীয় ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট কৰা হৈছে। বৰ্তমান আৰু ভৱিষ্যতৰ কথাবিলাকো ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে। ১৯৫৯ চনত কটন কলেজত এখন চিমপোজিয়াম হৈছিল কলেজৰ প্ৰিন্সিপাল আৰু প্ৰাক্তন প্ৰিন্সিপাল আৰু যুবক সাহিত্যিক সকল সকলো তাত উপস্থিত আছিল। সেই চিমপোজিয়ামত উপস্থিত থকা অবসৰপ্ৰাপ্ত প্ৰিন্সিপাল সকলৰ পিচফালে বহি থকা যুব সাহিত্যিক সকলে চিগাৰেট খাইছিল আৰু চিগাৰেটৰ ধোঁৱা তেওঁলোকৰ মুখত লাগিছিলগৈ। ঠিক সেই সময়তে চিমপোজিয়ামত হোমেন বৰগোহাঁয়ে ভাষণ দিবলৈ উঠিল আৰু চৈয়দ আব্দুল মালিকৰ 'সেই

* Speech not corrected.

তুখন ভৰি'ৰ উপন্যাসৰ নগ্ন ভৰি তুখনৰ কথা উন্নুকিয়ালে। সেই তুখন ভৰি কিমান সুন্দৰ। এগৰাকী মাতৃয়ে সন্তান প্ৰসৱ কৰিবৰ সময়ত যি যন্ত্ৰনা পাই পিচত কি মহান আৰু সুন্দৰৰ আবিৰ্ভাৱ হয় তাক নগ্ন বুলি কোৱা নহয়। নগ্ন কেতিয়া কোৱা হয় যি সকলে সন্মান কৰিব নাজানে আৰু যিসকলে আনৰ কবিতা চুৰ কৰি প্ৰকাশ কৰে নিজৰ নগ্নতা প্ৰকাশ কৰে সেই সকলকহে নগ্ন বুলি কোৱা হয়। অসমৰ ৰাইজৰ জ্ঞাত যে আমাৰ মূখ্যমন্ত্ৰীৰ ভাই ভতিজা ভনি বায়েক প্ৰায় সৰহ সংখ্যক পৰিয়ালৰ লোকেই হত্যাৰ বলি হ'ল কিন্তু তেওঁলোকৰ মৃত্যুত কোনেও সহাৰী নজনালে আৰু কিমান সংখ্যক কংগ্ৰেছ কৰ্মী সমাজ সেৱক হত্যাৰ বলি হ'ল তাত কোনেও সমবেদনা নজনালে। কেতেকী চৰাই জনীয়ে অবতৰত কেতেকী ফুল ফুলাই ৰজাৰ কন্যাক বচাবলৈ যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি কেতেকী চৰাইজনীয়ে ৰক্ষা কৰিলে, কিন্তু ৰজাৰ পুত্ৰই দিয়া প্ৰতিশ্ৰুতি ৰক্ষা নকৰি ফুলপাহ কাটি কন্যাক বচাবলৈ লৈ গ'ল কিন্তু কেতেকী জনীক বচাবলৈ অলপো চেষ্টা নকৰিলে। আজি দেশ ৰক্ষা কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই ৰাজ্যখনত এটা শান্ত বাতাবৰণ আনিছে যিটো নেকি আমাৰ প্ৰতিশ্ৰুতি আছিল যে ৰাজ্যখনত শান্তি সম্প্ৰীতি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত সুন্দৰ বাতাবৰণ ঘূৰাই অনা হব আৰু সেইটো আজি প্ৰকাশ পাইছে। কিন্তু তাৰ বিপৰীতে বিৰোধী পক্ষৰ সদস্য সকলে অশান্তিৰ বাতাবৰণ সৃষ্টি কৰিবৰ কাৰণে অপচেষ্টা চলাইছে। বৰ্তমান চৰকাৰে চাউলৰ কেজি দুটকা দৰত দিব বুলি উল্লেখ কৰিছে। এই দুটকা দৰৰ চাউল যোগ্য সকলে পাইছে আৰু পাবও। কিন্তু ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ এ, জি, পিৰ দিনত চাউলৰ কেলেংকাৰীৰ কথা শুনিছিলো, হোটেলত থাকি লাখ লাখ টকা আত্মসাত কৰাৰ কথা শুনিছিলো। আপোনালোকে জানে যে গাওঁ পঞ্চায়ত নিৰ্বাচনে বৰ্তমান চৰকাৰৰ জনপ্ৰিয়তা প্ৰমাণ কৰি দিছে। ৰাজ্যপালৰ ভাষণত এই বিষয়ে উল্লেখ কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ ভৱিষ্যত গনতান্ত্ৰিক গাঠনিৰ কথা উন্নুকিয়াইছে আৰু ভৱিষ্যত উঠি অহা নতুন পুৰুষক দেশৰ ভৱিষ্যত গঠন কৰাৰ ক্ষেত্ৰত যে মনোযোগ দিব লাগে আৰু এক আত্মাই যে আন আত্মাক হত্যা কৰা কথাটো ঘোৰ অন্যায় সেইটো বুজাব পাৰিছে আৰু এতিয় তেওঁলোকে আলোচনা কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। কিন্তু বিৰোধী মনোভাবৰ লোক সকলে এই লৰাহতৰ মনত উদয় হোৱা মনোভাৱৰ প্ৰতি বিৰক্ত হৈ ৰাজ্যপালৰ ভাষণক কটু সমালোচনা কৰিছে।

* Speech not corrected.

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনত ৰাজহ বিভাগৰ সম্পৰ্কত ১৯৯১ চনৰ পৰা ৰাজহ আদালত নামৰ পদ্ধতিৰ কথা উল্লেখ কৰিছে আৰু ভূমি ৰাজহ প্ৰশাসনৰ গঠনৰ প্ৰণালী পৰ্য্যালোচনা কৰিবলৈ আৰু ভূমি সংস্কাৰৰ ৰূপায়নৰ বিষয়ে পৰামৰ্শ আগবঢ়াবলৈ অসম ভূমি আইন আৰু ৰাজহ প্ৰশাসনৰ এটি নতুন আয়োগ প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা আছে বুলি কৈছে। ৰাজহৰ লেণ্ড ৰিকুইজিশ্যন বা ৰাজহ আদালত ইত্যাদিৰ যেতিয়ালৈকে কটকটীয়া ব্যৱস্থা নহয় তেতিয়ালৈকে এই দৰিদ্ৰ জনসাধাৰণৰ বিপদৰ ওৰ নপৰিব। বিগত দিনত মই নিজে নামজাৰিৰ কেচ লৈছিলো তেতিয়া আমি দেখিছিলো, মই নিজে অধিবক্তা হিচাবে চিফ্ জাচটিচৰ কোৰ্টত থিয় হৈ এজন সাক্ষী দিয়াৰ কথা কৈছিলো। তেতিয়া তেওঁলোকে কাষৰ সাক্ষী নিদি ১৫ ১৬ ঘৰ পশ্চিমৰ ফালৰ পৰিয়ালৰ সাক্ষী দিলে, তেতিয়া মই জনাইছিলো যে পশ্চিমৰ ফালৰ পৰা কাষৰ ঘৰৰ পৰা সাক্ষী দিব লাগে, তেতিয়া তেওঁলোকে কলে যে পশ্চিমৰ ফালৰ পৰা সাক্ষী দিব লাগে যেতিয়া আমি লণ্ডনৰ ফালৰ পৰাও সাক্ষী আনিব পাৰো ইয়াত কোনো আপত্তি নৰজিব, ফলত সেই কেচ বিলাকৰ নিষ্পত্তি নহ'ল। এনেধৰণে দৰিদ্ৰ জনসাধাৰণৰ ৰাজহ সম্পৰ্কীয় গোচৰ সমূহ নিষ্পত্তি নোহোৱাকৈ পৰি থাকিল যাৰ ফলত দৰিদ্ৰ জনসাধাৰণে আজিয়ো জীয়াতু ভুগিব লগা অৱস্থাত আছে আৰু সেয়েহে বৰ্তমান চৰকাৰে ভূমি নীতিৰ নতুন ব্যৱস্থা লব বিচাৰিছে। চৰকাৰে ৰাজহ আদালতৰ এক সুন্দৰ ব্যৱস্থা কৰিছে। সেই সময়ত আমাৰ চৰকাৰে লৰাহঁতৰ চেষ্টাত আপত্তি নকৰি চুক্তি কৰাৰ কাৰণে আগবাঢ়ি আহিল কিন্তু চুক্তি অনুসৰি লৰাহঁতে আগনাবাঢ়িলে। অসম ৰাজ্যখনৰ নিৰাপত্তাৰ কাৰণে যিবিলাক ব্যৱস্থা আছে, সেইবিলাক সুন্দৰ ব্যৱস্থা অসমৰ কালচাৰৰ কথা কৈছে, সেই কালচাৰ কেতিয়াও নষ্ট হব দিব মালিগাওঁ আৰু নগাওত এসময়ৰ মুখ্যমন্ত্ৰী আৰু গৃহ মন্ত্ৰীয়ে শংকৰ আৰু মাধৱদেৱৰ অৱতাৰ বুলি জনৰব উঠিছিল—শংকৰদেৱ ভৈলা অৱতাৰ, ইয়াৰ কৰিও উদ্ধাৰ জগতক। কিন্তু জগতক উদ্ধাৰ কৰিবলৈ গৈ তেওঁলোকে শিবিৰ পাতি আলফাক বহুৱালে। প্ৰাক্তন অধ্যক্ষ পুলকেশ বৰুৱাই এনেকুৱা এখন উজ্জ্বল আসনত বহি শংকৰ মাধৱৰ নাম লৈ বিভিন্ন ধৰণৰ সুবিধা ললে কিন্তু বাকী সকলক সহায় নকৰাৰ কাৰণে তেওঁলোকে অস্ত্ৰ হাতত লৈ জঙ্গললৈ গ'ল। আৰু তেতিয়া দেশৰ উন্নয়নত বাধা দি অবাধে হত্যালীলা আৰম্ভ হ'ল। জাগীৰ'ড, নেলী ইত্যাদি ঠাইত বাংলাদেশী বুলি হত্যালীলা লুণ্ঠন অবাধে চলিল। এক দুস্কৃতিকাৰী আত্মাই আন আন পবিত্ৰ আত্মাক হত্যা কৰিলে। ঠিক তেনে সময়তে হিতেশ্বৰ শইকীয়াৰ আত্মাই পবিত্ৰ আত্মালৈ সহযোগিতা আগবঢ়ালে। এই তিনি আত্মাৰ মীমাংসাৰ কাৰণে সময় আহি পৰিল কিন্তু

দুস্কৃতি পৰায়ন আত্মাই এই মীমাংসাত বাধাস্বৰূপে থিয় হ'ল যদিও দুস্কৃতি পৰায়ন আত্মাই বাধা দিব নোৱাৰিব। তেওঁলোকে এতিয়া তৰ্জন গৰ্জন কৰিছে। সংস্কৃতি আৰু সংস্কৃতিৰ মাজত যুদ্ধ নহয়, যুদ্ধ হয় সংস্কৃতি আৰু দুস্কৃতিৰ মাজতহে। মাননীয় সদস্য আব্দুল জেলিল ৰাগিবীয়ে চায়েৰীৰে সুন্দৰ উপমা ভাঙি ধৰিছে। সেইকাৰণে অধ্যক্ষ মহোদয়, মই আৰু বেচি সময় নলওঁ ফিয়নো মোৰ পিচত মাননীয় সদস্য সকলৰ বক্তব্য আছে। গতিকে ৰাজ্যপাল মহোদয়ৰ ভাষনৰ ওপৰত মোৰ পূৰ্ণ সমৰ্থন জনাই আৰু মাননীয় সদস্য নাগ বংশী ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱটি অন্তকৰনেৰে সমৰ্থন জনাই আৰু ওলগ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীজিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, সদনত উপস্থিত নথকা ব্যক্তিৰ বিষয়ে অভিযোগ ননাই ভাল। মই আশা কৰো তেওঁ কেবিনেট মন্ত্ৰীৰ আশা কৰিব পাৰে কিন্তু অনুপস্থিত ব্যক্তিৰ বিষয়ে সদনত অভিযোগ অনাটো উচিত নহয়।

Mr. Speaker : Now Honourable Member Shri Kali Ranjan Deb.

* শ্ৰীকালিৰঞ্জন দেব : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়েৰ ভাষণেৰ উপৰ বিতৰ্কে অংশ গ্ৰহণ কৰে বলতে চাই যে বৰ্তমান সৰকাৰেৰ অনেক আশ্বাস কাৰ্য্যক্ষেত্ৰে পৰিণত হয়নি। যেমন সৰকাৰ বলেছিলেন যে ১৯ নবেম্বৰ ১৯৯১ ইং'ৰ ৫৩ হাজাৰ বেকাৰ যুবকদেৰে চাকৰী দেওয়া হবে। কিন্তু বৰ্তমানে ৰাজ্যপালেৰ ভাষণে বলা হয়েছে যে এখন পযন্ত প্ৰায় ৫০ হাজাৰ লোকেৰ কৰ্ম-সংস্থাপনেৰ ব্যৱস্থা কৰা হয়েছে। চাকৰী দেওয়া হয় নি। এই ক্ষেত্ৰে সৰকাৰেৰ ব্যৰ্থতা প্ৰস্ফুটিত হয়েছে। অৰ্থনৈতিক ব্যাপাৰে সৰকাৰ বলেছিলেন—

( Every adult member of a family living below the poverty line will be given 15 kgs of rice per month at the rate of Rs. 2 kgs. কিন্তু এখানে কোনো লিমিটেশন ছিলোনা। adult member of a family will be given 15 kgs. of rice at the rate of Rs. 2 per kgs. those who are living below the poverty line. কিন্তু একটা সৰকাৰী নিৰ্দেশ দেওয়া হয়েছে যে ২৫ কজি'ৰ উপৰ কোনও ফেমিলিকে দেওয়া হবে না। সেই ফেমিলিৰ সদস্য ১০।১৫।২০।২৫ যাই হোক না কেন। সুতৰং এই ব্যপাৰটা ৰাজ্যপালেৰ এস্যুৰেন্সেৰ পৰিপন্থী। দৰিদ্ৰ সীমাৰেখাৰ নীচে যাৰা আছেন, আমি শিলচৰ আৰবান এৰিয়াৰ কথা

* Speech not corrected.

বলছি। সেখানে এ পর্য্যন্ত মাত্র ১৪৯ টি পৰিবাৰকে চাল দেওয়া হয়েছে। অথচ আমাৰ জানামতে শিলচৰ শহৰে কেবল দিন মজুৰদেৰ সংখ্যা হলো ২ হাজাৰেৰ বেশী যাৰা দৰিদ্ৰ সীমাৰেখাৰ নীচে বসবাস কৰছে। কিন্তু সৰকাৰ এদেৰ জন্য কোনও ব্যৱস্থা কৰেন নি।

মহোদয়, সৰকাৰ আৰেকটা নির্দেশ দিয়েছেন যে প্রত্যেকটি গ্ৰাম থেকে অন্ততঃ এটি ফিমিলিকে এই আওতায় এনে চাল দেওয়াৰ ব্যৱস্থা কৰতে হবে। এটা একটা আইওৱাশ। প্ৰকৃতপক্ষে সৰকাৰেৰ কাজ এবং কথায় কোনও মিল নাই। এইভাবে মানুষকে সৰকাৰ আশ্বাস দিয়ে প্ৰবঞ্চনা কৰছে।

মাননীয় শিক্ষামন্ত্রী মহোদয় বলেছেন যে উনি বিৰোধী দলেৰ সদস্যদেৰে এলিমেণ্টাৰী এডুকেশন বোর্ডে একমোডেট কৰতে পাৰেন নি। তাদেৰেই কেবল একমোডেৰ কৰতে পেৰেছেন যাদেৰ শিক্ষাগত যোগ্যতা বড়জোৰ ক্লাশ ফোৰ বা ফাইভ (ভয়েস—ঠেলাওয়ালা, ৰিক্সাওয়ালাও আছে) জানিনা, তবে ড্ৰাইভাৰ আছে।

মাননীয় অধ্যক্ষ : আপনি আমাৰ দিকে তাকিয়ে বলুন।

* শ্ৰীকালি ৰঞ্জন দেব : সুতৰাং এমন একজন ড্ৰাইভাৰ সদস্য একজন প্ৰার্থীৰ ইন্টাৰভিউ নিতে গিয়ে প্ৰশ্ন কৰেছেন—'সোনাই থেকে শিলচৰ গাড়ী নিয়ে যেতে কত সময় লাগে?' প্ৰার্থী উত্তৰে বলেছে — 'উত্তৰটা আপনিই ভাল বলতে পাৰবেন, কাৰণ আপনাৰ অভিজ্ঞতা আছে।' আৰেকজন প্ৰশ্ন কৰেছেন—'গৰু কত প্ৰকাৰ?' উত্তৰে প্ৰার্থী বলেছেন—৩ প্ৰকাৰ। ১। যাৰা মাঠে ঘাস খায়, ২। আমাৰ মতো প্ৰার্থী আৰ, ৩। আপনাৰ মতো সদস্য। একজন সদস্য ইন্টাৰভিউ নিতে গিয়ে বলেছেন—'ধনিয়া পাতা কি কৰে খায়?' প্ৰার্থীৰ উত্তৰ—'বাড়ীতে গিয়ে জিজ্ঞেস কৰুন। এই সমস্ত লোকেৰ এলিমেণ্টৰী এডুকেশ্যন বোর্ডে প্ৰার্থী সিলেকশ্যনেৰ জন্য যোগ্যতা ৰয়েছে বলে বিবেচনা কৰা হয়েছে অথচ নির্বাচিত বিৰোধী দলেৰ সদস্যৰা যোগ্য বলে বিবেচনা কৰা হয়নি। আৰ এইসব লোকেৰ দ্বাৰা যে সব শিক্ষক নিযুক্তি পাবে তাৰা যে ৰাজ্যেৰ শিক্ষা ব্যৱস্থাকে কোথায় নিয়ে যাবে তা এই সদনেৰ বিবেচনাৰ বিষয় হয়ে দাড়িয়েছে।

মহোদয়, আমৰা যাৰা বৰাক ভেলীতে বসবাস কৰছি আমাদেৰ মনে হচ্ছে যে আমৰা মধ্যযুগে বসবাস কৰছি। বিশেষ কৰে বৰাকভেলীতে ৰাস্তা-ঘাটেৰ অৱস্থা আগেৰ চেয়েও দিনেৰ পৰ দিন খাৰাপ হচ্ছে। হাইলাকান্দি থেকে নির্বাচিত মন্ত্ৰী গৌতম ৰায় বসে আছেন, তাৰ অঞ্চলে ৰাস্তাৰ অৱস্থাও খুবই খাৰাব।

---

* Speech not corrected.

হাইলাকান্দি শিলচর রাস্তার অবস্থা অত্যন্ত খারাপ। গাড়ী চলাচল প্রায় বন্ধ।

* শ্রীগৌতম রায় ( রাজ্যিক মন্ত্রী ) : এখন ভাল। গাড়ী চলাচল আগে বন্ধ ছিল।

* শ্রীকালি রঞ্জন দেব : আপনার বাড়ী পর্যন্ত গাড়ী চলে। এর বেশী যায় না। এ ব্যাপারে বিভাগীয় কর্তৃপক্ষকে কিছু বলা হলে উত্তর আসে 'টাকা নাই'।

মহোদয়, বন্যা নিয়ন্ত্রণ বিভাগের কথা বলছি। বরাকের ইরোশনের ফলে শিয়ালটেক, কাটিগড়া বাজার ইরোডেড হচ্ছে। আমি চীফ ইঞ্জিনীয়ার এডিশনেল সি ইকে এই ব্যাপারে বলেছি। কিন্তু তাদের একই উত্তর—টাকা নাই।' অথচ কাটিগড়া বাজার ইরোশনে বিপন্ন হয়েছে। কেবল আশ্বাস দেওয়া হয়, কিন্তু কোন কাজ হয় না। তাই বলতে চাই যে রাজ্যপালের ভাষণ জনসাধারনের আশা আকাংখাকে সন্তুষ্ট করতে পারেনি। সন্তুষ্ট করতে হলে ভাষনের কাজগুলি কার্য্যে রূপায়িত হতে হবে। এই বলে আমি রাজ্যপালের ভাষনের উপর আনা ধন্যবাদ প্রস্তাবের বিরোধীতা করে আমার বক্তব্য শেষ করছি।

Mr. Speaker : Now Honourable Member Shri Chandra Mohan Patowary.

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদনত ৰাজ্যপালৰ ভাষনৰ ওপৰত যি বিতর্ক হৈছে, ৰাজ্যপালৰ ভাষনৰ যি মূল নীতিৰ ক্ষেত্ৰত বিসংগতি থকাৰ কাৰণে এই ভাষনৰ ওপৰত আমি কেইটামান সংশোধনী এই সদনত ডাঙি ধৰিবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ যি জটিল সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা হাতত লৈছে সেই সম্পর্কত মোৰ দ্বিমত নাই কিন্তু দ্বিমত এটা কথাত দেখিবলৈ পাইছো আৰু কিছুমান আসোঁৱাহ দেখিবলৈ পাইছো সেইটো হ'ল—আজি অসমত আলফা সমস্যা সংক্রান্তত অসমৰ সমগ্র ৰাইজৰ মাজত এটা কনফিউজন সৃষ্টি হৈছে। প্ৰকৃতার্থত এই বিষয়টোৰ কি হৈছে? কিয়নো আমি দেখিবলৈ পাইছো যোৱা ভালেমান দিন ধৰি চৰকাৰৰ ফালৰ পৰা এই সম্পর্কত যিবিলাক বিবৃতি ডাঙি ধৰা হৈ আছে সেইবিলাকৰ পৰা ৰাইজৰ মাজত বেচিকৈ কনফিউজনৰ সৃষ্টি হৈছে। কাৰণ কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কলে এটা আৰু অসমৰ মুখ্যমন্ত্ৰীয়ে কলে আন এটা কথা, গতিকে এই বিলাকৰ পৰা আমাৰ ৰাইজৰ মাজত কনফিউজনৰ সৃষ্টি হৈছে।

অধ্যক্ষ মহোদয়, যেতিয়া ভাৰতৰ গৃহমন্ত্ৰীয়ে কলে যে আলফা আৰু চৰকাৰৰ মাজত কি হৈছে মই নাজানো! আনহাতে আমাৰ মুখ্যমন্ত্ৰীয়ে কৈছে সকলো ঠিক হৈ যাব। দৈনিক অসম বাতৰি কাকতত প্ৰকাশ পাইছে যে কলিকতাত

* Speech not corrected.

সাংবাদিকৰ আগভ আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ৩১ মাৰ্চৰ ভিতৰত সকলো কথা সমাধান হব। কিন্তু কথা হৈছে আলফা সমস্যা সমাধান কৰিব বিচাৰিছে নে জটিলৰ ফালে টানি লৈছে সেই বিষয়ত সন্দেহ হৈছে। যিটো কথা অতি গোপন সদনেও নাজানে। কিন্তু কলিকতাৰ সাংবাদিকৰ আগত কোৱা হৈছে। তাৰোপৰি আমাৰ বড়ো আলোচনা আছে আৰু এ, এছ, দি, চি আলোচনা আছে। এই আলোচনাত যিমানখিনি গুৰুত্ব দিব লাগিছিল সিমানখিনি গুৰুত্ব দিয়া নাই। ত্ৰিজনীয়া কমিটীয়ে কোনো সমস্যা সমাধান কৰিব পৰা নাই। ৰাজ্যপালৰ ভাষণৰ এটা গুৰুত্বপূৰ্ণ কথা মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে কব বিচাৰিছো। এই ভাষণ মানৱ অধিকাৰৰ প্ৰশ্নটো সম্পূৰ্ণৰূপে নাকচ কৰা হৈছে। আজি অসমত মানৱ অধিকাৰ নাইকিয়া হৈছে। আজি যদি কোনোবাই তীক্ষ্ণ ভাষাৰে শুদ্ধ কথা কয় তেনেহলে তেওঁক দেশদ্ৰোহী বুলি কোৱা হয়। অসমত বিধান সভাৰ অধিবেষণ নপতা, বিধায়কৰ ওপৰত লাঠি চাৰ্জ আদিয়ে সংবিধান ভংগ কৰাৰ প্ৰস্তুতি দেখা পাইছো। এই সম্পৰ্কত দুটা প্ৰশ্ন কৰিব বিচাৰিছো এন, এছ, এক্ট দি তেনে কৰি grounds of detention that cannot be a subject of interrogation by police...কিন্তু আজি মানৱ অধিকাৰ সম্পূৰ্ণৰূপে খৰ্ব কৰা হৈছে। মই অনুৰোধ কৰিব বিচাৰিছো যে Universal Declaration of Human Rights 1948. ভাৰতবৰ্ষই এই চুক্তিত স্বাক্ষৰিত কৰিছে আৰু ভাৰতৰ অংগ ৰাজ্য অসমেও স্বাক্ষৰিত কৰিছে "Article 5—No one shall be subjected to torture or to cruel, inhuman or degrading treatment or punishment. ইয়াত যিটো প্ৰভিজন আছে সেইটো অসম চৰকাৰে মানি লব লাগিব।" Article 12—No one shall be subjected to arbitrary interference with his privacy, family, home or correspondence, nor to attacks upon his honour or reputation. Everyone has right to the protection of law against such interference attack. ভাৰতবৰ্ষ এখন চুক্তিত স্বাক্ষৰিত দেশ হিচাবে অসমত আজি এই আৰ্টিকুল বিলাকৰ বিলাকৰ মূল্য নাই নেকি? আজি ভাৰতীয় সংবিধানৰ ১৯ আৰু ২১ আৰ্টিকুলৰ মূল্য নোহোৱা হৈছে অসমতো যে ইয়াৰ মূল্য নোহোৱা হৈছে তাৰ উদাহৰণ দিব বিচাৰিছো। মাননীয় সদস্য ৰাগিণী ডাঙৰীয়াই কৈছে যে বিৰোধী পক্ষৰ সদস্য সকলৰ বিকৃতি ঘটিছে, কিন্তু বিবৃতিৰ সমালোচনা কৰা মানে বিকৃতি নহয়। সমালোচনা শুনি যিসকলে ভালখিনি লব পাৰে সেইখিনিহে সুস্থ মস্তিষ্কৰ মানুহ। অশালীন ব্যৱহাৰ কৰাটো সুস্থ মস্তিষ্ক

নহয়। মাননীয় সদস্য ৰাগিবী দেৱ বিৰোধী পক্ষত থাকোতে মই এখন ৩০ খন বিচনাযুক্ত হস্পিতেলত মিটিং কৰিছিলো। তেতিয়া দেখিলো যে ৰাগিৱী দেৱ দূৰত থিয় দি আছে। তেখেতক মই মাতি আনি মোৰ কাষৰ চকিতে বহুৱালো। কথা হৈছে সায়েৰী গালেই মানুহ পণ্ডিত হব নোৱাৰে। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত মানুহৰ চিভিল ৰাইট, লিবাৰ্টি নাইকিয়া হৈ গৈছে। এই বাজেটখন ধুনীয়া হৈছে বুলি কলেই নহব। In our day, political rights without social rights justice under Law without social justice and political democracy with economic democracy no longer have any true meaning. That is the political situation in Assam now. ইয়াত কোনো আষ্টিচ নাই ৰাইট নাই। দুজন সম্পাদকে তীক্ষ্ণ ভাষাৰে লিখা বাবে স্থমুৱাই দিছে, হাই কোৰ্টৰ উকিলে কেছ কৰা কাৰণে স্থমুৱাই দিছে। আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য সকলে ট্ৰেজেৰী বেঞ্চৰ পৰা যিবিলাক কথা কৈ আছে ই মুখ্যমন্ত্ৰী মহোদয়ৰ ক্ষতি কৰিছে। এইখিনিতে মোৰ এটা কথালৈ মনত পৰিছে "এজন ৰজা চকিত বহি আছিল, শুনিলে যে শিয়ালে হুৱা দিছে। মন্ত্ৰীক সুধিলে শিয়ালে কিয় হুৱা দিছে। মন্ত্ৰীয়ে কলে সিহঁতৰ জাৰ লাগিছে। ৰজাই কলে যে সিহঁতক কাপোৰ দিব লাগে। পিচ দিনা একেদৰে ৰজাই শিয়ালৰ হুৱা শুনিলে আৰু মন্ত্ৰীক সোধাত মন্ত্ৰীয়ে কলে সিহঁতৰ ভোক লাগিছে। ৰজাই খাদ্য দিবলৈ কলে। পিছদিনা ৰজাই একেদৰে শিয়ালৰ হুৱা শুনিবলৈ পায় মন্ত্ৰীক সুধিলে কিয় হুৱা দিছে। মন্ত্ৰীয়ে কলে ৰজাৰ জয় হওঁক বুলি চিঞৰিছে। গতিকে যিসকল এম, এল, এ মন্ত্ৰী হোৱাৰ আশাত চিঞৰিছে একচুৱেলি সিহতে বেয়া কৰিছে।

( সময়ৰ সংকেট )

*শ্ৰীচন্দন চৰকাৰ : অধ্যক্ষ মহোদয় আমি যদি ট্ৰেজেৰী বেঞ্চৰ পৰা ক্ষতি কৰি আছো তেনেহলে তেখেতো আমাৰ ইয়ালৈ আহক।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : ৰাজ্যপালৰ ভাষণত হস্পিতাল কৰাৰ কাৰণে পইছা দিয়া নাই কিন্তু ৯ কোটি ৫০ লাখ টকা আৰু ইউ এন এফ প্ৰ'গ্ৰেমৰ পৰা ১৩৯ কোটি টকা ( UNFP Programme ) এই পইছা এতিয়াও পৰি আছে। কেন্সাৰ হস্পিতালৰ কাৰণেও সকলো ঠিক কৰি পইছা চেংশ্যন কৰা হ'ল কিন্তু চৰকাৰে পইছা আনিব পৰা নাই। ডি, আৰ, দি, এৰ ক্ষেত্ৰতো একে অৱস্থা। জহৰ ৰোজগাৰ যোজনাৰ কথাও উল্লেখ কৰিছে। আমাৰ হাতত ও বহু তথ্য আছে। কিন্তু উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোনো পলিচি নাই।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত উদ্যোগৰ ক্ষেত্ৰত বিশেষ কথা

* Speech not corrected.

উল্লেখ নাই। মই মানি লৈছো ইক'নমিক কাট সকলো ৰাজ্যতে হৈছে কিন্তু আপুনি দেখিব অধ্যক্ষ মহোদয়, উত্তৰ প্ৰদেশত যদি ১০ কোটি কাটে তেন্তে অসমত তাতকৈ বেছি কাটিব। ( সময় সংকেট )। ২ টকা কিলোৰ চাউল কিমান মানুহে খাবলৈ পাইছে? চৰকাৰে এই বিষয়ে আৰু কিমান বক্তব্য দিব? ট্ৰেজেৰী বেঞ্চৰ ডাঃ দে চাহাবক এই বিষয়ে সুধিলে তেখেতে মিচিকিয়া হাঁহি মাৰে ( সময় সংকেট ) মই আৰু বেছি নকওঁ মোৰ ভাষণ শেষ কৰিছো যদিও কবলৈ আৰু বহুত কথা বা বিষয় আছিল। মই এটা কথা কৈছো মাননীয় অধ্যক্ষ মহোদয় আমাৰ হিউমেন ৰাইট যাতে থাকে। ইন্টাৰনেচনেল ক্ৰিমিনেল এচ, ৰাষ্ট্ৰৰ দৰে লোককো হেণ্ডকাফ দি আদালতলৈ নিবলৈ দিয়া নাছিল চুপ্ৰিম কৰ্টৰ বিচাৰপতি শ্ৰী কে, আয়াৰে। Justice Krishna Iyer commented in Sunil Butler Case, who was a known convict that "animalisation of human being and Zoological treatment."

( সময় সংকেট )

অধ্যক্ষ মহোদয়, মই বহিছো পুনৰ আপোনাক অনুৰোধ কৰিছো আপুনি যাতে আমাৰ হিউমেন ৰাইট ৰক্ষা কৰে। ধন্যবাদ।

Mr. Speaker : Now Honourable Member, Shri Liyakat Ali Khan.

* শ্ৰীলিয়াকত আলি খান : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত আইন শৃংখলা সম্পৰ্কত যিটো লিখিছে — মই কিন্তু আইন শৃংখলা সম্পৰ্কত এটা বস্তু দেখিবলৈ পাইছো যিসকল আজি চৰকাৰৰ পক্ষত তেওঁলোকৰ ক্ষেত্ৰতহে আইন শৃংখলা আছে। অন্যৰ ক্ষেত্ৰত এই আইন শৃংখলা কিমানখিনি আছে নাই সেইটো ৰাইজেই জানে। বৰ্তমান চৰকাৰৰ যিসকল এম, এল, এ তেওঁলোকে আইন শৃংখলা দেখিবলৈ পাইছে। কিন্তু বিৰোধী পক্ষই আইন শৃংখলা ৰাজ্যখনত দেখিবলৈ পোৱা নাই। এ, জি, পি চৰকাৰৰ দিনটো আইন শৃংখলা একেকুৱাই আছিল। আইন শৃংখলাটো সদায় একপক্ষীয়ভাৱে থাকে মানে চৰকাৰৰ পক্ষে ব্যৱহৃত হয়। আজি অসমত আইন শৃংখলা জনসাধাৰণৰ পক্ষে গণতান্ত্ৰিক ভাৱে ব্যৱহাৰ কৰা হোৱা নাই। চৰ উন্নয়নৰ ক্ষেত্ৰত মই কব খোজো যে চৰবাসীক মাটিৰ পট্টা দিয়া হব বুলি আগৰ ৰাজ্যপালৰ ভাষণতো কোৱা হৈছিল আৰু এতিয়াও কোৱা হৈছে কিন্তু কাৰ্য্যক্ষেত্ৰৰ এই লোক সকলক এতিয়ালৈকে মাটিৰ পট্টা দিয়া হোৱা নাই। কেৱল আশ্বাসহে আমি পাই আহিছো। এই ৰাজ্যপালৰ ভাষণটো আমি আশ্বাসেই পাইছো। মাটিৰ পট্টা কিন্তু পোৱা নাই। কিমানক মাটিৰ পট্টা দিয়া হৈছে

* Speech not corrected.

তাৰ কোনো তথ্য উল্লেখ নাই। দ্বিতীয় কথা হৈছে— মাইন'ৰিটি উন্নয়নৰ নামত আমি এটা বস্তু পাইছো সেইটো হৈছে—২০-২৫ খনমান মাদ্ৰাছা স্কুলত পকী পায়খানা কৰা হব। মাইন'ৰিটি অঞ্চলত ৰাস্তা ঘাট, খোৱা পানী, স্বাস্থ্যকেন্দ্ৰ ইত্যাদি নাই বুলিয়েই কব পাৰি। তথাপি মাইনৰিটি উন্নয়নৰ নামত মাদ্ৰাছাত ২৫ টা মান পকী পায়খানা হব— এইটোকেই আমি ভাল পাইছো। এতিয়া চাকৰি বাকৰিৰ কথালৈ আহো— কিছুমান এল, পি স্কুল লোৱা হৈছে আৰু কিছু লোৱা হব— প্ৰতিজন এম, এল, এক এল, পি স্কুল চৰকাৰীকৰণ কৰিবলৈ দিয়া হব। এইবোৰ কাম কৰিব লাগে বিষয়া সকলে কিন্তু কৰিবলৈ লৈছে এম. এল. এ আৰু মন্ত্ৰীয়ে। স্কুল চৰকাৰীকৰণৰ ক্ষেত্ৰত, চাকৰি দিয়াৰ ক্ষেত্ৰত এম, এল, এ বা মন্ত্ৰীৰ হস্তক্ষেপ আমি দেখিবলৈ পাইছো। বিষয়াসকলে নিয়ম-নীতি অনুযায়ী কাম কৰিব লাগে কিন্তু বিষয়াক এই কথা সুধিলে তেওঁলোকে কয় যে ওপৰৰ পৰা অৰ্ডাৰ নিদিলে তেওঁলোকে একো কৰিব নোৱাৰে।

( সময় সংকেট )।

মাননীয় মুখ্যমন্ত্ৰীয়ে চাকৰি দিয়াৰ ক্ষেত্ৰত জনসংখ্যা ভিত্তিত দিয়া হব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু ৰাজ্যপালৰ ভাষণত এইটো কথাৰ উল্লেখ নাই। সংখ্যালঘু লোক সকলক জনসংখ্যাৰ ভিত্তিত চাকৰি দিয়া হব বুলি ৰাজ্যপালৰ ভাষণত ক'তো উল্লেখ নাই। এইটো থাকিব লাগিছিল। নিয়ম নীতি মতে চাকৰি দিয়া হলে আমাৰ লৰা-ছোৱালীয়েও চাকৰি পালেহেঁতেন— মেৰিটত। কিন্তু যিহেতু এই নিয়ম নাই সেয়ে আমাক জনসংখ্যাৰ ভিত্তিত দিব লাগিব।

( সময় সংকেট )

( Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied )

Mr. Deputy Speaker : Your allotted time is 5 minutes. Please try to control your address.

* শ্ৰীলিয়াকত আলি খান : মাননীয় উপাধ্যক্ষ মহোদয়, মই বেছি নকওঁ। আমাৰ নদী ভঙা মানুহখিনিৰ কাৰণে, সংস্থাপনৰ কোনো কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। এইবোৰ কাৰণতে মই ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মোৰ সামৰণি মাৰিছো।

Mr. Deputy Speaker : Now Honourable Member, Shri Hiteswar Deka.

* Speech not corrected.

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৯ তাৰিখে বিধান সভাৰ মজিয়াত ৰাজ্যপাল মহোদয়ে যি ভাষণ দিলে, ৰাজ্যপাল গৰাকীক ব্যক্তিগত শ্ৰদ্ধা জনাইও চৰকাৰৰ নীতিৰ বিৰোধিতা কৰি বিৰোধী পক্ষই যি সংশোধনী আনিছে তাক মই সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত চৰকাৰী পক্ষই উত্থাপণ কৰা ধন্যবাদসূচক প্ৰস্তাৱত মই সমৰ্থন দিলোঁহেতেন যদিহে তাত এটা বস্তু উল্লেখ থাকিলহেঁতেন যে চৰকাৰে 'কৰাপচন ৰেগুলাৰাইজ' কৰিছে বুলি। ৰাজ্যপালৰ ভাষণত আইন শৃংখলাৰ কথা কোৱা হৈছে— ইতিমধ্যে ভালে কেইজন বক্তাই এই সম্পৰ্কত তেঁখেত সকলৰ নিজ নিজ বক্তব্য তথা দৃষ্টিভঙ্গী দাঙি ধৰিছে। আলফাৰ লগত চৰকাৰৰ আলোচনাৰ সম্পৰ্কত পৰস্পৰ বিৰোধী বিবৃতি তথ্য সহকাৰে সদনত দাঙি ধৰা হৈছে। আজি ১১ মাৰ্চ এতিয়া ১টা বাজিবলৈ ১০ মিনিট বাকী আছে, এই সময়লৈকে 'আলফা' এটা নিষিদ্ধ সংগঠন হৈয়ে আছে। চৰকাৰে বাতৰি কাকত যোগে বিজ্ঞপ্তি দিছিল যে গাওঁ অঞ্চলত যিসকল লোকে এই উগ্ৰপন্থী আলফা সংগঠনৰ লোকক আশ্ৰয় দিয়ে তেনে লোক আইনগতভাবে দোষী হব। এতিয়া সেই চৰকাৰৰ মূৰব্বী মুখ্যমন্ত্ৰী গৰাকীয়ে এই নিষিদ্ধ 'আলফা' সংগঠনৰ লোকৰ লগত আলোচনা কৰিছে। গতিকে মুখ্যমন্ত্ৰী কিয় দণ্ডগৰীয়া নহব।

মাননীয় উপাধ্যক্ষ মহোদয়, যদি আলোচনা হব লাগে, যদি সমস্যাৰ সমাধান হব লাগে, যদি শান্তি ফিৰি আহিব লাগে তেনেহলে তেওঁলোককো বিশ্বাসত লৈ নিষিদ্ধকৰণ উঠাই লব লাগে। টাডা বন্দীক মুকলি কৰি দিব লাগে। কিন্তু তাকে নকৰি কেৱল ৰাজনৈতিক স্থিতি শক্তিশালী কৰাৰ কাৰণে চাতুৰি কৰি আলফাৰ মাজত বিভাজনৰ সৃষ্টি কৰি আৰু ধনৰ বলত লাভালাভ দেখুৱাই কিছুমানক লৈ সমস্যাৰ মুখামুখি হবলৈ হলে ভবিষ্যত অসমৰ কাৰণে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হব পাৰে। আমি বিৰোধী পক্ষত বহিলো বুলিয়েই বিৰোধী সদস্য সকলৰ ওপৰত বেয়া মন্তব্য কৰা ঠিক নহব। কিয়নো ৰাজনীতিত কোন কেতিয়া ক'ত বহিব লাগে তাৰ কোনো ইয়ত্বা নাই। আমাৰ মগজুৰ বিকৃতি থকা বুলি কলেও আমি যিটো ক্ষুদ্ৰ মস্তিষ্কৰে উপলব্ধি কৰিব পাৰিছো সেইটো বৰ দুখজনক পৰিস্থিতিৰ ছবি আমাৰ আগত প্ৰকটমান হৈছে। কেৱল ৰাজনৈতিক ভাষাৰ শব্দৰে হয়তো প্ৰকাশ কৰিলেই অসমৰ সমস্যা সমাধান হৈ নাযাব। ইয়াৰ উপৰিও কংগ্ৰেছৰ নেতা মানবেন্দ্ৰ শৰ্মাক হত্যা কৰাৰ সন্দৰ্ভত কোনো বিৰোধী দলৰ ৰাজনীতিজ্ঞৰ পৃষ্ঠপোষকতা আছে বুলি দোষাৰোপ কৰা হৈছে। অৰ্থাত পৰোক্ষ ভাবে বিৰোধী দলৰ ৰাজনীতিকক হত্যাকাৰী বুলি চিহ্নিত কৰিবলৈ বিচৰা হৈছে। আমি বিৰোধী

* Speech not corrected.

পক্ষইও বিচাৰো অসমলৈ শান্তি ঘূৰি আহক। কিন্তু ৰঙীণ চশমা পিন্ধিলেই পৃথিবীখন ৰঙীণ হৈ নাযায়। সম্প্ৰতি ৫০ হাজাৰ নিযুক্তিৰ কথা কৈছে। কিন্তু কোনে কেনেকৈ ক'ত এই নিযুক্তি বিলাক দিছে সেইটো বুজিব পৰা নাই। নিযুক্তিৰ ক্ষেত্ৰত বিশেষকৈ স্বজন-তোষক টকা আৰু অন্যান্য কথা নিহিত হৈ পৰিছে। প্ৰথম কিস্তিত দহ হাজাৰ টকাই হৈছে নিযুক্তিৰ প্ৰথম আহিলা। এইটো অসমৰ কাৰণে পোন প্ৰথম বাৰৰ কাৰণে ঐতিহাসিক ঘটনা বুলি অগ্ৰদূত কাকতত ওলাইছে যে মন্ত্ৰীয়ে নিয়োগ পত্ৰ বিতৰণ কৰিছে। কিয় সেই বিভাগৰ ডিৰেক্টৰ বা অন্য অফিচাৰ বা আন আনুষ্ঠিক বিষয়া সকল নাই নেকি? নিযুক্তিৰ কাৰণে কেতিয়া কেনেকৈ সাক্ষাৎকাৰ আদি লোৱা হৈছিল সেই বিলাকৰ প্ৰয়োজন নাই। বিশেষকৈ শিক্ষা বিভাগৰ কথাই কৈছো। যিসকল লোকক জিলা প্ৰাথমিক শিক্ষা পৰিষদৰ মেম্বাৰ কৰিছে সেই বিলাক কেনে ধৰণৰ লোক? ৰাইজৰ আশা আকাংখা আগত লৈ চৰকাৰ গঠন কৰা হৈছিল কিন্তু ৰাজনৈতিক ভাবে দুৰ্নীতিৰে গোটেইখন খেলি-মেলিত পৰিণত কৰিছে। কিন্তু আমি আশা কৰিছো শিক্ষা বিভাগত প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক বা মহাবিদ্যালয় পৰ্য্যন্ত কোনো ৰাজনৈতিক ব্যক্তিৰ হস্তক্ষেপ হোৱাটো উচিত নহয়। কিয়নো ৰাজনৈতিক লোকৰ হস্তক্ষেপৰ কাৰণে গোটেই শিক্ষা বিভাগটোৱেই ভবিষ্যত অসমৰ কাৰণে অন্ধকাৰ যুগৰ আহ্বান কৰিব। এই সম্পৰ্কত জালুকবাৰী সমষ্টিৰ প্ৰাথমিক শিক্ষা পৰিষদৰ সদস্য এজনে পইচা লোৱাৰ কাৰণে কাউন্টাৰ এটাকে খুলি দিছে। প্ৰথম কিস্তিৰ টকা দহ হাজাৰ। কোনোবাই পৈত্ৰিক ঘৰ মাটি বিক্ৰী কৰি প্ৰথম কিস্তিৰ দহ হাজাৰ টকা দিয়াৰ পিচতহে নিযুক্তিৰ কাৰণে তেওঁৰ নাম বিবেচনা কৰা হয়। এই কথা যদি অসত্য বুলি প্ৰমাণিত হয় তেনেহলে বিধান সভাৰ যি কোনো শাস্তি লবলৈ মই প্ৰস্তুত আছো। কিন্তু এই বিষয়টো এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হব লাগে। উপাধ্যক্ষ মহোদয়, এটা কথা কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিব খুজিছো। আমাৰ মুখ্যমন্ত্ৰী আৰু এই সদনৰ মুৰব্বী নেতা ভাৰতবৰ্ষৰ ভিতৰতে বছৰটোৰ শ্ৰেষ্ঠ ব্যক্তি বুলি পৰিগণিত হোৱাত আমি আনন্দ পাইছো এইটো যেনেকৈ আনন্দৰ কথা কিন্তু অসমৰ সৰ্ব-কালৰ দুৰ্নীতিৰ সম্ৰাট হিচাবে একেজন ব্যক্তিয়েই পৰিগণিত হোৱাটো লজ্জাকৰ কথা হব। মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিকে ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Honourable Member Shri Alauddin Sarkar.

শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে কি কথাৰে আৰম্ভ কৰো তত নোপোৱা হৈছো। বৰ্তমান এটা অভূতপূৰ্ব আৰু কল্পনাতীত

* Speech not corrected.

অৱস্থা চলি আহিছে। অৰ্থাৎ গোটেই অসম জুৰি বৰ্তমানৰ অসম চৰকাৰে অভূতপূৰ্ব আৰু কল্পনাতীত ভাবে, কাম সম্পূৰ্ণ কৰিছে। পঞ্চাশ হাজাৰ চাকৰি দিয়া হৈছে বুলি শুনিছো। দিশপুৰৰ পৰা ঘূৰি গৈ ৰাইজক কব পৰা যাব চাকৰি দিয়া হৈছে। কিন্তু মোৰ কাৰণে দিশপুৰৰ দিশ নোহোৱা হৈছে। পঞ্চাশ হাজাৰে চাকৰি পালে অথচ আমাৰ এটাও নাপালে। কেনেকৈ কি ভাৱে কোনে নিযুক্তি দিলে আমি গমকে নাপালো। অলপ আগতে এই সদনতে কোৱা হৈছে যে মন্ত্ৰীয়ে নিজ হাতেৰে নিয়োগ পত্ৰ বিলাইছে। অসমৰ নিচিনা পাশ্চাত্যগামী ৰাজ্য এখনৰ ৰাজনৈতিক স্থিতাৱস্থা দেখি বুজিছো যে গণতন্ত্ৰ বিকৃত হৈছে। আচলতে কবলৈ গলে চৰকাৰ প্ৰচাৰধৰ্মী হৈ পৰিছে। কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাৰে কৈছো—"আমাৰে যেনো কৰিলা প্ৰচাৰ আমাৰে আপোন কাজে, তোমাৰি ইচ্ছা কৰোহে পূৰ্ণ আমাৰে জীৱন মাঝে।" তোমাৰ অৰ্থাৎ ৰাইজৰ ইচ্ছা পূৰ্ণ হোৱা নাই। আচলতে ৰাইট-টু-ৰিকল আমাৰ নাইকিয়া হ'লহেঁতেন। চৰকাৰৰ মতেই কাম চলিছে। চৰকাৰৰ মতেই ইলেক্চন হৈছে। চৰকাৰৰ ইচ্ছাতেই চৰকাৰে পৰিপূৰ্ণতা লভিছে বুলি কৈছে।

( ভইচ্ : পঞ্চায়ত ইলেক্চন হৈছে )

ইলেকচন কি হৈছে সকলোৱে জানে। বিশেষকৈ ভাৰতবৰ্ষৰ হিন্দী বেল্টৰ কাৰণে যি ধৰণে ইলেক্চন হয় তাৰে আধৰা বা বিহাৰচেল চলিল সেইটো সকলোৱে জানে। পঞ্চায়ত প্ৰতিনিধি তৈৰী কৰিবলৈ কোনোবা মন্ত্ৰী গৈছে। কেবিনেট মন্ত্ৰী গৈছে বা ৰাজ্যিক মন্ত্ৰী গৈছে। বহুতো মন্ত্ৰীয়ে গৈ পঞ্চায়ত ইলেক্চনৰ কাৰণে বক্তৃতা ৰাখি আহিছে। তেখেত সকলে কৈছে আমাৰ নিৰ্বাচিত প্ৰতিনিধিৰ বাহিৰেও ডিফিটেট প্ৰতিনিধি বহুত আছে মন্ত্ৰীসকলে নিজক গণতান্ত্ৰিক দেখুৱাই পঞ্চায়তৰ সমাজতে ৰাতি শুই বাঃ বাঃ বুলি আৰাম লভা তুষামোদকাৰী হলেই নহব। গণতন্ত্ৰৰ কাৰণে প্ৰকৃত গণতান্ত্ৰিক প্ৰক্ৰিয়া চলিব লাগে। আমাৰ ধুবুৰী জিলাৰ আমি তিনিজন বিধায়ক আহিছো। ধ্ৰুৱ কুমাৰ আছে, মহিবুল হক আছে মিনিষ্টাৰ হৈছে। ধুবুৰী জিলাৰ উন্নয়ণৰ কাৰণে কি কৰা হৈছে আমি সকলোৱে দেখিছো। পশ্চাৎগামী ৰাজ্যখনৰ অনুন্নত এই ধুবুৰী জিলাখন এটা কলনী বিশেষ মাত্ৰ হৈ আছে। ধুবুৰী জিলাৰ কাৰণে কি উন্নয়ণ আঁচনি গ্ৰহণ কৰা হৈছে। ৰাজনৈতিক আচৰণ কেনে ধৰণে কৰা হৈছে। শাসক দলৰ তিনিজন বিধান সভালৈ আহি মন্ত্ৰী হৈছে। এসময়ত ছয়জন বিধায়ক আহিছে, মন্ত্ৰী হৈছে কিন্তু শতকৰা ৬১ ভাগ চৰাঞ্চললৈ গঠিত ধুবুৰী জিলাৰ কাৰণে একো হোৱা নাই। পলিটেক্নিকেলৰ ক্ষেত্ৰত কি হ'ল? সেই তাহানিতে থকা মেট্চ ফেক্টৰী এটাই

আজিও বৰ্তি আছে কেৱল। সেই জিলাৰ এখন টাউন বা চহৰ নৰ্থ শ লমৰা ব্ৰহ্মপুত্ৰৰ গৰ্ভত জাহ গ'ল। আমাৰ জলসিঞ্চন মন্ত্ৰী ডাঙৰীয়া সেই নৰ্থ শালমৰা মাজেৰে অহা যোৱা কৰে। মোৰো শহুৰৰ ঘৰ সেইফালে। আন আন সম্বন্ধীয় লোকো আছে। ইয়াত এজন মন্ত্ৰীও আছে, সেইফালে অহা যোৱা কৰে। কিন্তু নৰ্থ শালমৰা ৰক্ষা কৰিবলৈ তেখেত সকলেও একো কৰা নাই।

মি, ডেপুটি স্পীকাৰ : You have already completed 7 minutes.

আলাউদ্দিন চৰকাৰ : উপাধ্যক্ষ মহোদয়, ভূমিহীন কৃষক সকলক মাটি দিয়া হব বুলি এই চৰকাৰে কৈছে। আগতে কিন্তু আমাৰ জিলাত চিৰস্থায়ী বন্দবস্তি প্ৰথা চলা এলেকাত বৰ একো হোৱা নাই। ৰায়তী প্ৰথা বৰ্তি আছিছে কিন্তু চিলিং একৰ মাটি কিমান আছে সেইটো কোৱা হোৱা নাই। ৰাজহ আদালত স্থাপন কৰি তাৰ দ্বাৰা মাটিৰ সমস্যা স্থিৰ কৰাৰ ব্যৱস্থা কৰিছে যদিও লোক আদালতৰ দ্বাৰা কিমান কৰিব পাৰিছে আমি সকলোৱে দেখি আছো। এতিয়া ৰাম ৰাম বৰ্গৰাম দেউৰী মন্ত্ৰী মহোদয় সদনতে আছে। কিন্তু এচ্ চি আৰু ও-বি-চিৰ বোৰ্ডৰ কাৰণে এখন সদস্য তালিকা তেখেতৰ হাতত দিলো, কিন্তু একো কাম নহ'ল। সেই একে কেইজন লোকেই একেই সুবিধা লাভ কৰি আছে। আৰু এই ১৫, ২০ বছৰ ধৰি সুবিধা ভোগ কৰি থকাহঁতে সুবিধা লৈ আছে। তেওঁলোক ৰজা হৈ আছে। মই মুখ্যমন্ত্ৰী মহোদয়ক এই বিষয়ত নজৰ দিবলৈ অনুৰোধ জনাইছো। বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Dr. Kalita, absent. Shri R. N. Kalita, absent. So Shri Milan Boro to speak.

* শ্ৰীমিলন বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আমাৰ কবলৈ বহুত আছে। বিশেষকৈ অসমৰ বড়ো সমস্যাৰ ওপৰত কবলগীয়া বহুত আছে। বিশেষকৈ এই প্ৰসঙ্গত অসমৰ বড়ো সমস্যাৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰীৰ বিবৃতি আৰু ৰাজ্যপালৰ ভাষণৰ মাজত বিৰাট বিসঙ্গতি আছে। বড়ো সমস্যাৰ সম্পৰ্কত তিনি জনীয়া বিশেষজ্ঞ সমিতি কৰা হৈছে। সেই তিনি জনীয়া বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন দাখিল কৰাৰ পিচত বড়োলেণ্ড দিয়া হব নেকি দিয়া হব বা নহব সেইটো সিদ্ধান্তৰ কথা উল্লেখ কৰা হৈছে। আনহাতে মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বিশেষজ্ঞ সমিতিয়ে যিটো সিদ্ধান্ত দিব তাত আমাৰ কোনো বাধা নাথাকিব কিন্তু অসমখন পুনৰ দ্বিখণ্ডিত হবলৈ বা বিভাজন হবলৈ দিয়া নহয় বুলি দিয়া বিবৃতি আছে।

* Speech not corrected.

এই দুটা বিবৃতিৰ মাজত বিসংগতি আছে। এই বিবৃতি যোগে বড়ো সমস্যা সমাধান কৰিব বিছৰা নাই আৰু যদি বিছাৰিছে এনেধৰণৰ বিসংগতিমূলক বিবৃতি দিয়াৰ পৰা বিৰত থাকিব লাগে। অসম বিধান সভাৰ মজিয়াত আলফা সমস্যা, কাৰ্বি সমস্যা আৰু বড়ো সমস্যাৰ বিষয়ে বহুতেই আলোচনা হয়। মই এজন নতুন বিধায়ক হিচাপে এটা কথা চিন্তা কৰিছো বড়ো সকল যেনেকৈ অসমৰ অংগবাসীৰ লোক ঠিক তেনেকৈ অসমত বসবাস কৰা সংখ্যালঘু সম্প্ৰদায়ৰ লোক, তেওঁলোকৰো এটা তাইটেল ৰোল আছে। যোৱা বাৰ বিধান সভা চলি থাকোতে সংখ্যালঘু ছাত্ৰ সন্থাৰ লোক সকলে যেতিয়া ধৰ্না দিছিল তেতিয়া চৰকাৰৰ ২/৩ জন প্ৰতিনিধি গৈ আমচুৰ নেতা সকলৰ যি চাৰটাৰ অৱ ডিমাণ্ড সেই সেই বিষয়ে আলোচনা কৰি বিভিন্ন ব্যৱস্থাৱলী লবলৈ আশ্বাস দিছিল। কিন্তু তেওঁলোকৰ সমস্যা সমূহ সমাধান কৰিবলৈ চৰকাৰে কি পদক্ষেপ লৈছে এই ভাষণত তাৰ কোনো উল্লেখ কৰা নাই। অধ্যক্ষ মহোদয়, আমি এটা কথা কবই লাগিব আৰু সকলোৱে স্বীকাৰ কৰিব যে অগপ চৰকাৰক শাসনৰ পৰা উঠাই কংগ্ৰেছ আই চৰকাৰ গঠন হোৱাত সংখ্যালঘু সকলৰ এটি গুৰুত্বপূৰ্ণ ভুমিকা আছে। কিন্তু সংখ্যালঘু সকলৰ কথা এই অধিবেশনত কোনো ধৰণৰ আলোচনা নহয় বা শাসক দলেও তেওঁলোকৰ ভোটত জিকি আহি তেওঁলোকৰ কাৰণে বিশেষ চিন্তা চৰ্চা কৰা দেখা নাই। অকল এই লোক সকসকলৈ বহুতেই ৰাজনীতিৰ মুনাফা আদায় কৰে। এই চৰকাৰ হোৱাৰ পাছত মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে ১০০০০ নিবনুৱা সংখ্যালঘুৰ যুৱক যুৱতিক বিভিন্ন চাকৰিত নিয়োগ কৰা হব কিহৰ ভিত্তিত এওঁলোকক নিয়োগ কৰা হব তাৰ কিন্তু কোনো উল্লেখ নাই। এই চৰকাৰ গঠন হোৱাৰ পাছত আমাৰ যিজন মাননীয় শিক্ষামন্ত্ৰী তেখেতে ঘোষণা কৰিছিল যে শিক্ষা বিভাগত থকা দুৰ্নীতি অতি সোনকালেই দূৰ কৰা হব। আমিও নতুন বিধায়ক হিচাপে ভাবিছিলো যে শিক্ষা বিভাগৰ নিচিনা গুৰুত্বপূৰ্ণ বিভাগ এটাৰ যদি দুৰ্নীতি নাইকিয়া হয় তেনেহলে আমাৰ ভবিষ্যত বংশধৰ সকলৰ মঙ্গল হব। কিন্তু মোৰ সমষ্টিৰ শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু ৰূপহী হাইস্কুলৰ যিজন প্ৰধান শিক্ষক তেখেত সকলে শিক্ষানুষ্ঠানত উপস্থিত নাথাকি আজি ৫ বছৰে বেতন ভোগ কৰি আহিছে। মই শিক্ষামন্ত্ৰীক এই বিষয়ে অভিযোগ কৰিছিলো যে বড়ো আন্দোলনৰ গইনা লৈ এই দুজন শিক্ষকে বিনা কামে বেতন ভোগ কৰি আহিছে। শিক্ষামন্ত্ৰীয়েও মোৰ উপস্থিতিত ডি, পি, আইক মাতি আনি অৰ্ডাৰ দিছিল কিন্তু আজিও তাৰ কোনো ব্যৱস্থা নহ'ল।

( সময়ৰ সংকেট )

এই দুজন শিক্ষকে যদি বছৰৰ পিছত বছৰ ধৰি শিক্ষানুস্থানত উপস্থিত নাথাকি দৰ্মহা লৈ থাকিব পাৰে তাৰ দ্বাৰা দুনীতিক আশ্ৰয় দিয়া নাই নে?

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাস্তা-ঘাটৰ বহু কথা কব লগীয়া আছে। শাসক দলৰ কেইবাজনো বিধায়কে বাৰে বাৰে কৈ আছে যে তেওঁলোকৰ পঞ্চায়তৰ নিৰ্বাচনত অভূতপূৰ্ব সাফল্যমন্দিত হৈছে। কিন্তু আমাৰ বড়ো অঞ্চলত ১০০ পাৰচেণ্ট আমাৰ প্ৰাৰ্থীয়ে ভোট পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো যে বড়ো সমস্যা সমাধান কৰাৰ কাৰণে চৰকাৰে স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে। এনেকৈ চালে-বেৰে কোবাই কাগজে পত্ৰই বিবৃতি দিলে নহব। ৩ জন বিশেষজ্ঞ কমিটি ইনভলব কৰাত আমাৰ আপত্তি নাই। চালে বেৰে কোবাই ভাষণ দিলে আমাৰ ৰাইজক বেছি চেণ্টিমেণ্টহে কৰা হব। আমি সংবিধানৰ মাজেদিয়েই বড়ো লেণ্ড বিচাৰিছো। সংবিধানে যদি নিদিয়ে সেইটো বেলেগ কথা। এইখিনি কথা কৈ ৰাজ্যপালৰ ভাষণখন সম্পূৰ্ণ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : এতিয়া শ্ৰীচিতেন্দ্ৰ নাথ মজুমদাৰ।

* শ্ৰীচিতেন্দ্ৰ নাথ মজুমদাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয় যে ভাষন এই সদনে উৎথাপন কৰেছেন আমি তাৰ তীব্ৰ বিৰোধীতা কৰে আমাৰ বক্তব্য ৰাখছি। ৰাজ্যপালেৰ ভাষণে আমাদেৰ ৰাজ্যেৰ জনসাধাৰনেৰ আশা-আকংখা যে ভাবে প্ৰতিফলন হওয়াৰ কথা ছিল ঠিক সে ভাবে প্ৰতিফলিত কৰতে ৰাজ্য সৰকাৰ ব্যৰ্থ হয়েছে। তাছাৰা যে সব উন্নয়ন মূলক কাজ কৰাৰ প্ৰতিশ্ৰুতি ৰাজ্যপাল মহোদয় বিগত বছৰ তাৰ ভাষনে উল্লেখ কৰেছিলেন সেই সব প্ৰতিশ্ৰুতি পালন কৰাৰ ক্ষেত্ৰে এই সৰকাৰ ব্যৰ্থ হয়েছে বলে আমি বলতে চাই। আমি এ ব্যাপাৰে ৰাজ্যপাল মহোদয়েৰ গতবাৰেৰ ভাষনেৰ কিছু অংশ আপনাৰ অবগতিৰ জন্য পড়ে শুনাচ্ছি। "মোৰ আগৰ বাৰৰ ভাষণত সদনক দিয়া প্ৰতিশ্ৰুতি সমূহ পূৰণৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।" আমৰা একটা কথা লক্ষ্য কৰেছি যে ৰাজ্যপাল মহোদয়েৰ ভাষনে যে সব উন্নয়ন মূলক কাজেৰ কথা উল্লেখ কৰা হয় কাৰ্য্যক্ষেত্ৰে সেগুলি পালন কৰা হয় না। ৰাজ্যপালেৰ ভাষন পড়লে মনে হয় এই সৰকাৰেৰ কাজ কৰবাৰ একটা সদিচ্ছা আছে। কিন্তু যে ভাবে এই সৰকাৰ কাজ কৰছে তা দেখে মনে হয় এই সব প্ৰতিশ্ৰুতি পালন কৰাৰ তাদেৰ কোন সদিচ্ছা নেই। কাৰণ নিৰ্বাচনেৰ সময় চাকৰী দেবাৰ ব্যাপাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয় ঘোষণা কৰেছিলেন যে প্ৰতিটি পৰিবাৰেৰ একজনকে

* Speech not corrected.

